REFERENCE
(Not for issue)

ASSAM LEGISLATIVE ASSEMBLY DEBATES

OFFICIAL REPORT

BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

VOL - 1

No. 36

Dated the 29th June, 1978

सत्यमेव जयते

1985

PRINTED AT SUDARSHAN PRESS
BAMUNIMAIDAN
GUAHATI—21

REFERENC
(Not for Issue)

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1978

(Budget Session)

Volume-1,
No. 36
Dated the 29th June, 1978

CONTENTS

		Pages.
1.	Questions	1-74
2.	Calling Attention Notice	74-76
3.	Matter under Rule 301	76-78
4.	Laying of Rules, Reports etc	78-79
5.	Government Motion	79-84
6.	The Assam Panchayati Raj (Sixth Amendment) Bill, 1978	84-120
7.	Discussion under Rule 50	120-149
8.	Miscellaneous	149-151
9.	Resolution	151-153
10.	Adjourment	153

Proceedings of the Budget Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Thursday, the 29th June 1978 with the Hon. Speaker in the Chair, 11 (eleven) Ministers, 4 (four) Ministers of State, 3 (three) Parliamentary Secretaries and 91 (ninety one) Members present.

ASSAM LEGISLATIVE ASSEMBLY

STARRED

QUESTIONS AND ANSWERS

Date : 29th June 1978

(To which oral answers were given)

Mr. Speaker :— Now pending question No. 392
Shri Md. Samsul Huda.

বিঃ জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ’

শ্ৰী মোঃ ছামছুল হুদাই সুধিছে :

* ৩৯২। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে-

(ক) ১৯৭৭ চনত জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ’ৰ পৰা মুক্তি হোৱা এজন অসমীয়া কথা ছবিৰ প্ৰযোজকক বিনা যুক্তিত দ্বিতীয় আৰু পৰবৰ্ত্তী কপিৰ যোগান নধৰাৰ কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, চৰকাৰে কি বিচাৰ কৰিব খোজে ?

(গ) একাধিক কপি নেপাই বজাৰৰ চাহিদা পূৰাব নোৱাৰাৰ ফলত প্ৰযোজকজনে মূলধনখিনি ঘূৰাই নোপোৱাৰ কথাটো হয় নেকি ?

(ঘ) যদি সচা হয়, চৰকাৰে এই ক্ষেত্ৰত কেনে ব্যৱস্থা গ্ৰহণ কৰিছে ?

(ঙ) এই প্ৰযোজকজনে ইতিমধ্যে ক্ষতিপূৰণ দাবী কৰি ষ্টুডিঅ' কৰ্তৃপক্ষলৈ জাননী দিয়া কথাটো সচাঁনে ?

(চ) যদি সচাঁ হয়, চৰকাৰে এই ক্ষেত্ৰত কেনে ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩৯২। (ক) তেনেধৰণে জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ'ৰ বিৰুদ্ধে অভিযোগ অনা বুলি চৰকাৰে জানে ।

(খ) যিহেতু জ্যোতি চিত্ৰবন এটা স্বয়ং শাসিত পঞ্জীভুক্ত অনুষ্ঠান চৰকাৰে বিষয়টো বিচাৰ কৰা প্ৰশ্ন নুঠে ।

(গ) তেনেকুৱা সংবাদ চৰকাৰৰ নাই ।

(ঘ) প্ৰশ্ন নুঠে ।

(ঙ) হয়, সচাঁ ।

(চ) চৰকাৰে ইতিমধ্যে ষ্টুডিঅ' কৰ্তৃপক্ষক বিহিত ব্যৱস্থা লবলৈ নিৰ্দ্দেশ দিছে।

শ্ৰীমহম্মদ ছামছুল হুদা :— মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক কাৰণত চৰকাৰ ক্ষতিপূৰণৰ সন্মুখীন হবলগীয়া হ'ল সেই কাৰণ বিলাকৰ অনুসন্ধান কৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, ক্ষতি পূৰণৰ দাবী উঠিলেই যে ক্ষতিপূৰণ দিব লাগিব সেইটো আমাৰ চৰকাৰে নেভাবে। যুক্তিযুক্ততাৰ ওপৰত নিৰ্ভৰ কৰিহে ক্ষতিপূৰণৰ ব্যৱস্থা হব পাৰে। সেইকাৰণেই মই কৈছো যে, জ্যোতি চিত্ৰবনৰ যি কমিটি আছে সেই কমিটিয়ে এই বিষয়ে বিচাৰ কৰি লব পাৰিব।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— মাননীয় অধ্যক্ষ মহোদয়, জ্যোতি চিত্ৰবনৰ সঞ্চালকজনৰ চিত্ৰসম্বন্ধীয় কিবা 'ডিপ্লমা' আছেনেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, অৱশ্যে এইটো এটা বেলেগ প্ৰশ্ন হোৱা হলে ভাল আছিল। তেখেতৰ তেনেকুৱা কোনো 'ডিপ্লমা' নাই যেন লাগে।

শ্ৰীপ্ৰেমধৰ বৰা :— মাননীৰ অধক্ষ্য মহোদয়, চৰকাৰৰ তৰফৰ পৰা প্ৰতিনিধি তাত কোন আছে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— চৰকাৰী পক্ষৰ কেইবাজনো প্ৰতিনিধি আছে। শিক্ষা বিভাগৰো আছে আৰু ইঞ্জিনিয়াৰিং আদি বিভাগৰো আছে।

শ্ৰীমুকুট শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, 'ইষ্টাৰ্ণ ইণ্ডিয়ামোচন পিকচাৰ্ছ এছো-চিয়েছন'ৰ কোনো প্ৰতিনিধি ইয়াত আছে নেকি আৰু প্ৰজোযক, পৰিছালকৰো কোনোবা প্ৰতিনিধি তাত আছেনেকি?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, প্ৰতিনিধি বুলি নহয়, যিকেইজন লোকেৰে সৈতে এই কমিটিটো গঠিত হৈছে সেই সকল অসমীয়া চিত্ৰজগতত খ্যাতি সম্পন্ন লোক।

শ্ৰীনৰেন দত্ত :— মাননীয় অধ্যক্ষ মহোদয়, এই জ্যোতি চিত্ৰবনৰ জ্যোতি অম্লান ৰাখিবৰ কাৰণে বোলছবি তৈয়াৰ কৰিবৰ কাৰণে প্ৰযোজক সকলক কিবা বিত্তীয় সাহায্য দিয়াৰ ব্যৱস্থা আছেনেকি?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মই নিজেই প্ৰযোজক পৰিচালক হিচাবে থকা অভিজ্ঞতাৰ পৰা কব পাৰো যে, এনে ব্যৱস্থা অসম চৰকাৰৰ বাহিৰে ভাৰতৰ কতো নাই।

Shri Golok Rajbanshi :-Point of order, Sir, whether the Minister is replying as Minister or as Film producer and Director?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— মই জানো।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় শিক্ষা মন্ত্ৰী নিজেই চিত্ৰ জগতৰ লগত জড়িত থকা লোক। সেই হিচাবে এই বিভাগৰ সঞ্চালক জনৰ চিত্ৰ সম্বন্ধীয় কোনো দক্ষতা নথকাৰ কাৰণে অসমত এই চলচ্চিত্ৰই কোনো অগ্ৰগতি লাভ কৰিব পৰা নাই বুলি নেভাবেনে? যদি ভাৱে তেতিয়াহলে, চলচ্চিত্ৰৰ জ্ঞান থকা লোক এজনক সঞ্চালক হিচাবে নিয়োগ কৰাৰ কথা নেভাবেনে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— এতিয়া তেনেদৰেই ভবা হৈছে।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী :— মাননীয় অধক্ষ্য মহোদয়, অসমৰ ৰাইজে বহুত

দিনৰ পৰাই এই ষ্টুডিঅ' টোৰ কাৰণে আশা আকাংখা কৰি আছিল। কিন্তু ইয়াৰ মূল যন্ত্ৰটো বোলে নিম্নখাপৰ হৈছে সেইটো জানেনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— এইটো বেলেগ প্ৰশ্ন যদিও কোৱাটো ভাল হব যে, তেনে নহয়।

শ্ৰীজগত চন্দ্ৰ পাটগিৰি :— মাননীয় অধ্যক্ষ মহোদয়, জনজাতীয় কোনো প্ৰতিনিধি তাত আছে নেকি ? যদি নাই জনজাতীয় কালচাৰ তাত সুমুৱাবৰ কাৰণে কিবা বিশেষ আচঁনি আদি আছে নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— তেনেকুৱা কোনো আঁচনি নাই। প্ৰায়বিলাক অসমীয়া ছবিতে জনজাতীয় কৃষ্টি প্ৰদৰ্শন কৰা হয়।

শ্ৰীমহম্মদ ছামছুল হুদা :— মাননীয় অধ্যক্ষ মহোদয়, সঞ্চালকজন চিত্ৰ জগতৰ যোগ্যতা থকা লোকক নিয়োগ কৰিব নোৱাৰাটোত কিবা ঘৰুৱা ব্যৱস্থা দায়ী নে আইনৰ মেৰপাকৰ কাৰণেই কৰিব পৰা নাই।

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— মানুহৰ অভাৱ ইত্যাদিৰ কাৰণে হয়তো নহয়। কথাটো পুনৰ বিবেচনা কৰা হব।

বি : মঙ্গলদৈ মহকুমাৰ পৰ্যটক আকৰ্ষণকাৰী ঠাই

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰে সুধিছে :

* ৪২৩। মাননীয় পৰ্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মঙ্গলদৈ মহকুমাত ভ্ৰমণকাৰীক আকৰ্ষণ কৰিবলগীয়া কিবা ঠাই আছে নেকি ?

(খ) যদি আছে, পৰ্য্যটক সকলক এনে ঠাইৰ প্ৰতি আকৰ্ষণ কৰিব পৰাকৈ পৰ্যটন বিভাগে এতিয়ালৈকে কি কি কৰিছে ?

(গ) আৰু ভৱিষ্যতৰ বাবে কিবা আঁচনি গ্ৰহণ কৰাৰ কথা চিন্তা কৰিছে নেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (পৰ্য্যটন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৪২৩। (ক)— হয়, আছে। যেনে ওৰাং অভয়াৰণ্য আৰু ভৈৰৱ কুণ্ড।

(খ) এতিয়ালৈ কৰা হোৱা নাই।

(গ) হয়। ভৈৰৱ কুণ্ডত এটা পৰ্য্যটন নিবাস নিৰ্ম্মাণ কৰাৰ বাবে আঁচনি যুগুত কৰাৰ কথা ভবা হৈছে। অৰ্থৰ ব্যৱস্থা কৰিব পাৰিলেই নিৰ্ম্মাণ কাৰ্য্য হাতত লোৱা হব।

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ :—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে পৰ্যাটক সকলৰ কাৰণে 'ভৈৰৱ কুণ্ডত' পৰ্যাটক নিবাস সজাৰ কথা কৈছে। ওৰাং বনাঞ্চলতো নানান বিলাক জীৱজন্তু, বিভিন্ন চৰাই চিৰিকতিৰ কাৰণে পৰ্য্যটক সকল তালৈ যায়। কিন্তু তাত তেনে ধৰণৰ কোনো পৰ্য্যটক নিবাস আদি নথকাৰ কাৰণে পৰ্য্যটক সকল তালৈ গলে থকাৰ ব্যৱস্থা নাই। যিবা এটা 'ইন্সপেকছন বাংলো' আছে তাতো বিদেশী পৰ্য্যটক সকলক থাকিবলৈ দিয়া নহয়। তাত আমাৰ পৰ্য্যটক সকলক থকাৰ অনুমতি দিবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, ওৰাং বনাঞ্চলত থকা ফৰেষ্ট বিভাগৰ আই, বি ত পৰ্য্যটক সকল থাকিবপাৰে। থাকিবলৈ নিদিয়াৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে। অৰ্ডাৰ দিলে খোৱা-বোৱাৰো ব্যৱস্থা কৰা হয়। এনেধৰণৰ ফৰেষ্ট বিভাগৰ আই, বি, বিলাকত পৰ্য্যটক সকলক থাকিবলৈ দিয়া হয়।

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ :— অধ্যক্ষ মহোদয়, যিহেতুকে আমি জনাত ইয়াত ফৰেইনাৰক থাকিবলৈ দিয়া নহয়, গতিকে নতুনকৈ পৰ্য্যটক নিবাস স্থাপন কৰাৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিবনে ?

শ্ৰীকেশব চন্দ্ৰ গগৈ (মন্ত্ৰী) :— ফৰেইনাৰ অসমলৈ আহিলে কোন কোন ঠাইত কিমান দিন থাকিব তাৰ কাৰণে পাচ লব লাগে। পাচ থাকিলে থাকিবলৈ নিদিয়াৰ প্ৰশ্ন নুঠে। কলিকতাৰ পৰা এই পাচ লৈ আহি থাকিব লাগে। যদি তেনে কোনো বিশেষ অভিযোগ থাকে জনালে ব্যবস্থা কৰা হব।

শ্ৰীনগেন শৰ্ম্মা :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, মঙ্গলদৈৰ দক্ষিণ পশ্চিমে অৱস্থিত কুৰুৱা নামৰ ঠাইত, হাতি গড় আদি, আৰু নানা ধৰণৰ চৰাই চিৰিকটিয়ে বছৰৰ বাৰ মাহে থাকে আৰু সেইবিলাক চাবৰ কাৰণে পৰ্য্যটক সকল তালৈ যায়, গতিকে তাত এটা নিবাস কৰিলে লাভজনক বুলি মন্ত্ৰী মহোদয়ে নাভাবে নে ? যদি ভাবে এই বিষয়ে চিন্তা কৰিব নে ?

শ্ৰীকেশব চন্দ্ৰ গগৈ (মন্ত্ৰী) :— সেইটো বেলেগ প্ৰশ্ন দিলে ভাল হয়। তথাপিও তেনেকুৱা ঠাই প্ৰায় ভাগতে আছে। সকলোতে টুৰিষ্টলজ কৰাৰ কথা ভবা নাই, কিয়নো আমাৰ বাজেট সেইটো সম্ভৱ কৰি নোতোলে।

শ্ৰীৰমেশ চহৰীয়া :— অধক্ষ্য মহোদয়, মন্ত্ৰী মহোদয়ে 'গ' প্ৰশ্নৰ উত্তৰত কৈছে যে আঁচনি লোৱা হৈছে। যিহেতুকে ধনশিৰি প্ৰজেক্ট হৈ আছে, বৰ্ত্তমান জলসিঞ্চন বিভাগৰ লগত সংযোগ ৰাখি অতি সোনকালে এটা নিবাস কৰাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীকেশব চন্দ্ৰ গগৈ (মন্ত্ৰী) :— মই কৈছোৱেই ৬ষ্ঠ পৰিকল্পনাত ধৰা হৈছে। মাননীয় সদস্যই যি পৰামৰ্শ দিছে, বিবেচনা কৰা হব।

শ্ৰীএ, এন, আক্ৰাম হুছেইন :— অধ্যক্ষ মহোদয়, পৰ্য্যটক যিবিলাক অসমলৈ আহে, তেওঁলোকক আৰ্কষণ কৰিবলৈ ভাল থকা ব্যৱস্থা আৰু মদ্যপানৰ প্ৰয়োজন। কিন্তু এই বিলাক অসুবিধাৰ কাৰণে পৰ্য্যটক সকল আৰ্কষিত নহয়। এই অসুবিধা দূৰ কৰিবৰ কাৰণে মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা কৰিবনে ?

শ্ৰীকেশব চন্দ্ৰ গগৈ (মন্ত্ৰী) :— কোনো বাধা নোহোৱাকৈ বিদেশী সকলে মদ্যপান কৰিব পাৰে। আৰু সেই মতে কাজিৰঙা আদি ঠাইত বাৰ চলিয়েই আছে।

শ্ৰীনিশীথ ৰঞ্জন দাস :— অধ্যক্ষ মহোদয়, শিলচৰে পৰ্য্যটন ভবন নিৰ্মাণ কৰাৰ জন্য জমি অধিগ্ৰহন করা হয়েছিল এবং অর্থ মঞ্জুরও করা হয়েছিল। কিন্তু এখন পৰ্যন্ত এই পৰ্যটন ভবনের কাজ আরম্ভ না হওয়াৰ কারন কি ?

শ্ৰীকেশব চন্দ্ৰ গগৈ (মন্ত্ৰী) :— আমাৰ পঞ্চবাৰ্ষিক পৰিকল্পনাত ১ কোটি ২০

লাখ টকা ধৰা হৈছিল কিন্তু টকা কাটি ২০ লাখ কৰা হ'ল। টকাৰ অভাবৰ কাৰণে সেইটো কৰা নহল।

Shri Ranendra Narayan Basumatari :— Sir, in view of the fact that there are bonafide demands for development of the tourists centres, if there is scarcity of fund for development of the tourists centres, will the State Government approach the Central Government for central assistance?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— হয় কৰা হব।

শ্ৰীগিয়াছুদ্দিন আহমেদ :— অধ্যক্ষ মহোদয়, পৰ্য্যটক সকলক আৰ্কষণ কৰাৰ কাৰণে চৰকাৰে অকল পৰ্যাটক নিবাস কৰাৰ কথা কৈছে। পৰ্য্যটক আৰ্কষণ কৰিবলৈ হলে ৰাস্তাঘাট, যানবাহনৰ সুবিধা আৰু খানাপিনা আদিৰ কাৰণে সা-সুবিধা কৰিব লাগে। চৰকাৰে এই গোটেই বিলাক কথা বিবেচনা কৰি, অসম খন যিহেতুকে শ্ৰীনগৰ বুলি কোৱা হয়, তেনেভাবে গঢ়ি তুলিবলৈ এখন মাষ্টাৰ প্লেন চৰকাৰে কৰিবনে?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— মাননীয় সদস্য গৰাকীৰ জ্ঞাতাৰ্থে মই জনাব বিচাৰিছো যে, ৰাস্তাঘাটৰ উন্নতিৰ বাবে ইতিমধ্যে ব্যৱস্থা কৰা হৈছে আৰু বহুখিনি আগবাঢ়িছে। আৰু পৰ্য্যটন বিভাগটো কি ধৰণে উন্নতি কৰিব পৰা যায় চিন্তা কৰিছে। অহাবছৰলৈ মাননীয় সদস্য সকলে সবিশেষ জানিব পাৰিব।

Re : Assam State Development Corporation for O. B. C. Ltd.

শ্ৰীজ্ঞান গগৈয়ে সুধিছে :—

* ৪২৪। মাননীয় পিচপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) Assam State Development Corporation for O. B. C. Ltd. ৰ গঠন কেতিয়া কি উদ্দেশ্যৰে কৰা হল?

(খ) এই কৰপোৰেশনে এতিয়ালৈকে কি কি আঁচনি গ্ৰহণ কৰিছে।

(গ) কেইখন আঁচনি কাৰ্য্যকৰী কৰা হল ?

(ঘ) এই কৰপোৰেশনৰ বাবে চৰকাৰে এতিয়ালৈকে কিমান টকা খৰচ কৰিলে ?

শ্ৰীৰমেশ মোহন কুলি (পিচপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪২৪। (ক) Assam State Development Corporation for O.B.C. Ltd. যোৱা ১৯৭৫ চনৰ ৬ আগষ্টত গঠিত কৰা হৈছে। এই নিগমৰ মূখ্য উদ্দেশ্য হৈছে আৰ্থিক উন্নয়নমূলক বিভিন্ন আঁচনি প্ৰস্তুত কৰি সেইবোৰ ৰূপায়নৰ বাবে বেচৰকাৰী, চৰকাৰ বিত্তীয় অনুষ্ঠান সমূহৰ প্ৰৰা নিম্ন হাৰৰ সূতত অৰ্থ ঋণ আগবঢ়াই অন্যান্য পিচপৰা শ্ৰেণীৰ লোকৰ আৰ্থিক অৱস্থাৰ উন্নতি সাধন কৰা (নিগমৰ এই উদ্দেশ্যবোৰৰ বিতং বিৱৰণ সদনৰ মেজত দিয়া হল)।

(খ) এই নিগমে এতিয়ালৈকে ২৫২১ টা বিভিন্ন আঁচনি অনুমোদনৰ বাবে ৰাষ্ট্ৰীয়ত্ত ও অন্যান্য বেংকৰ লগত যোগাযোগ কৰিছে।

(গ) ২৮ খন আঁচনি কাৰ্য্যকৰী কৰা হৈছে।

(ঘ) চৰকাৰে এতিয়ালৈকে এই নিগমক ১১ লাখ টকা মূলধনৰ অংশ হিচাবে অনুদান দিছে।

শ্ৰীজ্ঞান গগৈ ঃ—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাব নে যে, এই ২৮ খন আঁাচনিযে কাৰ্য্যকৰি কৰা হ'ল আৰু তাত ১১ লাখ টকা খৰছ হ'ল, তাৰ দ্বাৰা কিমান মানুহ উপকৃত হ'ল ?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) সেই ২৮ খন আঁাচনিৰ ভিতৰত গুৱাহাটী মহকুমাত ৭ জন আৰু ধেমাজী মহকুমাত ১০ জনক বিভিন্ন আঁাচনিৰ যোগেদি, কোৰপোৰেচনৰ যোগেদি আৰু বেঙ্কৰ সহায়ত এইবোৰ কাৰ্য্যকৰি কৰিবলৈ দিয়া হৈছে।

Shri Abdul Maqtadir Choudhury :— Sir, what are the communities that are treated as O. B. C. and whether the Mimor Community of Goalpara is treated as O. B. C. ?

Shri Romesh Mohan Kouli (Minister) :—Sir, this is a separate question as it relates to O. B. C. Corporation.

শ্ৰীফনি মেধী :—আসাম ষ্টেট ডেভেলাপমেণ্ট কোৰপোৰেচন ফৰ অ, বি, চি লিমিটেড বুলি এটা বস্তু আছে। ইয়াৰ দ্বাৰা অ, বি, চি, আৰু এম, ও, বি, চি বিলাকক কি কি সা-সুবিধা দিয়া হৈছে ?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) :—তেনেকুৱা কিছুমান আচনি আছে। বুক গ্ৰাণ্ট, এডুকেচনেল টোৰ, হাউচিং, মাইনৰ ইৰিগেচন স্কীম ইত্যাদিত সাহায্য দিয়া হৈছে।

Shri Gouri Sankar Roy :— Sir, whether any publicity has been made regarding the schemes amongst the O. B. C. so that they may be acquinted with the schemes ?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) :— ইয়াৰ প্ৰচাৰ পত্ৰ বহুত দিন আগৰে পৰা কৰা হৈছে।

শ্ৰীযোগেন গগৈ :— অধ্যক্ষ মহোদয় ও, বি, চি, ৰ টকা বহুতে খাইছে বুলি জনসাধাৰণে ভালকৈ বুজি উঠিছে। স্কুলৰতো কথাই নাই। এই বিষয়ে কিবা তদন্ত হৈছে নেকি ? যদি হৈছে ফলাফল কি মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) :— মই আগতেই কৈছো যে গুৱাহাটী আৰু ধেমাজী মহকুমাত এই আচঁনি কাৰ্য্যকৰী কৰা হৈছে। ইয়াৰ চেঁয়াৰ কেপিটেল ১১ লাখ টকা। কিন্তু তেনে ধৰণৰ কোনো অভিযোগ পোৱা নাই।

শ্ৰীৰমেশ চহৰীয়া :— মন্ত্ৰী মহোদয়ে জনাবনে যে এই ২৮ খন আচঁনিৰ কাৰণে যি ১১ লাখ টকা আছে তাৰ পৰা চেয়াৰম্যানৰ এলাউন্স আৰু বিষয়া-কৰ্ম্মচাৰীৰ দৰমহা আৰু ঘৰ ভাড়াৰ বাবদ বছৰি কিমান টকা খৰচ কৰা হৈছে ?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, এইটো হিচাব এতিয়া দাঙি ধৰিব নোৱাৰিম। লাগিলে বেলেগ প্ৰশ্ন কৰিব লাগিব।

শ্রীকুল বাহাদুৰ ছেত্ৰী ঃ—অধ্যক্ষ মহোদয়, ও, বি, চি, নামত বছৰি বহুত টকা খৰচ কৰাৰ কথা শুনি আহিছো। কিন্তু ডিব্ৰুগড়ত তেনে আচঁনি আছে নে নাই মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী)ঃ—তেনেকুৱা আচঁনি ২৫২১ টা আছে। তাবে ২৮ টা আচঁনি দুটা মহকুমাত আৰম্ভ কৰা হৈছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ—এই ক'ৰপোৰেচনৰ বোৰ্ড অৱ্ ডাইৰেক্তৰচ্ কোন কোন জনাব নে ?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী)ঃ—এই বছৰ গঠিত হোৱা বোৰ্ডৰ সদস্য সকল হৈছে ... ...

১।	শ্ৰীভদ্ৰেশ্বৰ গগৈ, এম, এল, এ	চেয়াৰম্যান।
২।	শ্ৰীজ্ঞান গগৈ . ,,	ডাইৰেক্তৰ।
৩।	শ্ৰীমাধৱ ৰাজবংশী ,,	,,
৪।	শ্ৰীনুৰুল হুদা ,,	,,
৫।	শ্ৰীদেবানন্দ বৰা ,,	,,
৬।	শ্ৰীবানেশ্বৰ শইকীয়া ,,	,,
৭।	শ্ৰীপৱন সিং ঘাটোৱাৰ,	,, চাহ মজদুৰ সংঘ।
৮।	শ্ৰীদেশৰঞ্জন নাথ, হাইলাকান্দী	,,

এই ৮ জন সদস্যক লৈবোৰ্ড অৱ ডাইৰেক্টৰচ্ গঠন কৰা হৈছে। তাৰো পৰি, শ্ৰীডি, কে ৰাভা, আই, এ, এচ, মেনেজিং ডাইৰেক্টৰ, শ্ৰীডি, কে, গঙ্গোপাধ্যায়, আই, এ, এচ, ও, বি, চি, বিভাগৰ সচিব। শ্ৰীচি, আৰ চামাদ্দাৰ, আই, এ, এচ, ও, বি, চি. বিভাগৰ সঞ্চালক।

Shri Ranendranarayan Basumatari : May I know what are the schemes drawn up by the Corporation for economic upliftment of the O. B. C. people ? What is the resource of the fund ?

Shri Romesh Mohon Kouli (Minister) : I have replied that Rs. 11 lakhs has been earmarked as share capital and through this share we are going to implement the schemes. The names of the schemes, I have already mentioned. Besides, there are other schemes weaving, stationery shop; pan-cum stationery shop etc.

শ্ৰীগিয়াচুদ্দিন আহমেদ :— মন্ত্ৰী মহোদয়ে জনাবনে যে অন্যান্য পিচপৰা সম্প্ৰদায়ৰ লোক অসমত কিমান আছে আৰু সেই অনুপাতে এই ক'ৰপোৰেচনৰ জৰিয়তে কিমান টকা খৰচ কৰা হৈছে বা কিমান টা আঁচনি লোৱা হৈছে। সেইখিনিয়েই যথেষ্ঠ হৈছে বুলি বিবেচনা কৰেনে ?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) :— এই বিষয়ে বেলেগ প্ৰশ্ন কৰিলে ভাল আছিল। ইয়াত যি টকা ব্যয় হৈছে সেই টকা তিনিটা ক'ৰপোৰেচনৰ জৰিয়তে হৈছে।

শ্ৰীপ্ৰেমধৰ বৰা :— অসমৰ পিচপৰা শ্ৰেণীৰ কল্যাণৰ কাৰণে জিলা আৰু মহকুমা ভিত্তিত শাখা-প্ৰশাখা খোলাৰ প্ৰস্তাৱ আছে নেকি ?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) :— বৰ্তমান নাই।

শ্ৰীগোলোক ৰাজবংশী :— ও, বি, চি, ৰ কাৰণে যি টকা ধৰা হৈছে তাত কেন্দ্ৰীয় চৰকাৰৰ গ্ৰাণ্ট কিমান আছে ? আৰু মেমোৰেণ্ডাম অৱ্‌ এচোচিয়েচন মতে বোৰ্ড অৱ্‌ ডাইৰেক্তৰচ্‌ কেইজন থাকিব লাগে ?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) :— বোৰ্ড অৱ ডাইৰেক্তৰচ্‌ৰ কথা আগতেই কৈছো। কেন্দ্ৰীয় চৰকাৰৰ সাহায্য বৰ্ত্তমান নাই।

শ্ৰীনৰেন্দ্ৰ নাথ দত্ত :— অধ্যক্ষ মহোদয়, অন্যান্য পিচপৰা শ্ৰেণীৰ আৰ্থিক উন্নয়ণৰ কাৰণে যিবিলাক আঁচনি গ্ৰহণ কৰা হৈছে, সেই আঁচনি সমূহ কাৰ্য্যকৰী কৰিবলৈ যাওঁতে সবল আৰু দুৰ্বল শ্ৰেণীক একাকাৰ কৰা হৈছে, নেকি ? যদি হৈছে, সবল শ্ৰেণীক বাদ দি দুৰ্বল শ্ৰেণীৰ বিষয়ে চিন্তা কৰিব নে ?

শ্ৰীৰমেশ মোহন কুলি ঃ— এই ব্যৱধান কৰিবলৈকে আচঁনি কৰা হৈছে কিন্তু আচঁনি ফলৱতী হোৱা নাই।

শ্ৰীদিলেশ্বৰ তাঁতী ঃ— মাননীয় মন্ত্ৰী মহোদয়ে জনাব নে যিবিলাক চাহ মজদুৰ কিছুদিন আগলৈকে ও, বি, চি, আছিল তেওঁলোকক এতিয়া এম, ও, বি, চি, কৰা হৈছে। তাৰ ফলত তেওঁলোকক কিবা বিশেষ সুবিধা দিয়াৰ ব্যৱস্থা কৰিছে নেকি? যদি কৰা নাই তেনেহলে চাহ মজদুৰৰ অনুসূচীত জনজাতীয় যিটো দাবী সেইটো তল পেলোৱাৰ বুদ্ধি কৰিছে নেকি?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) ঃ— তল পেলোৱাৰ ব্যৱস্থা কৰা নাই। বৰ্ত্তমান ও, বি, চি, আৰু এম, ও, বি, চি, ৰ আৰ্থিক উন্নয়ণৰ বাবে এই কৰপোৰেচন কৰা হৈছে।

শ্ৰীযোগেন গগৈ ঃ— চৰকাৰৰ ৰেলকেয়াৰ অৱ ও, বি, চি, আৰু অল আসাম ও, বি, চি, ৰ মাজত কিবা সম্পৰ্ক আছে নেকি? মই জনাত অল আসাম ও, বি, চি, কংগ্ৰেছৰ অনুষ্ঠান। দুয়োটাৰ কামো একে। গতিকে এই অনুষ্ঠান দুটা কেনেকৈ আৰু কোনে চলাইছে?

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) ঃ— বৰ্ত্তমান প্ৰশ্নটোৰ লগত জৰিত নহয় বাবে উত্তৰ দিব নোৱাৰিম।

Re: A wooden bridge on the Nowgong–Juria-Balikatia-Kaudhulimari P. W. D. Road

Shri Baliram Das asked :

*425. Will the Minister, P. W. D. be pleased to state—

(a) Whether it is a fact that a wooden bridge on the P. W. D. road from Nowgong to Juria-Balikatia-Kaudhulimari has been damaged and loaded truck met with an accident due to rotten beam which was repaired in the month of March, 1978?

(b) If so, who was the contractor?

Shri Dulal Chandra Baruah (Minister, P.W.D.) replied :

425. (a)—An accident occured over Bridge 10/1 on Nowgong Juria-Bali katia Road on 20th May, 1978 due to an over loaded truck which damaged a wooden beam of the bridge. The beam in question was not rep'aced in March, 1978 only repairs to the superstructure of the bridge was carried out in February, 1978.

To avoid such accidents on account of over loaded vehicles, the Department has since replaced the wooden long beams by R. S. Joists.

(b)—The name of the contractor who did the repair work is "M/S. Youth Educated Association".

শ্ৰীবালিৰাম দাস :— এই যে দলংখন ভাঙিছে এইখন পুনৰ নিৰ্ম্মাণ কৰা হ'ল নে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— হয়, হ'ল।

শ্ৰীবালিৰাম দাস :— কিমান টকাত নিৰ্ম্মাণ কৰা হ'ল ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— টকাৰ বিল এতিয়াও সম্পূৰ্ণ হোৱা নাই।

শ্ৰীবালিৰাম দাস :— যি জন ঠিকাদাৰক এই কামটো কৰিবলৈ দিয়া হৈছিল সেই ঠিকাদাৰজন ভূতপূৰ্ব মন্ত্ৰীৰ আঙহী বঙহী- হয় নে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এই সম্পৰ্কত নাজানো।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— দলংখন সম্পূৰ্ণ হোৱাৰ পিচত ঠিকাদাৰ জনৰ আৰনেষ্ট মানি যি জমা থাকে সেইটো ঘুৰাই দিয়া হৈছে নেকি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— সেইখন দলং ৰিপেয়াৰহে কৰা হৈছে আৰু এই সংক্ৰান্তত দিপাৰ্টমেণ্টৰ পৰা যি ব্যৱস্থা কৰিব লাগে সেই খিনি কৰা হৈছে। ঠিকাদাৰ জনক এই দলং ৰিপেয়াৰ কৰাৰ কামৰ কাৰণে দোষ দিব নোৱাৰি কাৰণ

এই দলংখনে যিমান পৰিমাণৰ ওজন বহন কৰিব পাৰে অৰ্থাৎ সেই দলংখন ৬ টন ওজন বহন কৰিব পৰাকৈ সজা হৈছিল কিন্তু যিখন গাড়ী সেই দলঙৰ ওপৰেদি গৈছিল সেইখন ১৫ টন ওজনতকৈ বেচি, সেইকাৰণে ওজন বহন কৰিব নোৱাৰাই দলংখনৰ বীম ভাঙি গৈছিল ফলত দলংখন দেমেজ হ'ল।

Shri Giasuddin Ahmed : Mr. Speaker Sir, whether the hon' ble Minister agrees that the rotten beam was the cause of this accident ?

Shri Dulal Chandra Barua, (Minister) : That could not be ascertained from the report which we have received.

Shri Giasuddin Ahmed : Who was the officer who certified the completion of the bridge ?

Snri Dulal Chandra Barua, (Minister): The Executive Engineer.

Shri Giasuddin Ahmed : Whether any action has been taken against the certifying officer ?

Shri Dulal Chandra Barua, (Minister): The enquiry is in process.

Re : Persons below poverty line

Shri Kiron Chandra Bezbaruah asked :

*426. Will the Chief Minister be pleased to state—

(a) The total number of persons in the State Officially estimated to be below the poverty line ?

(b) What is the basis of this estimate ?

(c) If the estimate is based on Sample Survey, whether the sample was considered adequate for the purpose of such estimate ?

(d) What was the total number of families covered in the State out of an estimated 32 lakhs families in Assam ?

(e) What is the criterion of defining poverty ;

Shri Golap Borbora (Chief Minister) replied :

426. (a)—The latest estimate of the persons below poverty line is available in the draft Fifth Plan of Assam. This places the figure at 112-65 lakhs.

(b)—The estimate is based on—

(i) minimum consumption expenditure of Rs. 40 accepted for All India estimates at that time.

(ii) twenty percent higher consumer price level in Assam, and

(iii) results of National Sample Survey 25th round (1970-71) :

Consumption expenditure survey results for distribution of population by monthly per capita consumption expenditure.

(c) The sample size was considered adequate.

(d) The sample size was 2033 rural and 605 urban house holds spread over 360 villages and 144 urdan blocks.

(e) The Planning Commission has taken minimum level of consumption for defining poverty.

Shri Kiron Chandra Bezbaruah : Mr. Speaker Sir, may I know whether the Chief Minister is aware of the statement given by the Prime Minister in the Lok Sabha which is published in Assam Tribune,dt. 31st March that the rural population are living below the poverty line in the country, which is the lowest in Assam.

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ;— প্ৰধান মন্ত্ৰীয়ে লোকসভাত দিয়া উত্তৰটো আমাৰ দৃষ্টি গোচৰ হৈছে।

Shri Kiron Chandra Bezbaruah : Sir, is it a fact that the Statement has been made on the basis of a wrong figure given by the State Government ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— এইটো বেলেগ বেলেগ বিষয়ত দৃষ্টি আকৰ্ষণ হব পাৰে। নেশ্যনেল চেম্পোল চাৰ্ভেৰ ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰি এই হিচাবটো বাহিৰ কৰা হয়। অসমৰ ষ্টেটিচটিকেল দিপাৰ্টমেণ্টে যিবিলাক চাৰভে কৰিছে তাৰ পৰাও লোৱা হৈছে আৰু ড্ৰাফ্ট ফাইভ ইয়াৰ প্লেনৰ ব্যাখ্যাৰ পৰাও লোৱা হৈছে। তাৰোপৰি প্ৰোফেচাৰ দণ্ডকাৰৰ চাৰ্ভেৰ ৰিপোৰ্টতো আছে, প্ৰধান মন্ত্ৰীৰ উত্তৰৰ পৰাও এই বিষয়ে কোৱা হৈছে। এই বিভিন্ন চাৰভে ৰিপোৰ্ট বিলাকৰ মাজত কোনো কোনো ক্ষেত্ৰত বহু খিনি মিল আৰু অমিল দেখা যায়।

শ্ৰীকিৰণ বেজবৰুৱা :— মুখ্যমন্ত্ৰী মহোদয়ে বিশ্বাস কৰে নেকি যে অসমৰ যিটো পোভাৰটি লাইন সেইটো ভাৰতবৰ্ষৰ ভিতৰতে আটাইতকৈ লোয়েষ্ট ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— সেইটো আমি বিশ্বাস কৰিবলৈ টান পাইছো সেই বিষয়ে পৰীক্ষা নীৰিক্ষা চলি আছে। আমাৰ হাতত এনে ফিগাৰো আছে যাৰ দ্বাৰা প্ৰমাণ হয় অসমৰ পোভাৰটি লাইন ভাৰতবৰ্ষৰ ভিতৰত লোয়েষ্ট নহয়।

শ্ৰীনূৰুল হুদা :—১৯৫৫-৫৬ ইংরাজীতে এবং এই রাজ্যে দারিদ্র সীমারেখার নীচে কত পার্সেণ্ট লোক ছিল, মুখ্যমন্ত্রী মহাশয় একথা আমাদের জানাতে পারবেন কি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :—১৯৬৪/৬৫ ৰ ফিগাৰ আমাৰ হাতত আছে, তাত ৰেকোৰ্ডত দেখা যায় ১৮.৩০ পাৰ্চেণ্ট তাৰ পাচত ৪৮.৫ পাৰ্চেণ্ট।

শ্ৰীনূৰুল হুদা :—নাঃ, স্যার; আমার প্রশ্নের উত্তর শেষ হয়নি। ১৯৫৫-৫৬ ইংরাজীতে এবং ৬৫-৬৬ ইংরাজীতে কত পার্সেণ্ট লোক দারিদ্র সীমার নীচে ছিল, একথা আমি জিজ্ঞাসা করেছিলাম। যদি তথ্যপাতি থাকে, তবে মুখ্যমন্ত্রী মহোদয় জানাবেন কি ?

(উত্তৰ নাই)

শ্ৰীকিৰণ বেজবৰুৱা :— এই ফিগাৰ কেইটা মুখ্য মন্ত্ৰী মহোদয়ে প্ৰধান মন্ত্ৰীৰ ফিগাৰৰ পৰা দিছে নেকি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— এই বিষয়ত অন্যান্য দিশত চাৰভে ইত্যাদি কৰা হৈছিল আমাৰ ষ্টেটিকচ দিপাৰ্টমেণ্ট আৰু নেশ্যনেল চেম্পোল চাৰভে ইত্যাদিৰ ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰি এই ফিগাৰ বিলাক দিয়া হৈছে।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— ইয়াৰ পিচৰ প্ৰশ্ন খগেন বৰবৰুৱা দেৱৰ প্ৰশ্নটো ইয়াৰ লগতে একেলগে ললে সুবিধা হব নেকি, কাৰণ দুয়োটাই প্ৰশ্ন একে ধৰণৰ।

Shri Md Umaruddin : Sir, the Chief Minister just in his reply specifically stated the percentage. Now he has stated on the basis of consumption determined for the purpose of assessement of the poverty line in the sense that the percentage has gone up from 40 to 48. that has been during 1971, before this figure was published. I want to know whether this fact has been brought to the notice of the Prime Minister who has made the statement concerning the existing figures ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— সেইটো প্ৰধান মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰা হৈছে।

শ্ৰীকিৰণ বেজবৰুৱা :— প্ৰোফেচাৰ দণ্ডকাৰৰ ৰিপোৰ্টমতে ৰুৰাল এৰিয়াত শতকৰা ২৭. ভাগ, এতিয়া অসম চৰকাৰ আৰু নেশ্যনেল চেম্পোল চাৰভেৰ ১৯৬৪।৬৫ ত কিমান আছিল ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ— ১৯৭০।৭১ চনৰ ৰিপোৰ্টমতে ৪০ টকা আৰু অসমত বয়-বস্তুৰ দাম বৃদ্ধি হোৱাৰ কাৰণে ইয়াত ৪৮ টকা ধৰা হৈছে, তাত পোভাৰটি লাইন আৰবান এৰিয়াত ৪৮'১৪ আৰু ৰুৰাল এৰিয়াত ৭৫'৩৮ আৰু অভাৰঅল ৭৫ ধৰা হৈছে।

শ্ৰীকিৰণ বেজবৰুৱা ঃ— অধ্যক্ষ মহোদয়, প্ৰধান মন্ত্ৰীয়ে যিটো ষ্টেটমেণ্ট দিছিলে— সেইটোৱে যদি ইয়াত থাকি যায়– তেতিয়াহলে প্লেন পাৰ্পাচ আৰু অন্যান্য ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে আমাক পইচা দিয়াত দিগদাৰী নিদিবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ— দৰিদ্ৰ সীমাৰেখাৰ তলত থকা মানুহৰ সংখ্যা বেছি বুলি যদি প্ৰধানমন্ত্ৰীৰ বক্তৃতাত ওলাইছে–তেতিয়াহলে টকা-পইচা পোৱাৰ ক্ষেত্ৰত বেছি সুবিধাহে হব।

Shri Giasuddin Ahmed : Sir, the Prime Minister's statement in the Parliament has far reaching implications. So, may I know whether State Government will take necessary steps for correction of this statement of the Prime Minister.

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ—সেইটোৰ বিষয়ে ব্যৱস্থা লোৱা হৈছে আৰু যি-হেতু প্ৰধানমন্ত্ৰীৰ বক্তৃতাত বেছি ওলাইছে—তেনেস্থলত আমাৰ ৰিপৰ্টটো তেনেকৈ আপ-টু-ডেট কৰাত কিবা ত্ৰুটি আছেনেকি— সেইটো চোৱাৰ ব্যৱস্থা কৰা হৈছে।

Re : Poverty line

Shri Khogen Barbarua asked :

*427. Will the Minister, Finance be pleased to state—

(a) The number of people of Assam in percentage, under proverty line ?

(b) The per capita income of these people ?

(c) The steps taken by Government to improve their lot ?

Shri Keshab Chandra Gogoi (Minister, Finance) replied :

427. (a)– 40.14% in urban areas and 77.38% in rural areas

(the overall percentage being 75%) according to estimates of 1970-71.

(b) The per capita consumption expenditure below Rs. 48·00 per mensum is the poverty line in Assam as was estimated 1970-71 and as such the per capita income of these people may be presumed to be below Rs. 48.00 per mensum.

(c) A statement showing the steps taken by the Government to improve the lot of the poor is placed on the Table of the House

Shri Khagen Barbaruah —Sir, on what basis, this proverty line is fixed ?

Shri Keshab Chandra Gogoi (Minister)—Sir, in the Planning Commission's Approach document, Rs. 40/- has been estimated as the minimum required consumption per mensum to ensure living standards above the poverty level.

Shri Noorul Huda— Sir, May I know from the hon. Minister as to the percentage of the people below the poverty line in Assam for the years 1955-56 and 1965-66 ?

Shri Keshab Chandra Gogoi (Minister)—Sir, the actual figures are not available with me. But from the Prime Minister's reply in the Parliament, it appears that in 1964-65, the Prime Minister took the per capita consumption as Rs, 20/- for rural and Rs. 30/- for urban areas.

Shri Noorul Huda—Sir, I wanted to know as to the figures of people living below the poverty line, percentage-wise in the years, 1955-56 and 1965-66.

Shri keshab Chandra Gogoi (Minister)— Sir, this has not been worked out for Assam.

Shri Kiron Chandra Bezbarua—Sir, in reply to my question No. 426 (b), the hon. Minister has stated that the minimum consumption expenditure is Rs. 40/- during 1970-71. Is it the correct position ? Basing the per capita expendi ure at Rs. 20/- for rural areas and Rs. 30/- for urban areas in 1964-65, most of the people in Assam will be under the poverty line ?

Shri Keshab Chandra Gogoi (Minister)—Yes.

Shri Md. Umaruddin :— Sir, the hon. Minister has said that the price index fo. the consumption has been based on a survey during 1970 71. Thereafter, there has been further rise in price index. Therefore, these figures do not give the present actual economic position of the people of Assam. So, will good in take some steps in this regard on the basis of the existing price index ?

Shri Keshab Chandra Gogoi (Minister) :— Sir. it has already been taken up. The actual figures are not available with me.

Shri Altaf Hossain Mazumder :— Sir, the statement that was made on the floor of the Parliament by the Prime Minister, there, it has been categorically stated that the percentage is 33.41. But the figures that have been given by the Chief Minister that must have been given from volume-III of the outline of fifth 5-year plan. According to that figure compiled in the year 1971 and upto June, 73, the average comes to 73.67 per cent. So does the Chief Minister consider it necessary to get the figure corrected and take it up with the Prime Minister and point out that it is not the correct position ; secondly, does the Chief Minister consider that figure relevant to today's position i. e. 1978 price line ; thirdly, is the price level not higher in Assam, i. e., more than 30%. ?

Shri Keshab Chandra Gogoi (Minister)—Sir, the Chief Minister has replied that the matter has been brought to the notice of the Prime Minister and we have also brought it to the notice of the 7th Finance Commission. In the meantime, we have already taken Assam's price rise at 20% above All India prices.

Shri Giasuddin Ahmed— Sir, whether it is a fact that one of the causes of the wretched condition is the large scale unemployment amongst the people ; if so, whether the Govt. will give unemployment allowances to the unemployed people of the State. whether registered or not ?

Shri Keshab Chandra Gogoi (Minister)— There are other causes, The causes for the high rate of poverty in Assam are many—one is the high rate of population growth, flood, unemployment, irrigation and power failures and there are other factors. These are some of the causes; but there are other factors also. We are examining the whole question and the Government will take appropriate action in due time.

Shri Kiron Chandra Bezbaruah :— Sir, why the Chief Minister and the Finance Minister decline to say that this Statistical department is a lost department, and trying to defend this department ? This is a dead department for the last so many years and they have been doing nothing and for this reason confusion has been created in India, where it is said that the Assam is the lowest in respect of people living below the poverty line. Are we the richest people in India ?

Shri Keshab Chandra Gogoi (Minister)—Sir, I have already replied to it. We are considering the whole question, and appropriate action will be taken in time.

Shri Giasuddin Ahmed—Sir, I do not bother about these statistics because I Know that this is the jugglery of figures. I want to know whether unemployment allowance will be given to the unemployed people of the State to help them from this giganti: problem ?

Shri Kesbab Chandra Gogoi (Minister)— Sir, I have already replied to this question.

শ্ৰীহেমেন দাস :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে অসমত দৰিদ্ৰতাৰ সংখ্যা বৃদ্ধি হোৱাৰ প্ৰধান কাৰণ কি ?

কেশৱ চন্দ্ৰ গগৈ (বিত্তমন্ত্ৰী) :— মূলত হাই ৰেট ইত্যাদি ।

শ্ৰীহেমেন দাস :—প্ৰধান কাৰণ কি ? সামন্তবাদী শোষণ চলোৱাৰ ফলত জমিদাৰ সুদখোৰ মহাজনৰ শোষণ প্ৰধান কাৰণৰ ভিতৰত নপৰেনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (বিত্তমন্ত্ৰী) :—এইটোও এটা কাৰণ। মই প্ৰধান কেইটা কৈছো।

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :- অধ্যক্ষ মহোদয়, এই প্ৰশ্নৰ সংক্ৰান্তত মোৰ অলপ কবলগীয়া আছে। ১৯৬৪-৬৫ চনৰ ফিগাৰ দিয়া হৈছে আৰু ১৯৭১-৭২ চনৰ ফিগাৰ দিয়া হৈছে কিন্তু ভাৰতবৰ্ষত অসমৰ বাহিৰে আন ৰাজ্যত এতিয়ালৈকে পোৱা হোৱা নাই। এইটো আমাৰ খবৰ। দ্বিতীয় কথা প্ৰধান মন্ত্ৰীৰ উত্তৰ আৰু তাৰ লগতে এনেক্সাৰ লোকসভাৰ মজিয়াত দাখিল কৰা হৈছিল সেই মতে ১৯৬৪-৬৫ চনৰ ফিগাৰৰ ওপৰত আগতে পঢ়ি শুনুৱা হৈছিল আৰু সেই মতে অসম আটাইতকৈ তলত নহয়। আনহাতে অসম ট্ৰিবিউনৰ দিল্লীৰ বিশেষ প্ৰতিনিধিয়ে যিটো সংবাদ উলিয়াইছে সেইটোৰ ওপৰত মাননীয় সদস শ্ৰীকিৰণ বেজবৰুৱা ডাঙৰীয়াই তুলিছে। লোক সভাত প্ৰধান-মন্ত্ৰীয়ে দিয়া উত্তৰ আৰু তাৰ লগতে দৰিদ্ৰতাৰ সম্বন্ধে ষ্টেটওৱাইজ ফিগাৰৰ এনেক্সাৰ আৰু ট্ৰিবিউন কাকতৰ ৰিপোৰ্টৰ কপি সকলো বিলাক সদনৰ মজিয়াত দাখিল কৰিব খুজিছো। মাননীয় সদস্য সকলে এইটো চাব খুজিলে চাব পাৰিব।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— এইটোৰ ওপৰত মন্ত্ৰী মহোদয়ে এটা বিতং বিবৃতি দিব লাগে।

বিঃ সমবায়ৰ জৰিয়তে খাদ্য-বস্তু আদিৰ যোগান

শ্ৰীনৰেন্দ্ৰ নাথ দত্তই সুধিছে ঃ

*৪২৮। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) সমবায়ৰ জৰিয়তে খাদ্য-বস্তু আৰু অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰী যোগান ধৰাৰ যি প্ৰতিশ্ৰুতি চৰকাৰে দিছিল সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰা হৈছেনে ?

(খ যদি হোৱা নাই, কিয় হোৱা নাই ?

(গ) বহুমুখী সমবায় সমিতি সমূহৰ বেছি ভাগৰে মূলধন কমি গৈ গৈ প্ৰায় নিঃশেষ হোৱা অৱস্থালৈ অহা অৱস্থাৰ উমান চৰকাৰে পায়নে ?

(ঘ) যদি পাইছে, এই অৱস্থা ৰোধ কৰাৰ বিষয়ে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীসোনেশ্বৰ বৰা (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪২৮। (ক)- চৰকাৰে জনা মতে হয়।

(খ)—প্ৰশ্ন নুঠে।

(গ)—কিছু সংখ্যক বহুমুখী সমবায় সমিতিৰ মূলধন হ্ৰাস হোৱাৰ বিষয়ে চৰকাৰ অৱগত।

(ঘ)—এই সকলো বিলাক বিষয় তন্নতন্নকৈ অনুসন্ধান কৰি গোটেই সমবায় গাঁথনি আৰু বিভাগৰ পুনৰ গঠনৰ কাৰণে কি ব্যৱস্থা লোৱা প্ৰয়োজন সেই বিষয়ে অনুমোদন জনাবলৈ এখন উচ্চ পৰ্য্যায়ৰ কমিটি গঠন কৰাৰ বিষয়ে বিবেচনা কৰি থকা হৈছে।

শ্ৰীনৰেন্দ্ৰ নাথ দত্ত —বেছিভাগ সমবায় সমিতিৰ জৰিয়তে কেৱল মাহেকত তুশ পঞ্চাশ গ্ৰাম চেনী আৰু আংশিক ভাৱে দুই এখন কাপোৰৰ বাহিৰে অন্য একো যোগান ধৰা নাই এই কথাটো মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰেনে ?

শ্ৰীসোনেশ্বৰ বৰা (সমবায় মন্ত্ৰী) : - এইটো কথা মই স্বীকাৰ কৰো আৰু নকৰোও। কিয়নো সকলো ক্ষেত্ৰত একেটা কথা প্ৰয়োজ্য নহয়। কিছুমানে অলপ ভালকৈ যোগান ধৰিছে। অৱশ্যে মাননীয় সদস্য গৰাকীয়েও সকলোৰে ধৰা নাই বুলি নকৈ বেছিৰ ভাগ বুলি কৈছে। কিছুমানে যে ধৰা নাই সেইটো কথা ঠিক।

শ্ৰীনৰেন্দ্ৰ নাথ দত্ত ঃ—অসমত কিমান বহুমুখী সমবায় সমিতিয়ে কাম কৰি আছে আৰু কিমান বহুমুখী সমবায় সমিতি এনে ধৰণে গৰীব ৰাইজৰ এবাৰ টকীয়া অংশৰে সৃষ্টি হৈছিল অথচ নিঃশেষ হ'বলগীয়া হৈছে ?

শ্ৰীসোনেশ্বৰ বৰা (সমবায় মন্ত্ৰী) ঃ—প্ৰকৃত সংখ্যাটো কব নোৱাৰিম। উলিয়াবলৈ চেষ্টা কৰি থকা হৈছে। তথাপিতো যিটো চেহেৰা দেখা গৈছে এইটোৰ পৰা সৰহভাগেই দুৰ্গত হৈছে বুলি অনুমান হৈছে।

শ্ৰীফণী মেধী ঃ—মাননীয় মন্ত্ৰী মহোদয়ে সমবায় বিভাগৰ তদন্ত কাৰণে উচ্চ পৰ্য্যায়ৰ কমিটি কৰি দিয়াৰ কথা কৈছে কিন্তু এই উচ্চ পৰ্য্যায়ৰ কমিটিৰ ৰিপোৰ্টৰ দ্বাৰা চৰকাৰে লিকুইডেশ্যনত যাবলগীয়া হোৱা ৬৬৩ খন সমবায় সমিতিক উদ্ধাৰ কৰিব পাৰিব বুলি বিশ্বাস কৰে নে ?

শ্ৰীসোনেশ্বৰ বৰা (সমবায় মন্ত্ৰী) ঃ—এই কমিটি গঠন কৰাৰ উদ্দেশ্য হৈছে সমবায় গাঠনিত পৰামৰ্শ দিব লাগে। অকল ৬৬৩ খন নহয় ন হাজাৰ ন শ সাতাশী খন অন্যান্য সমবায় সমিতি আছে। আগৰ বিবৃতিত কৈছিলো। গতিকে এই গোটেই সমবায় বিভাগটো পুনৰ গঠন কৰিবলৈ পৰামৰ্শৰ কাৰণে কমিটি কৰিব খোজা হৈছে। যিবিলাক সমবায় সমিতিয়ে লোকচান কৰিছে, টকা আত্মসাৎ কৰিছে বা খেলিমেলি হৈছে সেইবিলাক চৰকাৰে ঠিক কৰিবলৈ বা আদালত পৰ্য্যায়ৰ কমিটি কৰিবলৈও সদনৰ আগত সিদিনা উত্তৰত কৈছিলো। সদস্য সকলে যদি মানি লয় মই এতিয়াও সেইটোত অচল-অটল।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ—দুশ পঞ্চাশ গ্ৰাম চেনী বিতৰণৰ ব্যৱস্থাত দুশ গ্ৰাম বিষয়ববীয়া সকলৰ কাৰণে ৰাখি গ্ৰাহকক নিদিয়া কথাটো সঁচা নে ?

শ্ৰীসোনেশ্বৰ বৰা (সমবায় মন্ত্ৰী) ঃ—চৰকাৰে তেনে কথা নাজানে। কিন্তু কিছুমান ঠাইত যে দুৰ্নীতি হৈছে সেইটো শুনা গৈছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ—অডিট ৰিপোৰ্ট পোৱাৰ পিচতো আৰু সেই সমিতিৰ বিষয়াৰ ওপৰত গুৰুতৰ অভিযোগ থকা সত্বেও সমবায় বিভাগে একো ব্যৱস্থা নোলোৱাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীসোনেশ্বৰ বৰা (সমবায় মন্ত্ৰী) ঃ—এতিয়ালৈকে জনামতে ৫৫৭ খন সমিতিৰ অডিট কৰা হৈছে। ইয়াৰ ভিতৰত আসোঁৱাহ পোৱা ১৮ জন সম্পাদকক নিলম্বিত কৰা হৈছে আৰু ১৩৬ জনৰ ওপৰত চালিচি ব্যৱস্থা লোৱা হৈছে।

শ্ৰীপ্ৰেমধৰ বৰা ঃ—এই দুখীয়া ৰাইজৰ এঘাৰ টকীয়া অংশেৰে গঠিত হোৱা বেছিভাগ সমবায় সমিতিয়ে ভাল ধৰণে কামকাজ নকৰাৰ কাৰণে সম্পাদকক দৰমহা দিয়াতেই শেষ হয় এই কথা বিবেচনা কৰি সমবায় সমিতি বিলাক কাৰ্য্যক্ষম আৰু ৰাইজৰ নিৰ্ভৰযোগ্য কৰাৰ বাবে চৰকাৰে কি দৃষ্টিভঙ্গী আগত ৰাখিছে ?

শ্ৰীসোনেশ্বৰ বৰা (সমবায় মন্ত্ৰী) ঃ—এইটো দৃষ্টিভঙ্গী নিশ্চয় ৰখা হৈছে। নিকা আৰু দক্ষ যাতে কৰিব পৰা হয় তাৰ কাৰণে মাননীয় সদস্যসকলৰ আৰু অভিজ্ঞ লোকৰ দ্বাৰা কমিটি কৰি পৰামৰ্শ দিয়াৰ কাৰণে ব্যৱস্থা কৰিয়ে এই কমিটি কৰিবলৈ চিন্তা কৰা হৈছে।

shri Gouri Sankar Roy :—Sir, is it a fact that most of the cooperatives start with non-cooperation among the people ?

শ্ৰীসোনেশ্বৰ বৰা (সমবায় মন্ত্ৰী)ঃ—কোঅপাৰেটিভত অসহযোগ কৰা বহুত মানুহ আছে এইটো সঁচা কথা।

শ্ৰীশুল বৰা ঃ—ৰাজ্যৰ সমবায় বিলাকৰ যিবিলাক মানুহে দুৰ্নীতি আৰু টকা আত্মসাৎ কৰিছিল সেই বিলাক লোকক কঠোৰ শাস্তি দিয়াৰ কাৰণে এই বিভাগৰ মন্ত্ৰী মহোদয় দৃঢ় প্ৰতিজ্ঞ হয়নে নহয় এইটো কথা জনাবনে ?

শ্ৰীসোনেশ্বৰ বৰা (সমবায় মন্ত্ৰী) ঃ—দুৰ্নীতি কৰা মানুহৰ কোনো জনৰ প্ৰতি মোৰ দৰদ নাই। কিন্তু আইন আৰু ব্যৱস্থা সেইমতে কৰিব পাৰিলে তেনে ব্যৱস্থা নিশ্চয় লব পৰা হব।

Mr. speaker :—Now, the question hour is over.

Undisposed starred questions dated 29.6.78

বিঃ ঠুকুবিল সত্ৰৰ ওচৰৰ ঠওকল নদীৰ দলং

শ্ৰীসত্য তাঁতীয়ে সুধিছে ঃ

* ৪২৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) সোনাৰী সমষ্টিৰ ঠুকুবিল সত্ৰৰ ওচৰত ঠওকল নদীৰ ওপৰত চৰকাৰে দলং দিয়াৰ কোনো ব্যৱস্থা হাতত লৈছে নেকি ?

(ক) যদি লৈছে, এই বছৰৰ ভিতৰতে উক্ত নদীৰ ওপৰত দলং হোৱাৰ সম্ভাৱনা আছে নেকি ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৪২৯। (ক) আৰু (খ)—এই দলংখন দিব লগীয়া পথটো সোনাৰী সমষ্টিৰ লব-লগীয়া এম, এন, পি'ৰ অন্তৰ্ভূক্ত। গতিকে মাননীয় সদস্যৰ বাচনি সাপেক্ষে চলিত বছৰৰ এম, এন, পি, আঁচনিৰ সমষ্টি অনুযায়ী ধাৰ্য্য কৰা টকাৰ ভিতৰত চাব-ডিভিজনেল ৰ'ড ব'ৰ্ডে অনুমোদন দিলে এই আঁচনি লব পৰা হব।

Re : Kaithalkuchi—Barama—Subankhata P.W.D. Road

Shri Baikuntha Nath Das, asked :

*430. Will the Minister, P.W.D. be pleased to state—

(a) Whether Government is aware that Kaithalkuchi, Barama and Subankhata (K. B. S.) P.W.D. Road becomes unfit for movement of carts and other light vehicles for want of a bridge near Dhakainiya village where there is a breach ?

(b) If so, whether Government will construct atleast temporary bridge on the breach near Dhakainiya village so that the cart and other light vehicles may pass by ?

Shri Dulal Chandra Baruah (Minister, P.W.D.) replied :

430. (a)—Due to the breach at 7th Km. near Dhakainiya village, caused by a diverted course of Mora Pagladia, the portion from 6th to 9th Km. of the road has become unfit for vehicular traffic.

(b)—For pedestrian traffic, a bamboo foot bridge has already been provided. Construction of a temporary bridge over the breach can be considered only after observing the stability of the structure subject to availability of funds.

Re : **Sanitary Inspector**

Shri Abdul Kiyum Choudhury asked :

*431. Will the Minister, Health be pleased to state—

The length of service rendered by Shri Khirod Ch. Nath, Sanitary Inspector in different capacities under the Subdivisional Health Officer, Karimganj ?

Dr. Kosheswer Bora (Minister of State, Health) replied :

431.—Shri Khirod Ch. Nath joined on 31st July, 1950 as Health Assistant. He worked as such upto 13th November 1958. From 14th November, 1958 to 28th February, 1975 he worked as Rural Health Inspector. From 1st March, 1975 he has been working as Sanitary Inspector. He has all along been at Karimganj.

Re : X-Ray Films

Shri Altaf Hossain Mazumder asked :

*432. Will the Minister, Health be pleased to state—

(a) Whether Government is aware that X-Rav films are necessary for proper treatment in Medical College Hospitals of the State ?

(b) If so, whether Government is aware that for over last three months there is no X-Ray film in Silchar Medical College Hospital ?

(c) If so, the steps Government proposes to take for ensuring regular supply of X-Ray films to the Medical College Hospital in the State ?

Shri Dulal Chandra Baruah (Minister of Parliamentary Affairs) replied :

432. (a)—Yes.

(b)—Yes, the Principal of the Silchar Medical College reported to the Director of Health Services on 3rd April, 1978 that there was no X-Ray films in the Hospital.

(c)—Instructions have been issued to all Indenting Officers including the Principal, Silchar Medical College to keep at least to months stock of their requirements in hand and place indent for fresh supply in time so that X-Ray films are available all the time even when supply is a bit delayed due to this and that reason by the Distributing firm.

বি ঃ প্ৰাইমেৰি স্কুল নথকা গাওঁ

শ্ৰীআব্দুল কাছেমে সুধিছে ঃ

*৪৩৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) প্ৰাইমেৰী স্কুল নথকা কিমানখন গাঁও অসমত আছে ?

(খ) মৰিগাওঁ মহকুমাত বৰ্ত্তমানলৈকে কিমান প্ৰাইমেৰী স্কুল ভেনচাৰ অৱস্থাত আছে ?

(গ) যি বিলাক স্কুল ১৯৭৫ চনৰ ৫ চেপ্তেম্বৰৰ আগতে স্থাপিত হৈছে সেই স্কুল বিলাক বৰ্ত্তমান বিত্তীয় বছৰত চৰকাৰে লবনে ?

(ঘ) যদি লোৱা হয়, তেন্তে এই ধৰণৰ স্কুলৰ সংখ্যা অসমত কিমান হব ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৩৩। (ক) অসমৰ ভৈয়াম অঞ্চলত স্কুল নথকা ২৩৮২ খন গাওঁ আছে।

(খ) ৭৬ খন।

(গ) সেইটো পুজিঁৰ ওপৰত বহুতখিনি নিৰ্ভৰ কৰে।

(ঘ) প্ৰশ্ন নুঠে।

Re : **Wholesale trade permit**

Shri Noorul Huda asked :

*434. Will the Minister, Supply be pleased to state—

(a) Whether it is a fact that permit for wholesale Trade has been issued in favour of allegedly discredited and black listed Agency by the name of M/s Malchand Motilal and Company ?

(b) If so, whether the permit is meant for dealing in Dal, Salt and Cement etc. ?

(c) Whether the Government would re-examine the whole issue and take suitable remedial steps as soon as possible ?

Shri Dulal Chandra Baruah (Minister. Supply) replied :

434. (a)—No such permit was issued by Government in the name of M/s Malchand Motilal and Company. But one M/s Mahalchand Motilal Kothari, Fency Bazar, Gauhati was given certain licenses on certain commodities by the D. C. Kamrup.

(b)—The licenses were issued separately. The validity of the license for pulses and edible oil seeds issued in favour of M/s Mahalchand Motilal Kothari exists upto 31st December 1978. The firm was allowed agencyship of importing Salt with other parties for the year 1978. But the agencyship of all the salt nominees including this firm have been withdrawn recently and the agencyship has been given to STATFED for importing the entire quantity of salt for the period from June to December 1978. The license issued by the Director of Consumers Goods in 1972 for Cement in favour of this firm under the Assam Cement Dealers Licensing Order 1972, was valid only upto 1973 and thereafter it has not been renewed.

(c)—Does not arise.

Re : Arrest of an Assistant Employment Officer of Sibsagar District Employment Exchange

Shri Promode Gogoi asked :

*435. Will the Minister Labour be pleased to state—

(a) Whether it is a fact that an Assistant Employment Officer of the Sibsagar District Employment Exchange has been arrested for accepting bribe ?

(b) If so, whether it is a fact that similar allegations of the corruption were brought to the notice of the Government prior to this case ?

(c) If so, what action have been taken by the Government to check such cases ?

Shri Golap Borbora (Chief Minister) replied :

435. (a)—Yes.

(b)—No, no allegations were brought to the notice of the Government prior to this case.

(c)—Appropriate action will be taken if any such case comes to the notice of Government.

Re : Land acquired for Sukla Irrigation Project

Shri Purna Boro asked :

*436. Will the Minister, Revenue be pleased to state—

(a) Whether it is a fact that lands were acquired for Sukla Irrigation Project in the year, 1972 ?

(b) If so, whether it is also a fact that some of the land owners have not yet been given compensation ?

(c) If so, whether Government is aware of the fact that some of the public of Goreswar area are not getting exemption from payment of land revenue for the acquired land ?

(d) If so, whether there is any possibility for early exemption of revenue and giving compensation of land ?

(e) If so, when ?

Shri Laksheswar Gohain (Minister, Revenue) replied :

436. (a)—For Sukla Irrigation Project some acquisition cases were started in 1969 and some others in 1972.

(ক)—শুক্লা জলসিঞ্চনৰ বাবে মাটি অধিগ্ৰহণৰ প্ৰস্তাৱমতে ১৯৬৯ চনতো কিছু গোচৰ তৰা হৈছিল আৰু ১৯৭২ চনতো ২৯ টা গোচৰ তৰা হৈছিল।

(b)—Yes, some land owners have not yet been paid compensation for their lands so acquired.

(খ)—হয়, অধিগৃহীত কিছু মাটিৰ পট্টাদাৰক এতিয়াও ক্ষতিপুৰণৰ টকা দিব পৰা হোৱা নাই।

(c)—May be so,

(গ)—হব পাৰে।

(d) & (e)—It has not been possible to pay compensation in respect of some land acquisition cases due to (i) non-receipt of sometime of estimates and of necessary funds, (ii) some lands being involved in ceiling proceedings, (iii) scrutiny and correction of land acquisition papers. As soon as these stages are over compensations may be paid after observing necessary formalities. Steps have been taken already for correction of records of all the acquired land and the S. D. Cs. concerned have been furnished with relevant papers for record correction.

(ঘ) আৰু (ঙ)—সংশ্লিষ্ট বিভাগৰ পৰা প্ৰাক্কলনৰ ধন নোপোৱা, গোচৰৰ কোনো কোনো মাটি চিলিং গোচৰৰ অন্তৰ্ভূক্ত হোৱা আৰু গোচৰৰ নথিপত্ৰ পৰ্য্যালোচনা কৰা ইত্যাদি কাৰণত কোনো কোনো গোচৰৰ টকা দিব পৰা নাই। এই আসোৱাহবোৰ দূৰ কৰাৰ লগে লগেই আইনমতে ব্যৱস্থা লৈ ক্ষতিৰপূণৰ টকা দিব পৰা হব। আনহাতে, মাটি অধিগৃহীত হোৱামতে সোনকালে চক্ৰ জমাবন্দী শুধৰণি কৰিবলৈ আৱশ্যকীয় তথ্যপাতি সংশ্লিষ্ট উপপ্ৰতি সমাহৰ্ত্তা সকললৈ পঠোৱা হৈছে। জমাবন্দী শুধৰণি হোৱাৰ পিচত এনে বেমেজালিবোৰ নাথাকিব।

বি ঃ শুক্লা জলসিঞ্চন প্ৰকল্পৰ ডোঙৰ বাবে অধিগ্ৰহণ কৰা মাটিৰ ক্ষতিপূৰণ

শ্ৰীপূৰ্ণ বড়োই সুধিছে ঃ

*৪৩৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) শুক্লা জলসিঞ্চন প্ৰকল্পৰ ডোঙৰ বাবে অধিগ্ৰহণ কৰা মাটিৰ ক্ষতিপূৰণ কিছুমানক এতিয়ালৈকে নিদিয়াকৈ থকা হৈছে নেকি ?

(খ) যদি হৈছে, কেতিয়া এই ক্ষতিপূৰণ দিয়া হব ?

(গ) অধিগ্ৰহণ কৰা মাটিৰ বাবে এতিয়ালৈকে বহুতে খাজনা দি থাকিবলগীয়া হোৱা কথা সচাঁনে ?

(ঘ) যদি সচাঁ, এই সকলে কেতিয়াকৈ ৰেহাই পাব ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৩৭। (ক) হয়, অধিগৃহীত কিছু মাটিৰ পট্টাদাৰক এতিয়াও ক্ষতিপূৰণৰ টকা দিব পৰা হোৱা নাই ।

(খ) সংশ্লিষ্ট বিভাগৰ পৰা প্ৰাক্কলনৰ ধন নোপোৱা, গোচৰৰ কোনো কোনো মাটি চিলিং গোচৰৰ অন্তৰ্ভূক্ত হোৱা আৰু গোচৰৰ নথি-পত্ৰ পৰ্য্যালোচনা কৰা ইত্যাদি কাৰণত কোনো কোনো গোচৰৰ টকা দিব পৰা নাই । এই আসোঁৱাহ-বোৰ দূৰ কৰাৰ লগে লগেই আইন মতে ব্যৱস্থা লৈ ক্ষতিপূৰণৰ টকা দিব পৰা হব ।

(গ) হব পাৰে ।

(ঘ) মাটি অধিগৃহীত হোৱা মতে সোনকালে চক্ৰ জমাবন্দী শুধৰণি কৰিবলৈ আৱশ্যকীয় তথ্যপাতি সংশ্লিষ্ট উপপ্ৰতিসমাহৰ্ত্তা সকললৈ পঠোৱা হৈছে । জমাবন্দী শুধৰণি হোৱাৰ পিচত এনে বেমেজালিবোৰ নাথাকিব ।

বিঃ বোলছবি বিত্তীয় নিগম

শ্ৰীমোঃ ছামছুল হুদাই সুধিছে ঃ

*৪৩৮। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চৰকাৰে বোলছবি বিত্তীয় নিগম নামৰ অনুষ্ঠানৰ জৰিয়তে কি ভিত্তিত প্ৰযোজক সকলক আৰ্থিক সহায় আগবঢ়াই জনাবনে ?

(খ) অসমৰ বোলছবি বিত্তীয় নিগমৰ পৰা এতিয়ালৈকে কিমানজন প্ৰযোজকে আৰ্থিক সহায় বিচাৰিলে ?

(গ) তাৰে কিমানজনক আৰ্থিক সাহায্য দিয়া হল আৰু কিমানজন প্ৰযোজকে আৰ্থিক সাহায্য পাবলৈ বাকী থাকিল আৰু তাৰ কাৰণ কি ?

(ঘ) আবেদনকাৰী সকলৰ ভিতৰত আৰ্থিক সাহায্য পাবলৈ বাকী থকা সকলৰ নাম অপৰাধ কি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৩৮। (ক) ঋণ আবেদনকাৰী কথাছবি প্ৰযোজক সকলৰ ছবিৰ পাণ্ডুলিপি নিগমৰ 'পাণ্ডুলিপি পৰীক্ষক সমিতি'ৰ গ্ৰহণযোগ্য হলে আৰু প্ৰযোজক সকলে ছবিৰ মুঠ বাজেটৰ শতক বা ২৫ ভাগ খৰচ বহন কৰিবলৈ সাজু থাকিলে আৰু কমেও ছবিখনৰ ১০,০০০ (দহ হেজাৰ) ফুট 'RUSH PRINT' দেখুৱাই নিগমক সন্তুষ্ট কৰিব পাৰিলে ঋণ দিয়া হয়।

(খ) মুঠতে ১৪ জনে।

(গ) ৪ (চাৰি) জনক দিয়া হৈছে আৰু বাকী আবেদনকাৰী সকলৰ পাণ্ডুলিপি 'RUSH PRINT' ইত্যাদি চাই নিগম সন্তুষ্ট হব নোৱাৰি ঋণ মঞ্জুৰ নকৰিলে।

(ঘ) প্ৰশ্ন নুঠে।

বি ঃ কৃষি নিগম

শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে সুধিছে ঃ

* ৪৩৯। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত কেইখন কৃষি নিগম আছে ?

(খ) এই নিগম বিলাকত কিমান জন কৃষকে মাটি পাইছে ?

(গ) এই নিগম বিলাক কোনে পৰিচালনা কৰে ?

(ঘ) প্ৰতিখন নিগমত চৰকাৰী বিষয়া কেইজন থাকে ?

চন দিয়া নহয়, মাত্র ৰেগুলেৰাইজ কৰিবলৈ যি সময় লাগে সেইটো দিয়া হব। এই আইন সম্বন্ধে হাইকোৰ্টত চেলেঞ্জও হৈছিল যে যিজন সদস্যই বিধান সভাৰ নিৰ্বাচনৰ কাৰণে প্ৰতিদ্বন্দিতা কৰে লগে লগে তেওঁ পঞ্চায়তৰ পৰা বাদ পৰিব। এই চেলেঞ্জ হোৱাৰ কাৰণে বহুতো এক্‌জিকিউটিভ্ কাউন্সিলাৰ, বাদ পৰিল। গুৱাহাটীতেই চীফ্ এক্‌জিকিউটিভ্ কাউন্সিলাৰকে ধৰি ১৪জন কাউন্সিলাৰ বাদ পৰিল। নগাওঁতো ৫ জন বাদ পৰিল। আগৰ চৰকাৰৰ ইচ্ছা থকা হলে চাৰি বছৰ পিচত এক্সটেনচন দিব পাৰিলেহেতেন। কিন্তু ইচ্ছা নথকাৰ কাৰণে এক্সটেনচনৰ প্ৰভিজন ৰখা নাছিল এতিয়া যিবিলাক প্ৰশ্ন উঠিছে সেই বিলাকত সন্দেহ কৰিব লগীয়া একো নাই। আমি উপায় নাপাই বাধ্য হৈয়েই ৰাখিছো। মই কালিয়েই আশ্বাস দিছিলো যে এবছৰৰ ঠাইত ৯ মাহ কৰা হৈছে। গতিকে মই আশ্বাস দিব পাৰো যে এনেকুৱা ব্যৱস্থা গ্ৰহণ কৰা হব যাৰ দ্বাৰা জনস্বাৰ্থ সম্পূৰ্ণ ৰক্ষা কৰা হব। ইয়াকে কৈ মাননীয় সদস্যক সংশোধনী উঠাই লবলৈ অনুৰোধ কৰিলো।

Shri Md. Umaruddin— The Minister has not moved any amendment He has got to move a formal amendment for acceptance of the House reducing the time limit to nine months.

শ্ৰীগিয়াচুদ্দিন আহমেদ :— অলটাৰনেটিভ এৰেঞ্জমেণ্টত কিমান দিন চলিব তাৰ কোনো টাইম লিমিট দিয়া নাই। মন্ত্ৰী মহোদয়ে এই সম্পৰ্কে কব নেকি ?

শ্ৰীজেহিৰুল ইচলাম (পঞ্চায়ত মন্ত্ৰী) :— অলটাৰনেটিভ এৰেঞ্জমেণ্ট মতে ৯ মাহৰ বেছি নাথাকিব মাত্ৰ ৩মাহ ৩ মাহকৈ ৯ মাহৰ বেছি নহয়।

শ্ৰীমুকুট শৰ্ম্মা :—অলটাৰনেটিভ অৱস্থা কি হব সেইটো খাটাংকৈ কোৱা নাই, গতিকে এটকো হব পাৰে নেকি ?

(উত্তৰ নাই)

শ্ৰীপ্ৰেম বৰা :—মই এটা স্পষ্টিকৰণ বিছাৰিছো যিখন পঞ্চায়ত বিল মন্ত্ৰী মহোদয়ে উত্থাপন কৰিলে আৰু সেই হিচাবে আমাৰ ফালৰ পৰা সংশোধনী অনা হৈছিল তাৰ মাজতে আকৌ ৬ মাহ ৯ মাহ এইবিলাক সংশোধীত সংশোধনী নেকি ?

---

* Speech not Corrected

Shri Dulal Chandra Barua, (Minister)— Sir, as per Rule 82 hon'ble mover of the Bill, that the minister incharge of the Bill can ask with the permission of the Chair for leave to move an amendment.

Shri Md. Umaruddin— If the Minister comes with the amendment we can accept it.

Shri Dulal Chandra Barua, (Minister)— Yes. The Minister will move an amendment.

Shri Zahirul Islam, (Minister)— Sir, I want to move that in the second proviso to clause (2) in line 8 the word 'one year' be substituted by the words 'nine months'.

Shri Md. Umaruddin—What about the other clause- clause 3 ?

Shri Zahirul Islam, (Minister)— Yes. Clauses 2 and 3 both.

Mr. Speaker— Now I put the first amendment to vote if necessary. The mover Shri Premadhar Bora, is he moving it or withdrawing it ?

Shri Premadhar Bora— I have been allowed to move the amendment and it has been discussed and now another amendment has come to amend my amendment.

Mr. Speaker— Your amendment is on 'alternative'.

Shri Dulal Chandra Barua, (Minister)- Let us proceed one by one.

শ্ৰীপ্ৰেমধৰ বৰা ঃ—মই এটা কথা জানিব বিছাৰিছো, অলটাৰনেটিভ এৰেঞ্জমেণ্ট সম্পৰ্কে আৰু অলপ বহল ব্যাখ্যা দিলে ভাল হব নেকি ?

(ভইচ—নালাগে নালাগে)

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ ঃ—মই এটা স্পষ্টিকৰণ বিছাৰিছো, প্ৰথমে মন্ত্ৰী মহোদয়ে ১ বছৰৰ ঠাইত ৯ মাহ কৰিলে মই জানিব বিছাৰিছো অলটাৰনেটিভ এৰেঞ্জমেণ্ট মানে এটক ব্যৱস্থা কৰাৰো কিবা ব্যৱস্থা আছে নেকি?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী)ঃ—অলটাৰনেটিভ এৰেঞ্জমেণ্ট ব্যৱস্থাটো বুজিবলৈ টান পোৱা কথা নহয়। জনস্বাৰ্থৰ কাৰণে উপযোগী ব্যৱস্থাই কৰা হব।

শ্ৰীপ্ৰেমধৰ বৰা ঃ—গণতান্ত্ৰিক দৃষ্টিভঙ্গীৰ ফালৰ পৰা চাই মাননীয় সদস্য সকলক মন্ত্ৰী মহোদয়ে কনফিদেঞ্চত ৰাখিবনে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (সংসদী পৰিক্ৰমা মন্ত্ৰী)ঃ—সদনৰ সকলো সদস্যকে কন-ফিদেঞ্চত ৰাখি এই বিল অনা হৈছে।

শ্ৰীযোগেন গগৈ ঃ—অলটাৰনেটিভ এৰেঞ্জমেণ্ট মতে যিবিলাক গাওঁপঞ্চায়ত আছে সেইবিলাকক প্ৰয়োজনমতে ম্যাদ বঢ়াই দিয়াৰ ব্যৱস্থা কৰিব নে?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী) ঃ—মই আগতেও কৈছো আজিও কৈছো আগৰ চলি থকা পঞ্চায়তক থাকিবলৈ দিয়া নহব।

শ্ৰীচিৰাজুল হক ঃ—মই আগতেও কৈছিলো। **Provided further that the State Government may make alternative arrangement for** এই সম্পৰ্কে সময় বান্ধি দিয়া নাই মন্ত্ৰী মহোদয়ে কি কয় ?

শ্ৰীবানেশ্বৰ শইকীয়া ঃ—মন্ত্ৰী মহোদয়ে কোৱাৰ পিচত ৯ মাহটো মানি লৈছে। মই ভাবো মাননীয় মন্ত্ৰী মহোদয়ে মোডিফিকেচন সংশোধনী নানি সুকীয়াকৈ সংশোধনী নিজে অনাটো ভাল হব নেকি?

শ্ৰীচিৰাজুল হক ঃ—যিহেতু কোনো সময়ৰ সীমা বান্ধি দিয়া নাই গতিকে ১০ বছৰো হব পাৰে আৰু সেইটোৱে অলটাৰনেটিভ এৰেঞ্জমেণ্ট হব পাৰে নেকি?

শ্ৰীমুকুট শৰ্ম্মা ঃ—জনস্বাৰ্থৰ কথাযে কোৱা হৈছে তাৰ মানে জনতা পাৰ্টিৰ স্বাৰ্থৰ কথা হৈছে নেকি?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ ইয়াৰ আগতে আপোনালোকে যি ধৰণে কৰিছিল অৰ্থাৎ কংগ্ৰেছৰ স্বাৰ্থত যেনেকৈ কাম কৰিছিল জনতা পাৰ্টিয়ে সেইটো নকৰে সকলোৰে স্বাৰ্থৰ কথা চিন্তা কৰিব।

Mr. Speaker— Mr Premodhar Bora, are you pressing your amendment or withdrawing ?

Shri Premodhar Bora— I am not pressing, Sir.

Mr. Speaker— Is it the pleasure of the House to allow the hon'ble member to withdraw the amendment ? (voices : yes) The amendment is withdrawn.

There is another amendment in the name of Shri Giasuddin Ahmed. Are you pressing it ?

Shri Giasuddin Ahmed— I do not press it.

Mr. Speaker— Is it the pleasure of ths House to allow the hon'ble member to withdraw the amendment ? (voices : Yes) The amendment is withdrawn.

Now I put the amendment that in the second proviso to clause (2) in line 8th the words "one year" be substituted by the words "nine month". (After a pause) The amendment is carried.

Now I put that the clause 2 as amended do form part of the bill. (after a pause) Clause 2 as amended forms part of the bill.

Shri Zahirul Islam, (Minister)— I beg to move that in second proviso to clause 3 in line 8th the words "one year" be substituted by the words "nine months".

Mr. Speaker— There are two other amendments. One moved and the other not moved. Mr. Giasuddin Ahmed, are you pressing ? (Shri Giasuddin Ahmed : No Sir). Is it the pleasure of the House to allow the hon ble member to withdraw the amendment ? (voices : yes) The amendment move by Shri Giasuddin Ahmed stands withdrawn.

Now I put the amendment moved by the Minister, Panchayat that in second proviso to clause 3, in line 8th the words "one year" be susbstituted by the words "nine "months".

(after a pause)

The amendment is carried.

Now I put the clause 3 as amended do form part of the bill. (after a pause). Clause 3 as amended forms part of the bill.

Now I put clause 1, preamble, enacting formula and short title do form part of the bill (after a pause) Clause 1, preamble, enacting formula and short title form part of the bill.

Now item No. (b).

Shri Zahirul Islam, (Minister)—Sir, I beg to move that Assam Panchayati Raj (Sixth Amendment) Bill, 1978 be passed.

Shri Md Umaruddin— Mr. Speaker, Sir. I have few submissions to make. Now, Sir, the amendments have been passed and the bill has come to the last stage i. e. the stage of passing.

I again draw the attention of the House to the statement of objects and reasons. There it is stated that the Govt. want to have the provision of synchronisation so that election of the Gaon Panchayats and Mahakuma Parishad can be help at the same time. How this synchronisation is going to be effected ? As I have pointed out that at a particular point of time the term of the panchayats should terminate. Now as I have already said, the term of most of the Gaon Panchayats may have terminated. If so, under what section synchronisation will be effected in their cases ? The answer to this has not come. You have suggested the 1st of May, the bill to be effective from. But no answer has come from the Government as to how you are going to effect synchronisation. There is no provision in the bill. They say 'we are going to have the synchronisation by extending the time by 3 months, and then again 3 months and lastly upto one year. Now they have agreed to extend the time up to 9 months. I presume, unless there is any explanation to the contrary the term 'synchronisation' cannot be applied to most of the Gaon Panchayats the terms of which have already expired. But there may be some Gaon Panchayats in whose case due to mid-term election the term will expire later and their terms will have to be cut short for the sake of synchronisation. Therefore, there is no law and provision how this synchronisation will be effected except by extension of time whenever required or curtailment of the existing terms. Therefore, I find nothing here to provide for synchronisation unless it is meant to effect it by extending the term as and when occasion arises.

Next thing Sir, if the term has already expired, and I suspect the term of the Gaon Panchayat has expired by the 30th April, why no answer came ? What is the difficulty in giving the answer ? If the term has expired

what arrangement and under what law Govt. are carrying the functions of the Gaon Panchayats and Mahkuma Parishads, because in the existing Act there is no provision for extension. Even if the act is passed and even if it takes effect from first May how can the Mahkuma Parishads or Gaon Panchayats can function when their terms have already expired. Either they will be functioning under the existing term if in force or they are dead. If they are functioning, how they are functioning ? There are many functions of the Gaon Panchayat and Mahkuma Parishads to serve public interest. Some Gaon Panchayats are 'it has been alleged' selling Hats and Bazars. What is the authority appointed by the Government to look into these affairs and perform these functions— some of which may be of fiscal nature. Whatever has been done in the period between 1st May and the date on which Act. comes into force the legal question is whether these functions will be regularised by this amendment Act when in force. Sir, whenever we make an Act or amend an Act it becomes necessary to validate all things done under the original Act by providing for saving clause. In the Principal Act, 1973 which replaced the previous Act here is a savings clause. Section 158 of the Principal Act reads : "On and from the date on which this Act comes into force the Assam Panchayat Act, 1959 (Assam Act XXIV of 1959) shall be deemed to be repealed. The Gaon Panchayats, Anchalik Panchayats and Mahkuma Parishads existing immediately before the commencement of this Act shall cease to exist. Provided that etc." The provision of sub-clauses (a) to (b) are the validating provision or saving clause.

Mr. Speaker :— These sections are not amended.

Shri Md Umaruddin :— The question is whether the Gaon Panchayats are defunct or they are functioning. There are some works and functions which cannot remain unattended to. During this period some actions have been taken and it is also alleged that some hats and bazars have been sold. How the Government will cover or regularise these acts? It will be absolutely illegal to ignore this situation. Therefore, I maintain that this bill is defective in principal. Synchronising business is there. The intention of synchronising would have been welcome by a separate provision saying that the term shall be deemed to have expired. Therefore, my point is that this bill is rather anomalous. The refusal to dispense with the provision of alternative arrangement has now confirmed the suspicision that it will be used for political purposes. There is no gain saying about it. So I strongly oppose the Bill.

Mr. Speaker :— I apologise to the House. While puting the Clause I preamble enacting formula Short title to form part of the bill I said, through slip of the tongue, that the bill is passed.

* শ্রীবীরেশ মিশ্র :— মাননীয় অধ্যক্ষ মহোদয়, এই বিলটি এখন তার শেষ পর্যায়ে এসে উপস্থিত হয়েছে। এই বিলটি পাশ করার আগে আমাদের পক্ষ থেকে আমরা কতকগুলি বক্তব্য এই সদনে রাখতে চাই। আসল কথা হলো যে, যে বিলটির আওতার মধ্যে পঞ্চায়তগুলি চলছে, সেই বিলটির সম্পূর্ণ পরিবর্তন হওয়া প্রয়োজন ছিল। কারণ মেহতা কমিশনের সামনে যখন নাকি আমাদের সদনের বিভিন্ন দলের প্রতিনিধি উপস্থিত হয়েছিলেন তখন আমাদের ভূতপূর্ব সরকারের মূখ্যমন্ত্রীও সেখানে উপস্থিত ছিলেন। তাদের পরিস্কার জিজ্ঞাসা করা হয়েছিল যে গাওঁ পঞ্চায়তের মধ্যে যে জনসাধারনকে ক্ষমতা দেওয়ার চেষ্টা এই বিলে করা হয়েছে। তখন তারা পরিস্কার স্বীকার করেছিলেন যে তাদের উদ্দেশ্য ছিল গাওঁ পঞ্চায়ত

* Speech not Corrected

লেভেলে ক্ষমতা বিকেন্দ্রীকরন করা কিন্তু পরে কোন কারনে সেটা সম্ভব হয়নি। সুতরাং বর্তমানে যেহেতু নির্বাচন করার কোন উপাই নাই, তাই আমরা এই বিলের উপর সামান্য সংশোধনী রাখছি। কারন যে কতকগুলি ব্যতিক্রম দেখা দিয়েছে অর্থাৎ গাওঁ পঞ্চায়তের বর্ত্তমান অবস্থাকে একটা আইনগত রূপ দেওয়ার জন্য এই বিল আজ এখানে এসেছে। সুতরাং এই প্রসঙ্গে আমি কয়েকটা কথা সরকারকে বলতে চাই। তার আগে এইটা বোঝা প্রয়োজন যে আজ গণতন্ত্রের নাম করে আমাদের ডানদিকে যারা বসেছেন এবং কুম্ভীরাশ্রু ফেলছেন তারা কি এই কথা স্বীকার করবেন যে এই গাওঁ পঞ্চায়ত এর ব্যাপারে তারা সমস্ত রকম অগণতান্ত্রিক পদ্ধতিতে অতীতে কাজ চালিয়ে গিয়েছিলেন ? এই জনতা সরকার আসার আগে পর্য্যন্ত, যতক্ষন তারা গদীতে ছিলেন ততক্ষন তারা গাওঁ পঞ্চায়তের সমস্ত রকম বিধি বিধান, ডিলিমিটেশন, ভোটার লিষ্ট তৈরী করা, চা-বাগান এলাকাকে অন্তর্ভূক্ত করা-এই সমস্ত ব্যাপারকে তারা উপেক্ষা করে এসেছেন। এই ব্যাপারে তারা কোন নীতি নির্দ্ধারন করেননি।

(ধ্বনি :— করা হয়েছে)

কিছুই করা হয়নি। আমরা জানি, এখন নীতি নির্দ্ধারন করে এই সরকারকে সমস্ত ব্যবস্থা গ্রহন করতে হবে।

অধ্যক্ষ মহোদয়, যদি সময় থাকতো, তাহলে এই বিলকে লক্ ষ্টক্ ব্যারেল করে সম্পূর্ণভাবে পরিত্যাগ করে নতুন ভাবে যদি এই পঞ্চায়ত আইন করা সম্ভব হতো,— ৯ মাসের মধ্যে যদি নির্বাচন করা হতো, তাহলে আমাদের পার্টি খুশী হতো। কিন্তু সেটা কার্য্যতঃ সম্ভব নয় বলে আজ সরকার পক্ষ বলেছেন। সুতরাং আমাদের একথা মেনে নিতে হচ্ছে। নতুন বিল করে এই আইন যে সংশোধন করা উচিত ছিল সেটা সকলেই এখানে স্বীকার করেছেন, কারণ পঞ্চায়ত টু টায়ার হবে না থ্রি টায়ার হবে সেটা সিদ্ধান্ত করে গাওঁ পঞ্চায়ত লেভেল যে ক্ষমতা বিকেন্দ্রীকরন করতে হবে সে কথায় সকলেই একমত হয়েছেন। কারণ আজ গ্রামাঞ্চলের মানুষদের যে ভাবে শোষণ করা হয়েছে তার সীমা নাই। কত রকমের ট্যাক্স। হাউস ট্যাক্স, বারবার ট্যাক্স, সাইকেল ট্যাক্স ইত্যাদি ট্যাক্সের ফলে মানুষের আজ প্রাণান্তকর অবস্থা। এগুলো সম্পূর্ণভাবে রহিত করার কথা

এই মেটা কমিটীও স্বীকার করেছেন। অবশ্য কেবল একজন সদস্য এগুলো সমর্থন করার চেষ্টা করেছেন। আমি তার নাম এখানে উল্লেখ করতে চাইছি না। সুতরাং এই সমস্ত বিষয় চিন্তা করে একটা এমেণ্ডমেণ্ট গ্রহণ করে এই গাওঁ পঞ্চায়তগুলির একটা আইনগত রূপ দিতে ভূল কোরলে চলবে না, এই গাওঁ পঞ্চায়তগুলিকে সম্পূর্ণভাবে বদল করতে হবে এবং তার বুনিয়াদ যাতে সত্যিকারের পঞ্চায়ত রাজ হিসাবে তৈরী করা যায়, যা ৩১ বছরে কংগ্রেস সরকার করতে পারে নি বরং আমলাতন্ত্র এবং কিছু মুষ্টিমেয় ক্যাপ্ট এলিমেণ্টের হাতে গ্রামের সমস্ত কিছু ছেড়ে দিয়েছিল সেই সবের অবসান ঘটিয়ে আমাদের নিশ্চয়ই একটা সত্যিকারের গণতান্ত্রিক পঞ্চায়ত রাজ গঠন করার চেষ্টা করতে হবে। অধ্যক্ষ মহোদয়, সঙ্গে সঙ্গে এই পুরোনো আইন যে অবস্থায় আছে, সেই ব্যাপারে আমি কয়েকটা সাজেশন রাখতে চাই।

প্রথম কথা হলো যে যত শীঘ্র সম্ভব এই পঞ্চায়ত আইনকে বাতিল করা হউক,

দ্বিতীয় কথা, এই পুরনো আইনকে পরিত্যাগ করে চা বাগানগুলিকে পঞ্চায়তে সামিল করতে হবে। তাছাড়া এ সম্পর্কে যে সকল ব্যক্তিগণ আলোচনায় আসেন নি সেই সকলের আর আলোচনার সুযোগ থাকবে না। তাছাড়া এইসব পঞ্চায়তগুলির ডিলিমিটেশন সম্পর্কে আমাদের নিজেদের বক্তব্য রাখতে হবে যে চা বাগান এলাকাগুলিকে নিয়ে এক একটি পঞ্চায়ত গঠন করা যখন একেবারে সম্ভব নয়, তখন এগুলিকে যেন এক একটি গ্রামের সঙ্গে জুড়ে দেওয়া হয়। কারণ প্ল্যাণ্টেশন লেবার এ্যাক্ট অনুযায়ী মালিকরা তাদের শ্রমিকদের এই অধিকার দিতে বাধ্য। সুতরাং চা বাগানগুলিকে পঞ্চায়তের সঙ্গে সামিল করনের ব্যাপারে সম্পূর্ণ দায়িত্ব মালিকদের রয়েছে। আশাকরি সরকার এ বিষয়ে প্রয়োজনীয় ব্যবস্থা নিবেন।

তৃতীয়তঃ আমরা একথা বলতে চাই যে আমাদের বর্তমান পঞ্চায়ত মন্ত্রী মহোদয় নিজেও অগণতান্ত্রিক এবং স্বৈরতন্ত্রী শাসকদের হাতে ভিক্টিমাইজড হয়েছিলেন। সুতরাং তিনি যে সমস্ত প্রতিশ্রুতি জনসাধারণকে দিয়েছিলেন,

এই পরিপ্রেক্ষিতে আমরা আশা করবো যে তিনি কোন অগণতান্ত্রিক পদ্ধতি গ্রহণ করবেন না যার ফলে তাদের বহুঘোষিত গণতান্ত্রিক নীতি ম্লান হয়ে যায়।

মহোদয়, আমি আর সদনের সময় নিতে চাই না। কেবল এই কথা বলব যে যত তাড়াতাড়ি সম্ভব, সম্ভব হলে ৯ মাসের মধ্যে তারা যেন এই পঞ্চায়ত নির্বাচন অনুষ্ঠিত করার ব্যবস্থা করেন এবং মেহতা কমিটীর অপেক্ষা না করে যেন তারা এই পঞ্চায়ত আইনকে বাতিল করে একটি নতুন বিল যাতে এখন থেকে তৈরী করার ব্যবস্থা করেন এই অনুরোধ আমি আজ সরকারের কাছে রাখছি। আমরা জানি এতে কি কি যুক্তি দেখিয়ে আপত্তি আসতে পারে এবং তারা হয়ত বলবেন যে এতে যথেষ্ট টাকা খরচ হবে। কিন্তু আমরা বলব গণতন্ত্র রক্ষার জন্য আমাদের মূল্য দিতেই হবে। অতীতের সমস্ত বিতর্কিত ব্যাপার থেকে আমাদের আজ বেড়িয়ে আসতে হবে, এটাই আজ আমাদের কাছে সবচেয়ে বড় প্রশ্ন হয়ে দেখা দিয়েছে। এই কথা বলে আমি আমার বক্তব্য শেষ করছি।

শ্ৰীখগেন বৰবৰুৱা ঃ অধ্যক্ষ মহোদয়, এই পঞ্চায়তৰ নিৰ্ব্বাচন বন্ধ কৰিব লাগে বুলি মই এখন টেলিগ্ৰাম কৰিছিলো মুখ্যমন্ত্ৰী আৰু বিভাগীয় মন্ত্ৰীলৈ। তাত মই উল্লেখ কৰিছিলো ভোটাৰ লিষ্ট ঠিক হলনে নাই আৰু ভোটাৰ লিষ্ট ঠিক কৰি নামটো প্ৰকাশ কৰি নিৰ্ব্বাচন পতাৰ ব্যৱস্থা কৰিব। আজি এই সম্পৰ্কত সদনত যথেষ্ট মত প্ৰকাশ কৰিছে। মই মাত্ৰ কেইটামান কথা উল্লেখ কৰিব খুজিছো। ১৯৪৮, ১৯৫২, ১৯৫৯ আৰু ১৯৭২ চনত নতুন নতুন পঞ্চায়ত আইন কৰা হল। ইয়াৰ কতবাৰ যে সংশোধনী আহিছে তাৰ অন্ত নাই। কিন্তু ইয়াৰ যত ধাৰা, ৰুল, আইন, কানুন আছিল সেই বিলাক আজিলৈকে প্ৰয়োগ কৰা নাই। ১৯৫৯ চনৰ আইন মতে পঞ্চায়ত আদালত দিছিল। সেই আদালত আজিও নহল। ইয়াৰ উদ্দেশ্য কি আছিল ? আগৰ চৰকাৰে ভুল কৰিছে আৰু এতিয়া নতুন চৰকাৰেও ভুল কৰিব যদি সেই বিলাক প্ৰয়োগ কৰা নহয়। পঞ্চায়ত আইন মতে ৫ হাজাৰ টকাৰ তলৰ

বিল বিলাক পঞ্চায়তৰ তললৈ যাব লাগে। ডি. চিক কত ডেপুটেশ্যন দিয়া হল সমস্ত অথলে গল। যদি এয়ে হয় পঞ্চায়ত আইনৰ প্ৰয়োজন কি আছিল ? পঞ্চায়তৰ আৰ্থিক অবস্থা সম্পৰ্কত দুটা পথ ঠিক কৰিছে প্ৰতিজন মানুহৰ পৰা ৪৫ পইচা আৰু ২৫ পইচা মুঠ ৭০ পইচা লব। মই দোপাদৰ গাওঁ পঞ্চায়তৰ সভাপতি আছিলো, লোক ১৭ হাজাৰ। ১৭ হাজাৰৰ পৰা ৪৫ পইচাকৈ ১২ হাজাৰ ৭৫০ টকা পাওঁ। সম্পাদকক মাহে দুশ পঞ্চাশ টকাকৈ দৰমহা দিওঁতে বছৰত ৩ হাজাৰ টকা গল, তাৰ পিচত মহৰিক ২৫০ টকাকৈ দিওতে তিনি হাজাৰ টকা গল, ২ জন টেক্স কলেক্টৰ আৰু এজন এচিচটেণ্টক ১৬৫ টকাকৈ দিওঁতে ৬,২৮০ টকা, চকীদাৰক ১১৫ টকাকৈ ১৩৮০ টকা, পিয়নক ১30 টকাকৈ ১৮৬০ টকা, সভাপতিৰ এলাৱেন্স আৰু ৰিমোনাৰেচনত এশ টকাকৈ ট্ৰেভেলিং এলাৱেন্স আদিত ২,৪০০ টকা, বিভিন্ন কাগজ পত্ৰ আদিত যায় পাচঁশ টকা। সদস্যৰ সংখ্যা সভাপতিক্ বাদদি ১৫ জন। মাহেকত দুবাৰকৈ মিটিং বহিলেও বছৰত ছয়বাৰ বহিব লাগে। প্ৰত্যেককে ১০ টকাকৈ দিলে ১৫০ টকাকৈ বছৰত ৯০০ টকা যায়। তাত বাজেট হয় ১৯,৬৮0 টকা আৰু চৰকাৰে দিয়ে ১২,৭৫০ টকা। তাৰ পিচত কিছুমানত হাট নাই। পাচ হাজাৰ টকাৰ তলৰ হাট পায় পঞ্চায়তে তাৰ পৰা পাওঁ ৪, হাজাৰ টকা। সেই হাটখন হ'ল মাইগুৰী। গতিকে ঘাটি পৰে ৩ হাজাৰ টকাৰ। চাইকেল টেক্স কোনেও নিদিয়ে যেনি তেনি পলায়। গৰু ৰেজিষ্ট্ৰাৰ্ কৰিবলৈ মানুহে টান পায়। চাইকেলৰ পৰাও নাপাওঁ। পকাঘৰৰ টেক্স পঞ্চায়তে নাপায়, মহকুমা পৰিষদলৈ যায়। গৰুৰ ওপৰত পঞ্চায়ত চলিব লগা হয়। এনেকুৱা অৱস্থা গাওঁ পঞ্চায়ত আছে যে কোনো এখন গাওঁ পঞ্চায়ত নাই যাৰ ধাৰ লগা নাই। মহকুমা পৰিষদৰ পৰা ধাৰে লৈ আছে পিচৰ মাহত দিম বুলি কৈ আজি শতকৰা ৯০ ভাগ গাও পঞ্চায়তৰ ষ্টাফক পেমেণ্ট দিব পৰা নাই। এইটো অনুসন্ধান কৰি চাওক। আজি মাননীয় সদস্য আলিআহমদে কৈছে যে গাওঁ পঞ্চায়ত মৃতপ্ৰায় হৈ গৈছে। সচাঁ কথা পঞ্চায়ত বিলাক শক্তিশালী কৰিবলৈ আৰু আৰ্থিক অবস্থা ভাল কৰিবলৈ ব্যবস্থা নলয় তেন্তে পঞ্চায়ত আইন ভুল। ৯ মাহৰ ভিতৰত পঞ্চায়ত নিৰ্ব্বাচন পাতিম বুলি কৈছে, কই কৈছো তাতোকৈ সোনকালে কৰক। মেহতাই আগতে যেনেকৈ মদেল এক্ট কৰি দিছিল তেনেকৈ মডেল এক্ট কৰক

মেহতা কমিটিৰ ৰিপৰ্টটোলৈ বাট নাচাই । যদি বৰ্তমান অৱস্থাত পঞ্চায়ত চলিব লগা হয় তেন্তে আগৰ অৱস্থাই হব। পিচ অব লেজিচলেচন কৰি একো উন্নতি নহব । এড-হক কমিটি কৰি লাভ নহব । জনতা চৰকাৰ যদি জনপ্ৰিয় হবৰ কাৰণে আৰু অহা নিৰ্ব্বাচনত জিকিবৰ কাৰণে নিজৰ মানুহ দি এড-হক কমিটি কৰিব বিচাৰে মই ভাবো সেইটো ভুল । যদি তত্ৰাচ কৰে তেন্তে কাৰ্য্য ক্ষেত্ৰত সকলো প্ৰমাণিত হব ।

(বিৰাট হৰ্ষধ্বনি)

এড-হক কমিটি কৰিলেও আমাৰ একো ভয় নাই। শ্ৰীমিশ্ৰ ডাঙৰীয়াই কোৱাৰ দৰে মইও কৈছো ৯ মাহৰ ভিতৰত নতুন আইন আনক। এই কেইদিন আগৰ দৰেই শুই থাকক। অলটাৰনেটিভ ব্যৱস্থাও কি কৰিব—এডহক কমিটি কৰিব, ভাঙি চিঙি দিব, অফিচাৰক চাৰ্জত দিব আৰু পইচা খাই শেষ কৰিব। মই আগতেই কৈছো 'তুমি দস্যু মইও দস্যু, দস্যু দুয়ো জন''। যি বাটত আহিব ধৰিছে, কোনো লাভবান নহব এই বুদ্ধিটোত। আইনত যি ধাৰা আছে সি যাতে আখৰে আখৰে প্ৰতিফলিত হয় তাৰে ব্যৱস্থা কৰিব লাগে। পঞ্চায়ত গান্ধীজীৰ দিনৰ পৰাই কৰা হৈছে। কোৱা হৈছিল স্বৰাজ হব। ভলটায়াৰ, মীৰাবাও ৰুচো, আদিয়ে ফ্ৰান্স বিপ্লবৰ আগত কৈছিল Equalily, liberty fraternity বিপ্লব জয় হোৱাৰ পাচত একো নহল। আমাৰ দেশতো কোৱাহল বৃটিছ যাব আমাৰ দেশত স্বৰাজ হব, পঞ্চায়ত ৰাজ হব কিহৰ ভয় কিন্তু এতিয়া লাহে লাহে মানুহৰ মন ভাগি গল। গতিকে ৯ মাহৰ ভিতৰত নতুন বিল আনক। নহলে ভগৱানে ৰাখিলে অহা বাৰ মই কোৱা কথাৰ প্ৰমাণ পাব। আপোনালোকৰ বিৰুদ্ধে ইয়াত কথা উঠিব। অলটাৰনেটিভ এৰেঞ্জমেণ্ট হিচাবেও আগৰ পঞ্চায়তক ৯ মাহলৈ ৰাখিব পাৰিব নতুন পঞ্চায়ত আইন আনক তাৰ ব্যৱস্থা কৰক। এই খিনিকে কৈ সামৰিলো।

শ্ৰীযোগেন গগৈ :—মাননীয় অধ্যক্ষ মহোদয়, মই অলপমান কব খুজিছো। বৰ্ত্তমান পঞ্চায়তী ৰাজ ব্যৱস্থাটো এটা এক্সপেৰিমেণ্টেল বেচিচত থকা বাবে পঞ্চায়তৰ ওপৰত মানুহৰ আস্থা যেনেকৈ বাঢ়িব লাগিছিল, তেনেকৈ বঢ়া নাই বৰঞ্চ কমিছেহে। পঞ্চায়তৰ বুনিয়াদ ৰচনা কৰি নতুন পঞ্চায়ত গঠন কৰিব লাগে। আমাৰ

যিবিলাক স্থানীয় সম্পদ আছে সেইবিলাকৰ ওপৰত ভিত্তি কৰি আৰু আমাৰ যি শ্ৰম শক্তি আছে সেই শক্তি ব্যৱহাৰ কৰি তাৰ মাজেদি এটা অৰ্থনৈতিক বুনিয়াদ গঠন কৰাৰ প্ৰতি আমি লক্ষ্য ৰাখিব লাগিব। আমি পঞ্চায়ত নিজৰ কৰি গঢ়িব লাগিব। চৰকাৰে টকা দিব, সেই টকাৰে পঞ্চায়ত হব এইটো ভুল কথা। গতিকে এই ধৰণে পঞ্চায়তৰ বুনিয়াদ গঠন কৰিবলৈ হলে আমি নিজে স্বাৱলম্বী হব লাগিব। এটা ভোটাৰ তালিকাত দেখা গৈছে কোনো কোনো ঠাইত বোৱাৰীয়েকৰ নাম বৰজনাকৰ লগত স্বামী স্ত্ৰী হিচাবে দেখুৱাইছে যাৰ ফলত বোৱাৰীয়েক ভোট দিবলৈ নাহে বৰজনাকো নাহে। ভোটাৰ তালিকাৰ যি বিলাক ভুল ত্ৰুটি আছে সেইবিলাক অনতিপলমে দূৰ কৰিব লাগে। নিৰ্ব্বাচনৰ ক্ষেত্ৰতো মুক্ত নিৰ্ব্বাচন হব লাগে। আৰু নিৰ্ব্বাচনৰ সময়ত আমাৰ মন্ত্ৰী সকলেও যাতে ৰাজনৈতিক কাৰণ আছে বুলি সেই সময়ত তাত পৰ্দাপণ নকৰে তাৰ বাবে অনুৰোধ কৰিলো।

অধ্যক্ষ মহোদয়ে, আগৰ কংগ্ৰেছ চৰকাৰৰ দিনতে আঞ্চলিক পঞ্চায়ত গঠন কৰিছিল। আৰু এই পঞ্চায়ত গঠন কৰিবলৈ যাওঁতে কেতিয়াবা কেতিয়াবা মেম্বাৰ কিদনেপও হৈছিল। নিৰ্ব্বাচনৰ সময়ত মেম্বাৰ কিদনেপ কৰি লৈ যায় আৰু ভোজ ভাত খুৱাই ৰাখে। এইদৰে যাতে মেম্বাৰ কিদনেপিং ভবিষ্যতে নহয় সেইটোৰ প্ৰতি বিশেষ লক্ষ্য ৰাখিব লাগে। নহলে আমাৰ পঞ্চায়তৰ যি আচল উদ্দেশ্য সেইটো কেতিয়াও ফলৱতী হব নোৱাৰে। আমাৰ গাওঁ অঞ্চলৰ ৰাইজে ইতিমধ্যে গম পাইছে যে, এই কেইদিনৰ ভিতৰতে পঞ্চায়তৰ পুনৰ গঠন ব্যৱস্থা হব, আৰু এইবিলাক কথা গাৱৰ ৰাইজৰ মাজত প্ৰচাৰো হৈছে।

(ভইচ : এইবোৰ আপুনি আগৰ কথা কৈছে.)

এইবোৰ মই নতুন কথাই কৈছো। আজি যিসকল মানুহ ন্যস্ত স্বাৰ্থৰ বাবে পঞ্চায়তত সোমাবলৈ ঘূৰি ফুৰিছে তেওঁলোকো হয়তো এদহক কমিটি হলে তাত সোমাই যাব। গতিকে এতিয়াৰ পৰাই তাৰ প্ৰতি দৃষ্টি ৰাখিব লাগিব। আজি দেখা গৈছে যে, পঞ্চায়তৰ লগত আন আন বিভাগৰ পৰাও মানুহ আনি জাপি দিয়া হৈছে। কিন্তু কামত একো হোৱা নাই। ইমান বিলাক মানুহ আজি ৰখা হৈছে অথচ ৰাইজে এটা টিউবওৱেলৰ বাহিৰে হয়তো একোৱেই পোৱা নাই। আজি হাজাৰ হাজাৰ টকা খৰচ কৰিছে কিন্তু ৰাইজে সংগঠনৰ কাম একোৱেই

পোৱা নাই। সেইকাৰণে এই বিলাকৰ প্ৰতি এতিয়াৰ পৰাই দৃষ্টি ৰাখিব লাগিব। আগতে আমাৰ ৰুৰেল (Rural) পঞ্চায়ত আছিল হাজাৰ হাজাৰ টকা খৰচ কৰিব নোৱাৰি ৰৈ গল আৰু আঞ্চলিক পঞ্চায়ত উন্নয়ন খণ্ড (Block) ত হাজাৰ হাজাৰ টকা ৰৈ গল। এই টকা বিলাকৰ খৰচৰ কোনো ব্যৱস্থা হোৱা নাই। কিমান টকা আছিল, কিমান টকা খৰচ হল, তাৰো কোনো হিচাব নাই। অধ্যক্ষ মহোদয়, এইখিনিতে মোৰ এটা কথালৈ মনত পৰিছে। সেইটো হল, এজন মানুহৰ চাৰিজনী ছোৱালী আছিল। তাৰে তিনিজনী বিয়া দিলে আৰু প্ৰতিজন জোৱায়েক আছিল গেজেটেদ বিষয়া পিচত শেষৰ জনী ছোৱালীৰ বাবেও এজন দৰা বিচাৰি বন্দৱস্ত কৰিলে। তেতিয়া ছোৱালীয়ে সুধিলে যে, দৰাজন গেজেটেদ অফিচাৰ হয়নে নহয়? যেতিয়া দৰা গেজেটেদ নহয় বুলি জানিলে তেতিয়া ছোৱালীয়ে কলে যে, মই তেনেহলে বিয়া নকৰাও কাৰণ আটাইকেইজনী ছোৱালী গেজেটেদ অফিচাৰক দিয়া হৈছে গতিকে মোকো গেজেটেদ অফিচাৰ দৰা লাগে। ইয়াৰ মানে বুজাব বিচাৰিছো যে উন্নয়ন খণ্ডবোৰ দ'ৰা ঘটিবলৈহে কৰা হ'ল। নহলে এটা উন্নতৰ ব্যৱস্থা কৰিলেহেঁতেন। বৰ্ত্তমান উন্নয়ন খণ্ড সমূহ মহকুমা পৰিষদৰ মায়া মমতাৰ ওপৰতহে আছে। উন্নয়ন খণ্ডৰ কাম বৰ্ত্তমান নোহোৱা হৈ পৰিছে। অকেজ (Defunct) হৈ পৰিছে তেনেকৈয়ে এতিয়া আমাৰ এই পঞ্চায়ত উন্নয়ন খণ্ড বিলাকৰ ক'ৰ টকা কিমান কলৈ গৈছে কোনেও কব নোৱাৰে। গতিকে এইবিলাক টকাৰ প্ৰতি দৃষ্টি ৰাখিব লাগে ইয়াৰোপৰি মহকুমা পৰ্য্যায়ত পঞ্চায়ত সমূহৰ যি কাম হয় তাত দেখা গৈছে যে, একেটা কাৰ্য্যালয়ৰ একোখন মেজতে বহি কৰ্ম্মচাৰী সকলে একেই কাম কৰে অথচ তাৰে কিছুমানে পেন্সন পায়, গ্ৰেচিওটি পায় ত ৰু অন্যান্য সকলো ধৰণৰ সা-সুবিধা পায়, কিন্তু আন এজনে একো সুবিধা নাপায়। ইয়াতে "চৰকাৰ আৰু পঞ্চায়ত" বুলি বিভিন্নতা আছে গতিকে এইবিলাক গুচাবলৈ চেষ্টা কৰিব লাগে। মহোদয়, ইয়াৰোপৰি ১ জুলাই তাৰিখৰ পৰা খাজনা উঠাই দিয়া হৈছে আগতে গাওঁ পঞ্চায়ত বিলাকে ৪৫ পইচাকৈ পাইছিল আৰু মহকুমা পৰিষদে ৪০ পইচা কৈ পাইছিল। এতিয়া ৰাজহৰ পৰিবৰ্ত্তে উপাৰ্জ্জনৰ ভিত্তি কি হব? যিহেতুকে খাজনা উঠাই দিয়া হল। গতিকে সোনকালে পঞ্চায়ত কি ধৰণে হব তাৰ এটা নীতি সোনকালে ঘোষণা কৰিব লাগে। ইয়াৰোপৰি আমাৰ ব্লক চিচটেম আছে। এনেকুৱা এটা অৱস্থা হল যে, ব্লক বিলাকৰো একো কাম কাজ নাইকিয়া

হৈ গল। 'ডিফাংক্ট' হৈ গল। কোনেও গুৰুত্ব নিদিয়ে। গতিকে এনে ধৰণৰ কথা বিলাকলৈ লক্ষ্য ৰখা প্ৰয়োজন। সকলো কথাৰ প্ৰতি লক্ষ্য ৰাখি নতুনকৈ এখন আইন সৃষ্টি কৰিব লাগে।' যাতে এই আইনখন শক্তিশালী হয়। পঞ্চায়তে যাতে বুনিয়াদ গঠন কৰিব পাৰে। তেনেকুৱা এখন আইন সদনলৈ অনাৰ অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰিলো।

Shri Keshab Chandra Gogoi (Minister): Mr. Speaker Sir, one of the senior hon'ble members has stated that the Act is bad because certain provision has not been made in it. Therefore, I beg to submit before the House that there is no vacuum as the principal Act is not repealed. Only two sections are going to be amended. Now if we read section 22 'the term of the office of the Chairman, Chief Executive Councillor and the Councillors of the Mahkuma Parishad shall be four year from the date of the first meeting of the Mahkuma Parishad conveneds under sub-section (I) of Section 21; provided that the term of office fixed under this section shall be held to include any period which may elapse between the expiration of the said period and the date of the first meeting of the Mahkuma Parishad newly constituted and when a Mahkuma Parishad is thus duly constituted and it meets for the first time the old Mahkuma Parishad shall stand dissolved'. So, the old Act is there and this provision is there. Now, as some of the Mahkuma Parishads and Gaon Panchayats their term is going to expire in the month of May we have made this law appplicable in clause 3 of Section I that 'It shall be deemed to have come into force on the 1st day of May, 1978' Thereby this timing clause will validate any action of the old Panchayats. So, we are going to extend the term from the 1st of May till it is dissolved.

Then Sir, on synchronisation as the hon'ble member has stated, how can it be synchronised help. The provision of the Section 3 reads as follows "that the term of a Mahkuma Parishad which is constituted after the constitution of other Mahkuma Parishads in a regular election, shall expire with the expiration of 4 year term of the other Mahkuma Parishads irrespective of the fact that the former has not completed 4 year term. So with the help of this proviso those Panchayats which have not completed 4 year term. will be considered to have completed 4 year term So. there will be no difficulty in synchronising all the Gaon Panchayats and the Mahkuma Parishads at a time.

Shri Md. Umaruddin : Sir, my point is what will be the solution, because something must have been done by some agencies, which are now in position— it may be some sort of body or the existing Gaon Panchayat. In what position they will be there during the period at the present moment from the date of expiry of the terms up to the date the Act comes into force. During the interim period some functions must have been performed when these bodies had no legal status. How can such obviously irregular actions can be regularised under the provision of this Bill when there appears to be no saving clause on that behalf.

Shri Keshab Chandra Gogoi,(Minister):— Sir, the provision under section 22 is there because we have already said that in the previous Act it is already there that the period would be up to the first meeting. The existing Mankuma Parishads or the Gaon Panchayats shall continue till the first meeting of the newly elected Gaon Panchayats or the Mahkuma Parishads as the case may be. In the mean time circulars have been issued and as the hon'ble member has informed they will carry out it and continue to function. From the first of May it will be regularised.

শ্ৰীপ্ৰেমধৰ বৰা :— মাননীয় অধ্যক্ষ মহোদয়, ধৰক বিশেষ এটা কাৰণত 'ডিজলভ' হব লগীয়া হল, তেনে অৱস্থাত দুবছৰৰ পিছত নতুনকৈ নিৰ্ব্বাচন হোৱা পঞ্চায়ত এখনে কেইবছৰ পাব ?

শ্ৰীকেশব চন্দ্ৰ গগৈ (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, আইনে যিটো কৰে সেইটোৱেই হব ।

শ্ৰীপ্ৰেমধৰ বৰা :— মাননীয় অধ্যক্ষ মহোদয়, 'চিনক্ৰনাইজিং' শব্দটোৰে দিগদাৰ কৰিব ।

* শ্ৰীজেহেৰুল ইছলাম (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীবীৰেশ মিশ্ৰ ডাঙৰীয়া, শ্ৰীখগেন বৰবৰুৱা আৰু শ্ৰীযোগেন গগৈ ডাঙৰীয়াই যিবিলাক কথা উত্থাপন কৰিছে সেই বিলাকৰ ভিতৰত এটা কথাত মই মাননীয় সদস্য কেইজনৰ লগত একমত । ইয়াৰ আগতে যিখন আইন আছিল সেই আইন খনে ৰাইজৰ আশা-আকাংখা পূৰণ কৰিবলৈ ব্যৰ্থ হৈছে, ৰাইজৰ আশা আকাংখা পূৰণ কৰাৰ ক্ষেত্ৰত সন্দেহৰ যথেষ্ট থল আছে । সেই কাৰণেই এই আইন খন বাতিল কৰিবলৈ ভবা হৈছে আৰু যুগৰ উপযোগীকৈ ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰি নতুন এখন আইন প্ৰণয়ণ কৰাৰ কথা সিদ্ধান্ত কৰিছিলোঁ । সেইকাৰণেই এবছৰৰ ভিতৰত এনে এখন আইন প্ৰণয়ণ কৰিব পৰা যায় নে নেযায় সেইটো চিন্তা কৰা হৈছিল । এই আইন মতে ৯ মাহৰ ভিতৰত নিৰ্ব্বাচন পাতিব লাগিব । আকৌ পঞ্চায়ত নিৰ্ব্বাচনৰ পিছত নতুন এখন আইন কৰিব লাগিব । নহলে ৰাইজৰ আশা-আকাংখা পূৰণ নহব । সেইকাৰণেই মই আমাৰ মাননীয় সদস্য শ্ৰী বীৰেশ মিশ্ৰ ডাঙৰীয়াই যিটো কথা কৈছে সেইটোৰ লগত আমি একমত । কিন্তু উপায় নাই । যি পৰিস্থিতি আহিছে সেই পৰিপ্ৰেক্ষিতত বাধ্য হৈ এই ব্যৱস্থা লবলৈ আমি বাধ্য হৈছোঁ । এইটো কথা আমি ভালকৈ জানো যে, ক্ষমতাৰ যদি বিকেন্দ্ৰীকৰণ কৰা নহয় তেতিয়াহলে, নতুন চৰকাৰ গঠন কৰাৰ কোনো উদ্দেশ্যই নেথাকিব । গাওঁবিলাকত শতকৰা ৮০ ভাগতকৈও অধিক লোকে বসবাস কৰে । বৃটিশৰ দিনৰ পৰা আৰম্ভ কৰি কংগ্ৰেছ চৰকাৰৰ দিনলৈকে এই গাৱঁত বসবাস কৰা ৰাইজক কোনো সা-সুবিধা আদি দিব পৰা নাই ।

---

* Speech not corrected

অৱস্থাৰ বাধ্য হৈ এই বিলখন আনিবলগীয়া হৈছে। সেইকাৰণেই কোনো আশংকাৰ সন্দেহ নকৰি মাননীয় সদস্য সকলক এই বিলখন পাছ কৰাত অনুমোদন জনাবলৈ মই অনুৰোধ কৰিছো। কিয়নো এনে ব্যৱস্থা নললে জনস্বাৰ্থত অসুবিধাৰ সৃষ্টি হয়। এইখিনি কৈয়েই বিলখন পাছ কৰিবলৈ অনুৰোধ কৰিছো।

Mr. Speaker :— The motion is that the Assam Panchayati Raj (Sixth Amendment) Bill. 1978 be passed

(The Bill as Amendment is passed)

DISCUSSION UNDER RULL 50

শ্ৰীগিয়াছুদ্দিন আহমেদ ঃ— অধ্যক্ষ মহোদয়, নিত্য প্ৰয়োজনীয় বস্তুৰ মূল্য সম্পৰ্কে মই এটা আলোচনাৰ সূত্ৰপাত কৰিব খুজিছো। কোনো সমালোচনাৰ দৃষ্টি-ভঙ্গী লৈ নহয়। অসম তথা গোটেই ভাৰতবৰ্ষৰ বৰ্ত্তমান বাস্তৱ পৰিস্থিতি সম্পৰ্কে মই আলোচনা কৰিব খুজিছো। আৰু লগতে আশা কৰিছো চৰকাৰে এই বাস্তব পৰিস্থিতি বিবেচনা কৰি ক্ৰমবৰ্দ্ধমান মূল্য নিয়ন্ত্ৰণৰ বাবে এটা বাস্তব ব্যৱস্থা হাতত লব। মই এটা কথা জানো যে আজি ভাৰতবৰ্ষ আৰু ভাৰতবৰ্ষৰ অঙ্গ স্বৰূপে অসম ৰাজ্যত চলি থকা অৰ্থনৈতিক ব্যৱস্থাত আমি সদায় মূল্য বৃদ্ধিৰ সন্মুখীন হব লাগিব। সেই সম্পৰ্কে কোনো দ্বিমত থাকিব নোৱাৰে। কাৰণ বস্তুৰ উৎপাদন ব্যক্তিগত মালিকৰ হাতত। বিতৰণ ব্যবস্থা মুষ্টিমেয় কেইজনমান ধনী ব্যৱসায়ীৰ হাতত। উৎপাদন, বিতৰণ গোটেই ব্যৱস্থাটো এটা বিৰাট কেলেঙ্কাৰীৰ মাজত। সেই কাৰণেই ব্যক্তিগত মুনাফা লাভৰ কাৰণে মুষ্টিমেয় কেইজনমান পূজিবাদীয়ে চেষ্টা কৰি থাকে। আৰু তেওঁলোকে গোটেই ৰাষ্ট্ৰীয় যন্ত্ৰটো, তেওঁলোকৰ সুবিধাৰ কাৰণে ব্যৱহাৰ কৰাৰ চেষ্টা কৰি থাকে। কংগ্ৰেছৰ শাসনত এই নীতিয়েই চলি আছিল ক্ৰমাগতভাবে সুদীৰ্ঘ ৩০-৩১ বছৰ ধৰি। এতিয়া এটা প্ৰশ্ন হৈছে যে, নতুন জনতা দলৰ শাসনত এই যি নীতি আগৰ

পৰা চলি আছিল তাৰ কিবা ব্যতিক্ৰম হৈছে জানো ? এই প্ৰশ্নই আমাৰ সন্মুখত, দেশৰ ৰাইজৰ সন্মুখত দেখা দিছে। আমি লক্ষ্য কৰিছো, অসমৰ যিটো অৰ্থ-নীতি ইয়াৰ ব্যৱসায় বাণিজ্য গোটেইখিনি মুষ্টিমেয় কেইজনমান ধনী ব্যৱসায়ীৰ হাতৰ মুঠিত সোমাই আছে। কৃষিজাত বস্তু বিলাক এই ব্যৱসায়ী শ্ৰেণীয়ে কম দামত কিনি লৈ বেচি দামত বিক্ৰি কৰে আৰু শিল্পজাত বস্তু সমূহ এই ব্যৱসায়ীয়ে বাহিৰৰ পৰা কম দামত আনি বেচি দামত বিক্ৰি কৰি দুখীয়া জন-সাধাৰণক শোষণ কৰে। এনেধৰণৰ চোৰাং, ভেজাল আদি নানা ৰকমৰ বেমাৰ সোমাই আমাৰ দুখীয়া দেশখন জুৰুলা কৰিছে। এই পৰিস্থিতিৰ কিবা পৰিবৰ্ত্তন হব জানো ? সেইটো এটা আমাৰ সন্মুখত ডাঙৰ প্ৰশ্ন। যোৱা নিৰ্ব্বাচনত ২-৩ মাহ আগৰ পৰা আৰম্ভ হোৱা বা তাৰ আগতেও চলি থকা এটা মৰ্ম্মান্তিক কাহিনী মই খুব চমুকৈ উল্লেখ কৰিব খুজিছোঁ সেইটো হৈছে নিমখৰ কাহিনী। এই সদনৰ ভিতৰতে প্ৰশ্নৰ উত্তৰৰ সময়ত বা বিভিন্ন আলোচনা প্ৰসংগত নিমখ, মিঠাতেল, মচুৰ দাইল, চাউল আদি সম্পৰ্কে অলপ আলোচনা হৈছিল। এই সম্পৰ্কে মইও কিছু কথা উল্লেখ কৰিব খুজিছো। বৰ্ত্তমান চৰকাৰে বিতৰণ ব্যৱস্থা সম্পৰ্কে যোগান নীতি সম্পৰ্কে এটা নতুন নীতি ঘোষণা কৰিছে। কিন্তু নিমখৰ সম্পৰ্কে যি কেলেঙ্কাৰীৰ ইতিহাস নিৰ্ব্বাচনৰ আগৰ পৰা আৰম্ভ হৈছিল আজি জনতা চৰকাৰৰ আমোলতো তাৰ যবনিকা পতন ঘটিছে জানো ? অধ্যক্ষ মহোদয়, ষ্টেটফেড নামৰ এটা বস্তু আমাৰ আছে। ষ্টেটফেডৰ ইতিহাস মই শেষলৈ থৈছো। অলপ আলোচনা কৰিব লাগিব। এই ষ্টেটফেডে নিমখ আমদানি কৰিছিল। কিন্তু নিজে কৰা নাই। তেওঁলোকৰ হেণ্ডলিং এজেণ্ট আছিল। হেণ্ডলিং এজেণ্টৰ অসমীয়া কি হব, এতিয়া ডিকচনাৰী খুলিলে দেখি হব।

শ্ৰীঅতুল গোস্বামী :— হেণ্ডলিং এজেণ্ট মানে লৰা চৰা কৰা।

শ্ৰীগিয়াছুদ্দিন আহমেদ :— ইয়াৰ অসমীয়াটো মই মাননীয় অতুল গোস্বামী ডাঙৰীয়ালৈ থলো। তেখেতৰ পৰা পাচত জানি লম।

(At 4 P. m. Hon'ble speaker Vacate the Chair and the Hon'ble Deputy Speaker Occupies the Chair)

শ্ৰীগিয়াছুদ্দিন আহমেদ ঃ— যিয়েই নহওক এই হেণ্ডলিং এজেন্টৰ জৰিয়তে নিমখ অনা হৈছিল বাহিৰৰ পৰা। আৰু সেই হেণ্ডলিং এজেন্ট সকলৰ পৰা ষ্টেটফেডে কমিচন লৈছিল। সম্পূৰ্ণ ধন তেওঁলোকে দিছিল। যদিও এই ব্যৱস্থাত ব্যবসায়ী সকল বৰ বেচি ক্ষতিগ্ৰস্ত হোৱা নাই, তথাপি ষ্টেটফেডক মনোপলি অধিকাৰ দিয়াটো তেওঁলোকে পছন্দ কৰা নাছিল। ১৯৭৮ চনৰ ২১ জানুৱাৰী তাৰিখে ফেডাৰেচন ইণ্ডিয়া চেম্বাৰ্চ অব কমাৰ্চৰ তাৰ প্ৰেচিডেণ্ট বি, পি, পোদ্দাৰ গুৱাহাটীলৈ আহিছিল। তেখেতক অভিনন্দনপত্ৰ দিয়া হৈছিল কামৰূপ চেম্বাৰ্চ অব কমাৰ্চৰ পৰা। এইখন এই অভিনন্দন পত্ৰ-ওপৰখন বেচ ধুনীয়া। ভিতৰত বহুত কথাই আছে। ইয়াত কৈছে—

In Assam, the State Govt. has entrusted the work of importing the salt on monopoly basis to Statfed (Assam State Consumers Co-operative Marketing Federation Ltd.) for sometimes past by allowing the State quota of salt in its favour. The Statfed in turn in actual operation, allots this entire quota of salt to some private dealers of their choice, on its own terms and conditions for bringing salt to Assam without making any financial investment and also without engaging itself in the task of purchase, salt, storage etc. The Statfed charges a fixed commission of 50 paise per bag from these dealers, who have been termed by the Statfed as its "handling agents" and this Commission is added on the retail price. By this arrangement, the normal trade in Assam has vanished in respect of salt. In all other States, this type of monopolistic allotment of quota for salt to one organisation is unfounded. It is, therefore, in all fairness necessary that the normal and competitive trade practice of bringing salt to Assam is restored.

কামৰূপ চেম্বাৰ্চ, অব কমাৰ্চে দাবী কৰিলে যে ষ্টেটফেডৰ হাতত নিমখৰ যিটো একচেতিয়া ব্যৱসায় দিয়া হৈছে সেইটো তেওঁলোকৰ হাতৰ পৰা লৈ ব্যক্তিগত ব্যৱসায়ীক দিব লাগে আৰু ফেভাৰেশ্যন অব ইণ্ডিয়ান কমাৰ্চৰ বি, পি, পদ্দাৰে

কেন্দ্ৰীয় চৰকাৰৰ লগত এই কথাটোলৈ যোগাযোগ কৰিছে। সেই সময়ত জনতা চৰকাৰ কেন্দ্ৰত আছিল আৰু তেতিয়া কেন্দ্ৰীয় চৰকাৰে ফ্ৰি-ট্ৰেড অৰ্থাৎ মুক্ত ব্যৱসায়ৰ নীতি ঘোষণা কৰিলে। অসমত তেতিয়া কংগ্ৰেছ চৰকাৰ আছিল, এই কংগ্ৰেছ চৰকাৰে নিমখৰ ব্যৱসায় ষ্টেটফেডক দিছিল কিন্তু তলে তলে ব্যক্তিগত ব্যৱসায়ী সকলক সুবিধা দিছিল কিন্তু নিৰ্ব্বাচনৰ আগ মূহুৰ্ত্তত কিবা এক ৰহস্যপূৰ্ণ কাৰণত অসম চৰকাৰ উদ্বিগ্ন ব্যক্তিগত ব্যৱসায়ীক নিমখৰ ব্যৱসায় দিয়াৰ কাৰণে উঠি পৰি লাগিল। ব্যক্তিগত ব্যৱসায়ীৰ হাতত নিমখৰ ব্যৱসায়টো এৰি দিয়াৰ কাৰণে তেওঁলোকে ভীষণ ভাবে উদ্বিগ্ন হৈ পৰিল। সেই সময়তে কেন্দ্ৰীয় চৰকাৰে মুক্ত ব্যৱসায়ৰ নীতি ঘোষণা কৰিলে। তেতিয়া অসম চৰকাৰে সুবিধাই পালে, আমাৰ ফালে এটা কথা আছে- 'এনেয়ে বুঢ়ী নাচনী তাতে আকৌ নাতিনিয়েকৰ বিয়া' অসম চৰকাৰে সুবিধাই পালে ব্যক্তিগত ব্যৱসায়ীৰ হাতত নিমখৰ ব্যৱসায় এৰি দিয়াৰ গোপন চক্ৰান্ত চলি থাকিল, ইতিমধ্যে কামৰূপ চেম্বাৰ্চ অব কমাৰ্চে বি, পি, পৰ্দ্দাৰক অভিনন্দন জনাই দাবী কৰিলে আৰু তেওঁলোকে চেষ্টা কৰিলে ষ্টেটফেডৰ পৰা কেনেকৈ ব্যক্তিগত ব্যৱসায়ীৰ হাতলৈ নিমখৰ ব্যৱসায়টো আনিব পাৰি। সেই মৰ্মে কামৰূপ চেম্বাৰ্চ অব কমাৰ্চে মোহন ধাৰীয়া আৰু জৰ্জ ফাৰ্ণাণদেজলৈ এখন টেলিগ্ৰাম দিছে।

মই টেলিগ্ৰামখন পঢ়ি দিছো—

Telegram to Union Minister of Industries and Union Commerce and Civil Supplies Minister..............

Dreadful scarcity and exhorbitent prices of salt prevailing in Assam and consequently poor people badly affected stop under existing system of import of salt only Statfed Gauhati given Monopoly right for import of Salt to Assam from West Coast stop. In the matter of import of salt from West Coast Statfed Gauhati not invest a single paise and draws movement programms for periods of Six Months to one year at a time and realises fifty paise per bag of salt from few traders simply on drawal of paper programmes stop under this system salt is only purchased from West Coast

dealers who in turn dictate prices stop main reason for State Govt. stop salt prices rising abnormally stop to ensure availability of salt to poor peoples of India Mahatma Gandhi undertook salt Satyagraha stop situation may go out of control unless immediate effective steps are taken stop humbly suggest allotment of twenty special rakes salt to Assam both from West Coast and South Coast to dealers to be selected by Assam Govt. Stop pray issue necessary instructions to salt commissioner Jaipur and ensure priority movement twenty rakes salt to Assam to reach Assam within this month stop addressed Hon'ble George Fernande's Union Industries Minister New Delhi Repeated Hon'ble Shri Mohan Dharia Union Commerce and Civil Supplies Minister New Delhi for favour of kind information and necessaary action."

এই টেলিগ্ৰাম খন ২৩-২-৭৮ তাৰিখে দিয়া হৈছিল আৰু তাৰ দুদিন পাছত ২৫-১-৭৮ তাৰিখে ডিৰেক্টৰ অব চাপ্লাইয়ে জয়পুৰৰ চল্ট কমিশনাৰলৈ চিঠি দিছে মই পঢ়ি দিব বিচাৰিছো।

From the Director of Supply Assam to the Salt Commissioner, Jaipur··· ·········I am directed to state that the Govt of Assam have allotted salt for the year, 1978. to the parties as shown in the programme enclosed, The programme has been drawn up for import of 1,15,500 tonns of salt (165 rakes on the basis of 700 tones per rake of 44 wagons) to Assam on priority basis for the year 1978. The names and other particulars of the parties entrusted to import of salt are shown in the enclosed programme. I would, therefore, request you kindly to take necessary steps for allotment and placement of wagons as expeditiously as possible" ·······

ইয়াত এটা লিষ্ট আছে, কাক কাক দিয়া হৈছে লিষ্টখন বৰ দীঘল নামী বেনামী কেইটামান ফাৰ্ম আছে গোটেইখিনি পঢ়ি দিম জানো? (ভইচ পঢ়ি দিয়ক) মই পঢ়ি দিছো।

M/S. Girdharimal Rajkumar. Gauhati, MIS. Rajiv Bhandar Gauhati, M/S. Shree Dhanuka Mills Gauhati, M/S Kanhaiyalal Rajendra Prasad Gauhati, M/S. G.L. Agarwala & Co. Gauhati M/S R, K, Trade agencies, Gauhati, M/S. Assam Store Bongaigoan. M/S. Oswal Trading, Gauhati, M/S Naveen Trading Co. Gauhati. M/S. Harlalka R. G. & C. o., Gauhati M/S Ratanchand Birdhichand. Gauhati, M/S. Mahalchand Rikhabchand, Gauhati, M/S. Rampal Agarwal Gauhati, M/S. Nanuram Memichand, M/S. Lachit Agency, Gauhati, M/S Sanjay Bhandar Nalbari etc., etc,

মোটামুটি হিচাবে বিশ্বস্তসূত্রে আমি এইটো খবৰ পাইছো যে মাত্র চাৰিজন ব্যৱসায়ীয়ে বিভিন্ন ফাৰ্মৰ নামত বেনামিভাৱে এই বিলাক পাৰ্মিট লৈছে। ইয়াৰ ভিতৰত মালচান্দ ৬২ ৰেক, হৰলালকা ৪০ ৰেক লোহিয়া ট্ৰেডাৰ্চ ১৪ ৰেক পৃথিৰাজ ১৫ ৰেক আৰু অন্যান্য ৩৪ বেক মুঠতে ১৬৫ ৰেক, । প্ৰত্যেক জিলাৰ ডেপুটি কমিচনাৰক এই নিমখবিলাক অনাৰ কাৰণে কনচাইনিং কৰা হৈছে। অৰ্থাত নিমখখিনি আহিব লাগে ডি, চি'ৰ নামত। এতিয়া প্ৰশ্ন হল এইখিনি নিমখ সচাঁকৈ অসমলৈ আহিছে নে নাই? আহিছে যদি সেইবিলাক কলৈ গল? কাৰণ সেই সময়খিনিত নিমখৰ দাম অতিৰিক্ত বৃদ্ধি হৈছিল কোনো কোনো ঠাইত কেজিত এটকা হৈছে আৰু কোনো কোনো ঠাইত কেজিত ডুটকালৈকে হল। কিন্তু ইমানবিলাক নিমখ কাৰ কাৰ নামত বিক্ৰি হল? ৰেলওৱেৰ ৰছিদ দেখুৱাইছে অৰ্থাত ৰেলওৱেত ব্লেক মাৰ্কেটিং হৈছে। এইদৰে অসমৰ নিমখ কলিকতা আদি বেলেগ বেলেগ ঠাইত গুচি গল বাটতে কিমানে নিছে কলৈ গৈছে তাৰ কোনো ঠিক নাই। ১৯ এপ্ৰিল তাৰিখে চাপ্লাই বিভাগৰ পৰা নিমখৰ ষ্টক দেখুৱাইছে যে কিছুমান নিমখ এতিয়াও আছে। তাৰ এটা হিচাবত দেখিছো সেইটো আচৰিত যে কোনো কোনো চক্ৰান্তকাৰীৰ লগত সংশ্লিষ্ট বিষয়া কেইজনমানেও জড়িত থকা বুলি সন্দেহ কৰিবলৈ যথেষ্ট থল আছে। নতুন যিটো ষ্টকৰ পজিচন দেখুৱাইছে সেইটো কেতিয়াও হব নোৱাৰে, কাৰণ ডেপুটি কমিচনাৰৰ নামত কিমান নিমখ সেই জিলাবিলাকলৈ যাব তাক আগতে নিৰ্দ্ধাৰিত কৰি ৰখা হৈছে'।

মাননীয় উপাধ্যক্ষ ঃ—অর্ডাৰ অৰ্ডাৰ। আজি আমি এই বিষয়টো শেষ কৰিব লাগিব কালিলৈ প্ৰাইভেট মেম্বাৰ্চ বিজিনেচ্ আছে। গতিকে যি কেইজনে কব তেখেতসকলে চমু কৰি কব কাৰণ মিনিষ্টাৰে' ৰিপ্লাই দিব লাগিব নহলে লেপ্চ হৈ যাব। গতিকে অলপ চুটি কৰি কওঁক।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ—এইটো যথেষ্ট দৰকাৰী কথা গতিকে চমুকৈ হলেও আলোচনা কৰিবলৈ দিয়ক।

শ্ৰীগিয়াচুদ্দিন আহমেদঃ— চৰকাৰৰ এই যোগান বিভাগে ২৯ এপ্ৰিল তাৰিখে দেখুৱাইছে যে গুৱাহাটীত ১০,৫৪১ বেগ, কোকৰাঝাৰত ১,২১৬ বেগ, মঙ্গলদৈত ১,৫০০ বেগ, নগাওঁত ৯৮৫ বেগ, ডিফুত ৪০৪ বেগ, হাফলঙত ২৩৭ বেগ, মৰিগাওঁত ৩০০ বেগ, শিৱসাগৰত ৬,৫০৪ বেগ, গোলাঘাটত ১,৩২৮ বেগ, শিলচৰত ২২,২৮৪ বেগ আৰু হাইলাকান্দিত ৬,৬৬৩ বেগ। ইয়াৰ ভিতৰত শিলচৰৰ কথাটো বিশেষ চাবলগীয়া। মই অৱশ্যে শিলচৰৰ মানুহবোৰে ইমান নিমখ খায় বুলি আগতে জনা নাছিলো। ইমান বিলাক নিমখ শিলচৰত দৰকাৰ আছিল নে? কৰিমগঞ্জৰ কথা ইয়াত উল্লেখেই নাই বোধকৰো একেবাৰে বাংলাদেশৰ. সীমাত থকাৰ কাৰণে। মোৰ অনুমান হয় শিলচৰত যদি ২২,২৮৪ বেগ দিছে তেতিয়াহলে কৰিমগঞ্জত তাতোকৈ অধিক বেছি হব বাংলাদেশলৈ চালান দিয়াৰ সুবিধাৰ বাবে সেইকাৰণেই তাৰ হিচাব ইয়াত দিয়া নাই কিজানি ধৰা পৰি যায়।

এতিয়া কথা হল শিলচৰৰ ডি,চি'ৰ নামত কিমান বেগ কনচাইনমেণ্ট দিয়া হৈছিল সেইটো অলপ হিচাব কৰাটো দৰকাৰ। কাৰণ প্ৰত্যেক জিলাৰ কাৰণে বেলেগে বেলেগে এলটমেণ্ট দিয়া আছিল। আৰু সংশ্লিষ্ট ডেপুটি কমিচনাৰ, শিলচৰত আছিল মাত্ৰ ১৩ ৰেক। যি নহওক যিখিনি নিমখ ইয়ালৈ আহিল সেইখিনিৰ চোৰাং কাৰবাৰ চলোৱাৰ চেষ্টা হৈছে। বিদেশলৈ চালান দিয়া হৈছে অসমৰ বস্তু অসমলৈ নাহি বেলেগলৈ গুচি গৈছে গতিকে এতিয়া ধৰিব কি? চৰকাৰে এলটমেণ্ট দিয়ে হয় কিন্তু সেই সকলোবিলাক বেলেগ ঠাইলৈ গুচি যায়। ইফালে কেন্দ্ৰীয় চৰকাৰে মুক্ত ব্যৱসায় নীতি ঘোষণা কৰি দিছে। গতিকে ব্যৱসায়ী এজনক যদি সোধে তুমি কিয় নিমখ আনিছা? উত্তৰত কব অসম চৰকাৰে নিমখ এলটমেণ্ট দিছে, আৰু যদি সোধে অসমৰ নিমখ কিয় মাদ্ৰাজ বা কলিকতাৰ বজাৰলৈ নিছে? তাৰ উত্তৰত কব কেন্দ্ৰীয় চৰকাৰে মুক্ত ব্যৱসায় নীতি কৰি দিছে। গতিকে অসম চৰকাৰে ধৰিব কোনফালে?

মই সংসদী মন্ত্ৰী মহোদয়ক ধন্যবাদ দিছোঁ কিন্তু কথা হল মই চোৰাং ব্যৱসায়ী

সকলক বক্তিগত ভাবে নিমখৰ ব্যৱসায় চলাই থাকিবলৈ দিয়া হৈছে কিয় ? যাৰ ফলত জনসাধাৰণৰ মাজত হাহাকাৰ সৃষ্টি হৈছে। আনফালে মুষ্টিমেয় কেইজনমানে লাখ লাখ কোটি টকাৰ মুনাফা পকেটত সোমোৱাই লৈছে। আজি ৰাতিপুৱা প্ৰশ্নোত্তৰৰ সময়ত আলোচনা হৈছিল যে দৰিদ্ৰ সীমাৰেখাৰ তলত কিমান মানুহ আছে ? শতকৰা ৭৫ জন মানুহে দৰিদ্ৰ সীমাৰেখাৰ তলত থাকি আজিএমুঠি ভাত খাবলৈ পোৱা নাই। তিনি দিনৰ মূৰতো যদি এমুঠিভাত খোৱা যায় তথাপিও নিমখ অলপমান লাগিবই। সেই নিমখৰ কাৰবাৰটোত আজি ব্যক্তিগত ব্যৱসায়ী কেইজনমানে লাখ লাখ কোটি কোটি টকা আত্মসাত কৰি আছে আৰু দৰিদ্ৰ শ্ৰেণীৰ লোকে অতিৰিক্ত দামত নিমখ খাবলৈ গৈ চৰম অৰ্থনৈতিক বিপৰ্যয়ৰ সন্মূখীন হৈছে।

তাৰ পিচত বস্তুৰ দাম কিছুদিনৰ কাৰণে অলপ নিম্নমুখী গতি ললে। সেই খবৰটো আমি বাহিৰৰ পৰা পোৱা নাই। আমি কামৰূপ চেম্বাৰ্চ অব কমাৰ্চৰ বুলেটিনৰ পৰা পাইছো। কামৰূপ চেম্বাৰ্চ অব কমাৰ্চে একোখন বুলেটিন উলিয়ায়। সেই মতে ১০-৩-৭৮ তাৰিখে মিঠাতেলৰ দাম প্ৰতিটিনত ১৫৫ টকা আৰু মচুৰ ডাইলৰ দাম তিনিশ পচপন্ন টকা, নিমখৰ দাম বাইশ টকা সাতাইশ পইচা। কিন্তু ১-৪-৭৮ তাৰিখে অলপ দাম কমিল। মিঠাতেল দাম প্ৰতি টিনত এশ পঞ্চাশ টকা হল. মচুৰ ডাইল তিনিশ পাচ টকা হল নিমখৰ দাম কিন্তু একেই থাকিল। ইয়াৰ পৰা বুজা গ'ল যে কামৰূপ চেম্বাৰ্চ অব কমাৰ্চৰ বুলেটিন মতে দাম ক্ৰমাগত তললৈ আহিল। ব্যৱসায়ী গোষ্ঠী আতংকিত হ'ল। কিবা এটা ব্যৱস্থা কৰাৰ কাৰণে যোগান বিভাগৰ কিছুমান কৰ্ম্মচাৰীৰ লগত কামৰূপ চেম্বাৰ্চ অব কমাৰ্চৰ প্ৰতিনিধি সকলে আলোচনাত বহিল। যোগান মন্ত্ৰী মহোদয়ে বোধকৰো নাজানে, জানিলে নিশ্চয় ব্যৱস্থা ললেহেতেন সেই মিটিং বহিল ২০-৪-৭৮ তাৰিখে বোধকৰো কামৰূপৰ ডি-চিৰ চেম্বাৰত। উপস্থিত থাকিল ডি-চি, যোগান বিভাগৰ ডিৰেক্টৰ, জইণ্ট ডিৰেক্টৰ সকল। উদ্দেশ্য মহৎ। ঘোষণা কৰি দিয়া হ'ল বাতৰি কাকতত যে মূল্য বৃদ্ধি ৰোধ কৰিবলৈকে এই বৈঠক আহুত হৈছে। ব্যৱসায়ীসকলে স্বেচ্ছাকৃতভাৱে কম দাম নিৰ্দ্ধাৰণ কৰিব। দাম নিৰ্দ্ধাৰণ কৰিলে মিঠাতেলৰ এশ আঠাৰন টকা, মচুৰ ডাইলৰ তিনিশ ত্ৰিশ টকা। নিমখৰ দাম তেইশ টকা পঞ্চল্লিশ পইচা। ইয়াৰ পিচত আৰু বুলেটিন প্ৰকাশ কৰা নাই। ব্যৱসায়ীসকলে চৰকাৰী

শাসন যন্ত্রৰ লগত ষড়যন্ত্র কৰি মূল্যৰ নিম্নমুখী গতি ৰোধ কৰিলে এই হ'ল কাহিনী। আৰু বহুত কথা আছে। অৱশ্যে চৰকাৰে নিমখৰ সম্পৰ্কত নতুন নীতি ঘোষণা কৰিছে। মিঠাতেল সম্পৰ্কে আলোচনা প্ৰশ্নোত্তৰ প্ৰসঙ্গত হৈছে। ষ্টেটফেডৰ ৰোমান্টিক কাহিনী আছে। পিচত কম। যোগান মন্ত্ৰী মহোদয়ে বোধকৰো পূৰণা ইতিহাস জানে। মাল্টিনেশ্যনেল কোম্পানী গডৰেজ কম্পোনীৰ লগত ষ্টেটফেডৰ গোপন কাহিনী শুনক। এক লাখ টিন মিঠাতেল কিনিলে সেই গডৰেজ কোম্পানীৰ পৰা। চিজলা মিঠাতেল। ধুনীয়া ছোৱালী এজনী ফটোৰে সৈতে Advertisement দিছে আৰু লিখিছে।

Now make this your favourite cooking medium-Sizola Pure Mustard Oil by Godrej at an economical price : Put life into your everyday cooking, with Sizola Pure Mustard Oil by Godrej. It costs much less than other leading brands. Your whole family will enjoy the delicious aroma of food cooked in Sizola, at a price you can easily afford. wholesome Healthy. Economical Godrej your guarantee of goodness. (The hon'ble member demonstrated a small bottle containing Sizola oil which was passed round in the House)

চিজলা মিঠাতেল হ'ল এইটো। যোগান মন্ত্ৰী মহোদয়ে ভাল বুলি কৈছে তেখেতে দেখি কৈছে নে নাই। আৰু খাইছেনে নাই মোৰ সন্দেহ।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী) :—খাইছো।

শ্ৰীগিয়াচুদ্দিন আহমেদ :—খাব পাৰে। যিখিনি তেল ৰাইজৰ মাজত বিতৰণ কৰিছে সেইখিনি চিজলা বুলিয়েই বিক্ৰী কৰিছে কি ভীষণ দুৰ্গন্ধময়। মাল্টি নেশ্যনেল কৰ্পোৰেচন বিলাকে আমাৰ দেশখনক অকল যে অৰ্থনৈতিক ভাবেই শোষন কৰিছে এনে নহয় জাতিটোক শাৰীৰিক ভাৱেও পঙ্গু কৰিছে তাৰ প্ৰমাণ এই চিজলা তেল। মোৰ হাতত এইটোৰ চেম্পল আছে।

(মাননীয় সদস্যই মিঠাতেল বটলসহ যোগান মন্ত্ৰী উপাধ্যক্ষ আৰু আন আন মাননীয় সদস্যলৈ প্ৰেৰণ কৰে।)

এই সম্পৰ্কে অগ্ৰদূত কাকতত চিঠি লিখিছিল কোনোবা এজনে। এই তেল সম্পৰ্কত শুনা যায় যে তিনি টকাৰ দামত যি মচুৰ ডাইল দিয়া হয় তাৰ লগত এই চিজলা তেল কিনিব লাগিব।

উপাধ্যক্ষ ঃ—এতিয়া ৪টা বাজি ৩০ মিনিট হৈছে, মন্ত্ৰী মহোদয়ক উত্তৰ দিওতে আৰু আধাঘণ্টা লাগিব আৰু দুই এজন সদস্যই হয়তো কব। এই বিষয়টো কালিলৈ ৰাখিব নোৱাৰি আজিয়ে শেষ কৰিব লাগিব কালিলৈ প্ৰাইভেট মেম্বাৰ বিজিনেচ আছে। গতিকে দেখা যায় সদন এক্সটেনচন কৰিব লাগিব, আপোনা-লোকক জনাই থলো।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ—চিজলা তেল তেজপুৰৰ কিছুমান ঠাইতো স্বাস্থ্য বিভাগৰ কিছুমান বিষয়াই চিজ কৰিছে এডালটেৰেড বুলি। এই তেলৰ দুৰৱস্থা দেখি ষ্টেটফেডে ২ হাজাৰ টিন মিঠাতেল ১৬১ টকা দামত কিনিলে। আমাৰ যোগান মন্ত্ৰীয়েও নিশ্চয় চিজলা তেল দেখিছে কিন্তু তাৰ লগত এই ভাল তেলখিনি মিহলি কৰিলে নে নাই তাৰ খবৰ ললে ভাল হয়। মচুৰ দাইল আহিব ধৰিছে। ৩ টকা দামত মচুৰ দাইল পাব আৰু এটকা চৰকাৰে চাবচিডি দিব। বেয়া নহয় বস্তুৰ দাম বাঢ়িছে দুখীয়া ৰাইজ চাবচিডি দিয়াটো সমৰ্থনযোগ্য কিন্তু মচুৰ দাইল সংগ্ৰহ কৰাৰ ভিতৰত যি ৰহস্য সোমাই আছে সেই সম্পৰ্কে অলপ জনা দৰ্কাৰ। ষ্টেটফেডে মচুৰ দাইল কিনিবলৈ এজেণ্ট দিলে এন চি চি এফক। এই এন চি চি এফে আকৌ ২ জন এজেণ্ট নিযুক্ত কৰিলে তেওঁলোক হ'ল পুৰুষোত্তম আৰু পৃথিৰাজ দুজন বিখ্যাত ব্যৱসায়ী। পৃথিৰাজ নামটো ঐতিহাসিক। অৱশ্যে এখেত সংযুক্তাৰ সয়ম্বৰ সভাৰ বিজয়ী পৃথিৰাজ নহয়। এখেত ঘেহুৰ বেপাৰৰ কেলেঙ্কাৰীত জড়িত হৈ কলা তালিকাত নামভৰ্ত্তিহোৱা পৃথিৰাজ। এখেতক প্ৰোকিউৰিং এজেণ্ট নিয়োগ কৰিলে। এওঁলোকে পাটনাৰ পৰা মচুৰ দাইল সংগ্ৰহ কৰিব কিন্তু কি কৰিলে। গুৱাহাটীৰ বজাৰত সেইসময়ত মচুৰ দাইলৰ দাম ৩৭৬ টকা তেওঁলোকে গুৱাহাটীৰ বজাৰত সকলো মচুৰ দাইল কিনিলে কিন্তু কেচ মেমো আনিলে ৪ টকাৰ কাৰণ এটকা চাবচিডি লব লাগিব। সেই সময়ত কিন্তু গুৱাহাটীৰ বজাৰত দাইলৰ দাম ৩৭৬ কিন্তু যিহেতু এটকা দুখীয়া ৰাইজে চাবচিডি পাব গতিকে

কেচমেমো আনিলে ৪ টকাৰ। গুৱাহাটীৰ মুকলি বজাৰত দাইল সংগ্ৰহ কৰি কলে পাটনাৰ দাইল যিহেতু বেপাৰী বিলাকে পাটনাৰ পৰা দালি আনে। এই ধৰনৰ কাৰবাৰ চলিছে মচুৰ দাইলৰ ক্ষেত্ৰত। বস্তুৰ দাম কমা নাই সিদিনা বাতৰি কাকততো ওলাইছে প্ৰাইচ ইনদেক্স ওপৰলৈ গৈছে।. তাৰ পিচত আমাৰ চাউলৰ নাটনি হৈছে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আমি আবেদন কৰিব লাগিব আৰু হয়তো কেন্দ্ৰীয় চৰকাৰে সহাৰি দিব। কিন্তু আমাৰ ষ্টেটফেডে কি কৰিলে ? মে মাহত গুৱাহাটীৰ দেওৰা ট্ৰেডিং কোম্পানীক ১৩৭ টকা দামত ১০ হাজাৰ কুইন্টল চাউল ৰিক্ৰী কৰিলে অথচ সেই সময়ত চাউলৰ বজাৰ দাম আছিল ১৫০-১৮০ টকা। নিবিদা আহ্বান নকৰিলে। পিচত কোনোবাই হয়তো কৈ দিলে কথাটো বেয়া হব তেতিয়া নিবিদা আহ্বান কৰিছে। বিজ্ঞাপন দিলে ... .

Assam State Coop. Marketing Consumers' Federation Ltd, Gauhati. Notice for sale of Rice-Quotation from licence holders of the State are invited for sale of following quantities of rice lying at Gauhati to reach the undersigned on or before 12 noon of 27.5.78. The quotations will be opened on the same date at 3 P.M.

1. Bao ushna rice—107 qtls.
2. Ahu ushna rice—534 ,,
3. Sali ushna rice—762 ,,
4. Lahi ushna rice | 166 ,,
5. I.R.8 ushna rice—71 ,,
6. Long bold arua—83 ,,
7. Dhepa Arua rice—89 ,,

কোটেচন কল কৰিলে ২৭ তাৰিখে সিদিনাই খুলিছে। এইবিলাক নতুন কথা নহয় চলিয়ে থাকে আমাৰ যোগান মন্ত্ৰীয়ে জানে।

আমাৰ ধুবুৰীত এটা নতুন কেলেংকাৰী হৈছে। তাত বৰ্ডাৰত থাকেতো হবই। লুধিয়ানাৰ চাউল। বাতৰি কাকততো ওলাইছে ধুবুৰীৰ পৰা এখন বাতৰি কাকত ওলায় তাত লিখিছে "কিৰ্চ্ছা গায়েবি চাউলকা" লুধিয়ানাৰ পৰা চাউল আনিছে ভাল চাউল, কি যে তাত চক্ৰান্ত চলিছে। লুধিয়ানা চাউল গোটেই উদ্বাস্তু ৰাইজে নাপালে যোগান মন্ত্ৰী মোৰ ব্যক্তিগত বন্ধু তেখেতৰ সদিচ্ছা আছে বুলি মই বিশ্বাস কৰিব খুজিছো। এই চক্ৰান্তকিলাক ৩১ বছৰে চলিল আজিও চলি আছে। জনতা চৰকাৰৰ সম্পূৰ্ণ কৃতিত্ব নিৰ্ভৰ কৰিব এই চক্ৰান্তবিলাক নাইকীয়া কৰাৰ ওপৰত।

(বাকী বিলাক সদস্যই মেজত ঢকিয়াই)

ষ্টেটফেড, এই ষ্টেটফেডৰ আগতে আছিল আসাম ষ্টেট এপেক্স মাৰ্কেটিং চোচাইটি। সেইটো মৰি এতিয়া ভূত হৈ গৈছে আৰু মাৰ্কেটিং চোচাইটিৰ প্ৰেতাত্মা ষ্টেটফেড নাম ধাৰণ কৰি পূৰ্নজন্ম গ্ৰহণ কৰিছে। আমি জানো এপেক্স মাৰ্কেটিংঅৰ কেলেংকাৰিত পড়িহে এজন মন্ত্ৰীয়ে পদত্যাগ কৰিব লগীয়া হৈছিল। সেই সময়ত এতিয়াৰ যোগান মন্ত্ৰীৰ লগত একেলগ হৈ আমি যুদ্ধ দিব লগা হৈছিল। সেই মাৰ্কেটিং চোচাইটি এতিয়া নাই। আমাৰ হিন্দু শাস্ত্ৰত এটা কথা আছে যে মানুহ মৰিলে পুণৰ জন্মগ্ৰহণ কৰে। এইদৰেই মাৰ্কেটিং চোচাইটি মৰিল আৰু ষ্টেটফেড নাম লৈ পুণৰ জন্ম গ্ৰহণ কৰি অসমৰ অৰ্থনৈতিক ক্ষেত্ৰত নতুন বিভীষিকাৰ সৃষ্টি কৰিছে। গতিকে মই আমাৰ মন্ত্ৰী আৰু মোৰ ব্যক্তিগত বন্ধু লৈ অনুৰোধ জনাও ইয়াত যিটো চক্ৰ সোমাই পৰিছে সেইটো ভাঙি দিয়াৰ কাৰণে আপ্ৰাণ চেষ্টা কৰক, আমি তেখেতৰ লগত সহযোগ কৰিম।

ধন্যবাদ।

শ্ৰীযোগেন গগৈ ঃ—উপাধ্যক্ষ মহোদয়, মোৰ কব লগা আছে বাবেই মই নটিচ দিছো, মই কি কওঁ আপোনালোকে শুনক।

উপাধ্যক্ষ মহোদয়, মই বিশেষ সমালোচনাৰ কাৰণে বক্তৃতা দিবলৈ উঠা নাই। কিন্তু মই সদনৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যাতে গৰীব মানুহ খিনিক বুজিব পাৰে। লগতে মই মন্ত্ৰী জনাৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে ভৱিষ্যতে এনে ধৰণৰ অসুবিধা নহয়। মূল্য বৃদ্ধি এটা ডাঙৰ সমস্যা, মূল্য বৃদ্ধি হৈয়েই আছে, কাহানিও

কমা নাই। কিন্তু গাৱঁৰ, দুখীয়া শ্ৰমজীৱি, মেহনতি মানুহখিনিৰ কাৰণে মূল্য বৃদ্ধিত হস্তক্ষেপ কৰাৰ প্ৰয়োজন বোধ কৰিছো। মূল্য বৃদ্ধি যে হৈছে তাৰ প্ৰমাণ ১৯৬৯-৭০ চনত ইকনমিক টাইমচ ইন্দেক্স মতে গত ২২ জুনৰ মূল্যসূচীমতে ৰাইচ ১৯৫.৬, হুইট-১৩৫.৬, গ্ৰাউননাট অইল–১৫৭.৫, চুগাৰ ১৫১.৬, গুৰ-১২৫.৪, কটন–১৮১.৯, ৰ' জুট-১০৪.৫, কটনৰ্অান-২২৬.৩, পালচেচ-২৬৮.২ ভিজিটেবেল অইল-১৭৩.৫, স্পাইচেচ-১৯৫.০। এইভাগে দাম বাঢ়ি যোৱাৰ ফলত এচাম মানুহৰ জীৱনলৈ দুৰ্বহ বোজা জাপি দিয়া হৈছে। মই সেই কাৰণে গুৰুত্ব সহকাৰে হস্তক্ষেপ কৰাৰ কথা ভাবো। পশ্চিমবঙ্গ চৰকাৰে যোৱা এক অক্টোবৰৰ পৰা নিত্য প্ৰয়োজনীয় বস্তুৰ মূল্য নিয়ন্ত্ৰণৰ মাজেদি যোগান নিগমৰ যোগে জনসাধাৰণক দিয়াৰ দায়িত্ব গ্ৰহণ কৰিছে। গতিকে আমাৰ ক্ষেত্ৰতো চৰকাৰে দৃষ্টি ৰখা প্ৰয়োজন।

মই কব খুজিছো যে আগতে সমবায়ৰ প্ৰতি জনসাধাৰণৰ আশাৰ সঞ্চাৰ হৈছিল। সেয়েহে সমবায়ত আপ্লুত হৈ সমবায়ৰ অংশ লৈছিল। আৰু উখল-মাখল লগাই নিৰ্বাচনৰ কাৰণে দুৰাতি খাপিবলৈও নিৰ্ব্বাচনৰ নিৰ্দিষ্ট স্থানলৈ গৈছিল। সেই সমবায়ৰ দায়িত্ব আছিল উতপাদন, সংগ্ৰহ আৰু বিতৰণ কৰা। কিন্তু যেতিয়া কেন্দ্ৰত মহোদয়, মুক্ত ব্যৱস্থাৰ নীতি ৰচনা কৰিলে তেতিয়া সমবায় মোলান পৰিল। সমবায়ৰ প্ৰতি বৰ্ত্তমান জনসাধাৰণ আকৃষ্ট নোহোৱা হল। ফলত সমবায়লৈ এনে এটা ফাঁক আহিছে যাৰ ফলত মূলতঃ শতকৰা ৭৫ভাগ সমবায় দুৰ্নীতিগ্ৰস্ত হৈ পৰিল। শিৱসাগৰ মহকুমাত দেখিছো ৩০ হেজাৰ টকা পৰ্য্যন্ত আত্মসাত কৰাৰ চেহেৰা আছে। এইদৰে এচাম ন্যস্ত স্বাৰ্থ জড়িত মানুহে সমবায়ৰ টকা মৰা কথাটো তদন্ত কৰি শাস্তিমূলক ব্যৱস্থা কৰাৰ প্ৰয়োজন। আমি সমবায়ৰ জড়িয়তে যিবিলাক স্বত্ব বিচাৰিছো সেই বিলাক পোৱা নাই, ইয়াৰ যোগেদি এচাম মধ্যবিত্ত ভোগী মানুহে একচেতীয়া ব্যৱসায় কৰি সাধাৰণ মানুহক দুৰৱস্থাত পেলাব বিচাৰিছে আনহাতে, এচাম চোৰাং কাৰবাৰীয়ে কৃতিম অনাতনৰ সৃষ্টি কৰি জনসাধাৰণক হাৰাশাস্তি কৰিছে। এফালে মেঘে ঘিটিং কৰিলেই সিফালে বজাৰত বস্তুৰ দাম বাঢ়ে। বানপানী হলে, খৰাং হলে ই চোৰাং বেপাৰীয়ে বস্তুৰ নাটনি কৰি কৃতিম অনাতনৰ সৃষ্টি কৰে। এই চাম লোকে চাই থাকে কোন মূহুৰ্ত্তত, সুবিধা লৈ ধন-দৌলত বঢ়াব পৰা যায়। যোৱা বছৰ সৰিয়হৰ উৎপাদম কম হোৱা নাছিল, বেছি হোৱা স্বত্বেও কিয় তেলৰ দাম বাঢ়িল ? কিন্তু সৰিয়হ যেতিয়া

সংগ্ৰহ হয় তেতিয়া সৰিয়হৰ দাম কমে আৰু তেলৰ দামো কম হয় কাৰণ পূজিপতিৰ হাতলৈ যেতিয়া যায় তেতিয়া দাম বাঢ়ে। এই অৱস্থা হৈছে। তাৰ প্ৰমাণ স্বৰূপে যোৱা বাৰ কুইণ্টলত ৭৭ টকা আছিল ধানৰ দাম। কিন্তু গাৱঁৰ মানুহে এতিয়া ৪৫ টকা মান দৰত কিনি খাব লগা হৈছিল। এইদৰে সমবায়ে ধানবোৰ লৈ গৈছিল আনকি আমিও কৈছিলো সমবায়ক ধান দিয়া বুলি আৰু চাউল সস্তাত পাবা বুলি। কিন্তু মানুহখিনিক বিশ্বাসঘাতকতা কৰিলে কাৰবাৰ হাতলৈ ইয়াৰ মুনাফা গল। আনহাতে ঘেহুৰ উৎপাদনৰ ক্ষেত্ৰত চিদ কৰপৰেশানে ঋণ দিয়াৰ ব্যতিক্ৰমৰ আৰু চৰকাৰী দুৰ্ব্বল নীতিৰ কাৰণত জনসাধাৰণ হতাশ হৈছে। গাৰ ঘাম মাটিত পেলাই শ্ৰম কৰা লোকসকলে খাটনি খাটি খোৱা মানুহখিনিয়ে ইয়াৰ মূল্য পাব লাগিছিল। উচিত মূল্য নোপোৱাৰ ফলত মানুহৰ মনত এই ঘেহু খেতিৰ প্ৰতিও উৎসাহ নজন্মা হল।

গতিকে এই সমস্যা বিলাকৰ মাজেৰে আমি আহিছো। গতিকে মই কব খুজিছো এই দাম নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত চৰকাৰ নিৰ্ব্বিকাৰ হৈ আছে। চৰকাৰ একেবাৰে নিৰ্ব্বিকাৰ হৈ আছে। চৰকাৰ নীৰৱ দৰ্শক হিচাবে ৰৈ আছে। কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা বিভিন্ন নীতি অবলম্বন কৰিছে বুলি ঘোষণা কৰিছে। চেম্বাৰ্চ অব কমাৰ্চৰ শ্ৰীকে. কে গোৱেলে প্ৰডাকচন কাম ডিষ্ট্ৰিবিউচন স্কিমৰ কথা কৈছে। ঘোষণা কৰিছে হয়, প্ৰচাৰ কৰিছে হয় কিন্তু কেবিনেটত আজিলৈ এপ্ৰভেল হোৱা নাই। দুই হাজাৰ কনজিউমাৰ ফেয়াৰ প্ৰাইচ চপৰ যোগেদি নিত্য প্ৰয়োজনীয় বস্তু দিয়া হব বুলি কৈছে। বাস্তব ক্ষেত্ৰত এম্পটি এৰ্কচন। শ্ৰীমোৰাৰজী দেশাইয়ে বস্তুৰ দাম কমাইছে বুলি চিঞৰ বাখৰ কৰিছে। উদ্যোগ পতিক অনুৰোধ জনাইছে, কৰ যোৰ কৰিছে, কেতিয়াবা ভাবুকি দিছে কঠোৰ হাতে দমন কৰিব। কিন্তু এম্পটি একচন, লাভবান হোৱা নাই। এই ক্ষেত্ৰত আমি চাব লাগিব ভাৰত বৰ্ষত সামন্তবাদী শক্তিৰ অংশ বিশেষ আছে, সাম্ৰাজ্যবাদীৰ অংশ বিশেষ আছে, বিদেশী শক্তিত প্ৰতিক্ৰিয়াশীল সমৰ্থনকাৰীৰ অংশ বিশেষ আমাৰ দেশত আছে। এই সমস্ত ন্যস্ত স্বাৰ্থবাদী, সুবিধাবাদী, প্ৰতিক্ৰিয়াশীল শক্তি একগোট হৈ আমাৰ এই চৰকাৰৰ লগত সমান্তৰাল গতিত চৰকাৰ চলাইছে, কলা টকা ব্যৱহাৰ কৰা হৈছে। চৰকাৰক ব্যৰ্থতাত উপনীত কৰাইছে। এই কলা টকা উদ্ধাৰ কৰিবলৈ সমৰ্থবান হব নোৱাৰিলে, গতিকে অৰাজকতাই দেখা দিছে। যদি এই সামাজিক ব্যৱস্থাৰ পৰিবৰ্ত্তন নহয়, চচিয়েলিষ্ট

পদ্ধতিৰ পৰিবৰ্ত্তন নহয়, আৰু একচেটীয়া ব্যৱসায়ী, পুজিপতি সমস্তক দায়িত্ব অৰ্পণ কৰা যায় তেন্তে সেই খন দেশত মূল্য বৃদ্ধিয়ে দেখা দিব। সেইখন দেশৰ গৰীব মানুহৰ যাতনা চলিব, সেইখন দেশৰ সাধাৰণ মানুহ জীয়াই থকাৰ প্ৰাচুৰ্য্য নাপাব। সেই কাৰণে মই কব খুজিছো অন্তত যোগান মন্ত্ৰীজনৰ সৎ সাহস আছে বুলি ভাবো, তেখেতে অসমৰ ভোকাতুৰ জনগণক এমুঠি খুৱাবৰ কাৰণে বলিষ্ঠ পদক্ষেপ লব বুলি আশা কৰিছো। তেখেতৰ গাত জোৰ আছে, নিত্য প্ৰয়োজনীয় বস্তু খিনি দিয়াৰ কাৰণে বিশেষ যত্ন সহকাৰে চাব। সেই কাৰণে মই ষ্টেটফেডৰ সম্পৰ্কত দুটামান কথা কব খুজিছো। আমাৰ আগতে যি অসম এপেক্স মাৰ্কেটিং চচাইটি আছিল তাকে অলপ পুনৰগঠন কৰি, মানুহ কেইজনমান নিয়োগ কৰি "ষ্টেটফেড" কৰিছে। ইয়াত চেয়াৰমেন নিযুক্ত কৰিছে, মেনেজিং ডিৰেক্টৰ নিযুক্ত কৰিছে, আচলতে সমবায়েই হৈ আছে। নামটো হৈছে ষ্টেটফেড, আচলতেই "অসম এপেক্স মাৰ্কেটিং"ৰ ভিতৰৰে। আজি বহু বছৰ হল এই ষ্টেটফেডৰ হিচাব-নিকাচ হোৱা নাই, অডিট হোৱা নাই। বাই-লত অডিটৰ কথা থকা সত্বেও হিচাব পৰীক্ষা হোৱা নাই। এই টকা এই ধৰণে হাঁহে খাইচে, মানুহে খাইছে যেন তাৰ কোনো অধিকাৰী নাই, এই ধৰণৰ ঘটনা ঘটি আছে আজি পৰ্য্যন্ত ৬-৭ বছৰ হল চৰকাৰৰ ফালৰ পৰা গুৰুত্ব উপলব্ধি কৰা নাই, তত্বাৱধান লোৱা হোৱা নাই। কিমান টকা নিয়োজিত কৰা হৈছে— কিমান টকা লোকচান হৈছে, কোনে কোনে খাইছে, কোনে লৈছে, কোনে ঘৰ বনাইছে তাৰ ঠিকনা নাই। টকা খোৱাত কোনো বাধা নাই। লাখ লাখ টকা লোকচান হৈছে, তাৰ তদন্তৰ প্ৰয়োজন। এনে অনুমান হয় যেন চৰকাৰৰ দায়িত্ব নাই, সমবায়ৰ দায়িত্ব নাই, এই বিলাক ঘটনা ঘটিছে। নিজ ইচ্ছামতে টকা খাব পাৰে। এপেক্স মাৰ্কেটিংৰ এনে দুৰ্নীতিৰ কাৰণে আগতে শ্ৰীলক্ষ্মী প্ৰসাদ গোস্বামী মন্ত্ৰী পদৰ পৰা যাব লগা হৈছে, এই বিষয়ত শ্ৰী গয়াচুদ্দিন আহমেদে কৈছে।

এপেক্স মাৰ্কেটিংৰ পৰা ষ্টেটফেডে দায়িত্ব মাত্ৰ তিনি বছৰৰ বাবে লৈছিল। অহা নবেম্বৰ ডিচেম্বৰৰ ভিতৰত ম্যাদ শেষ হব। ইয়াৰ পিচত থাকিব নে নাই, যদি নাথাকে চৰকাৰৰ কোটি কোটি টকা কি হব তাৰ কোনো নিশ্চয়তাৰ কথা কব নোৱাৰে। যদি নাথাকে এই ধনৰ অপচয় হব, টকা নাপাব-কোনে খাব? ম্যাদ শেষ হবৰ হল টকা উদ্ধাৰ যাতে হয় তাৰ প্ৰতি লক্ষ্য কৰা প্ৰয়োজন। সেয়ে

বৰ্ত্তমানৰ মূলধন আৰু অংশীদাৰৰ মূলধন লৈ কিমান টকা গ্ৰহণ কৰা হৈছে সেই সকলো বিলাকৰ বিশেষ তদন্ত কৰিবৰ বাবে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। চ'চৰ পৰা (Sou'ce) ষ্টেটফেডে নিত্যপ্ৰয়োজনীয় বস্তু দাইল আদি কিনিব লাগে । মচুৰ দাইলো নিত্যপ্ৰয়োজনীয় বস্তুৰ অংশ বিশেষ। এতেকে মচুৰ দাইল চ'চত কিনিব লাগে। কিন্তু দেখা যায় মচুৰ দাইল চ'চত নিকিনি বেলেগে বেলেগে কিনা হৈছে। আচলতে এন, চি, চি এফৰ যোগেদি কিনিব লাগে । ইতিমধ্যে হাজাৰ হাজাৰ বস্তা দাইল, মিঠাতেলৰ টিন গুৱাহাটীত কিনিছে। এইটো হলে-স্থানীয় বজাৰত কিনিলে মুকলি বজাৰত বস্তুৰ দাম বাঢ়িব খাটাং। আভ্যন্তৰীন ক্ষেত্ৰত সৃষ্টি হোৱা পৰিস্থিতি হল এন, চি, চি এফই ৰাজীৱ ভাণ্ডাৰৰ মালিক পৃথিৰাজৰ দ্বাৰা (যাৰ নাম ব্লেকলিষ্টেড আছে) তেওঁৰ পৰা এই সামগ্ৰী দামত কিনিছে আৰু ষ্টেটফেডক দিছে। মই জনাব খুজিছো যে ২৭-২৮-২৯ মেই তেনেকৈ মচুৰ দাইল সংগ্ৰহ কৰিছে। সেই সময়ত ৩৫৬-৩৭৬ টকা কুইন্টলত দাম আছিল। কিন্তু এই পৃথিৰাজে এন, চি, চি, এফক দিছে ৩৯০ টকা কুইন্টলত আৰু এন, চি, চি, এফএ ষ্টেটফেডক দিছে ৪১০ টকা কুইন্টলত। স্থানীয় ভাবে ইমান দাম কেনেকৈ লব পাৰে, ৰাজহুৱা ধন কেনেকৈ অপচয় হৈছে তাত কোন সহযোগী আছে মন্ত্ৰী মহোদয়ে তাৰ খবৰ লওক। মই কব খুজিছো জাতীয় সমীক্ষা মতে নগৰ অঞ্চলত প্ৰতি দিনে ৪৫৯ কুইন্টল দাইল মানুহে খায় আৰু গাওঁ অঞ্চলত ৩,১৫৫ কুইন্টল দাইল খায়। সদৌ অসমত ৩,৬১৪ কুইন্টল দাইল প্ৰতি দিনে মানুহে খায়। ষ্টেটফেডে ২৩০ খন দোকান খুলিছে তাত এইবোৰ মাল দিব। ৩৭৬ টকাৰ দাইল ৪১০ টকাত কিনি ৩০০ টকাত দি ১০০ টকা চাবচিদাইজদ ৰেটত দিয়া হৈছে। প্ৰতি দিনে কুইন্টলত ষ্টেটফেডৰ ১১০ টকাকৈ ৩,৬১৪ কুইন্টলত কিমান লাখ টকাৰ ৰাজহুৱা ধন অপচয় হৈছে ভাবি চাওক। সদৌ শেষত কব খুজিছো যে বিক্ৰি কেন্দ্ৰ বিলাকত প্ৰতি লিটাৰ চিজলা মিঠাতেলত ৮'৫০ পইচাৰ বিক্ৰি কৰিবলৈ দিয়া হৈছে। মিঠাতেল নিয়াত আপত্তি নাই, কিন্তু তাৰ গন্ধ আছে, উপায় নাই। তেলৰ যিটো গন্ধ আছে তথাপিতো নিবই লাগিব। বাধ্যবাধকতা আছে। তেলৰ লগত দাইল নিব লাগিব, নিনিলে নহব। যদি তেল নলয় তেন্তে দাইল নিদিয়ে। গাতকে এইটো আমি চাব লাগিব বেয়া তেল নিয়াৰ কিয় বাধ্যবাধকতা কৰা হৈছে। চিজলা তেলৰ চেম্পুল যদি চাব বিচাৰে তেন্তে এটিন তেল আনি সদনত এইমাত্ৰ খুলিলে সকলোৰে গন্ধত নাক

কুচাই লৰ মাৰিব লাগিব। শ্ৰীগিয়াচুদ্দিন আহমেদে মাননীয় সদস্য সকলক খাবলৈ এবটল দিছিল নাক কুচাই দিব লগা অৱস্থা বেয়া গন্ধত থাকিব নোৱাৰিব। আজি এই ধৰণৰ বেপাৰ চলিছে। এই তেল খোৱাৰ ফলত পেটৰ, পিত্তৰ বেমাৰ হৈছে আৰু সৰু সৰু লৰাছোৱালীৰ পলিঅ একাঙ্গী, ধনুষ্টংকাৰ বেমাৰ হৈছে। এই তেল খোৱাৰ পৰা মানুহৰ আয়ুস কমিছে। এই কথাটো কিয় হৈছে তাৰ প্ৰতি লক্ষ্য কৰাৰ প্ৰয়োজন আছে। তেল নিনিলে নহব, নহলে দাইল নিদিয়ে এই জবৰদস্তি পদ্ধতিটো বেয়া। বন্ধ কৰিব লাগে। ষ্টেটফেডৰ নামত দুৰ্নীতিগ্ৰস্ত হোৱা কথাখিনিৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তৃতা শেষ কৰিলো।

* শ্ৰীনুৰুল হুদা :— উপাধ্যক্ষ মহোদয়, আজ এই মূল্যবান আলোচনার সূত্রপাত করে মাননীয় সদস্য শ্রীগিয়াচুদ্দিন সাহেব যে অভিযোগ উৎথাপন করেছেন সেটা একটা অত্যন্ত সিরিয়াস অভিযোগ। কামরূপের ডি সি, সাপ্লাই বিভাগের ডিরেক্টর এবং অন্যান্য কয়েকজন উচ্চ পদস্থ কর্ম্মচারীর বিরুদ্ধে তিনি আজ এই সদনে যে সব কথার অবতারনা করেছেন, আমি মনে করি এখনই এই ব্যপারে একটা তদন্ত হওয়া দরকার। তাছাড়া এই জনতা সরকার এই রাজ্যে গঠিত হওয়ার মাত্র এক দেড় মাস হয়েছে এবং গত এপ্রিল মাসেই এই ঘটনা ঘটছে। তারা এই গৌহাটী শহরে বসে জনতা সরকারের সমস্ত মন্ত্রী মণ্ডলীর সামনেই যে বস্তুগুলির দাম কমেছিল, সে সরষের তৈলও হোক, আর ডালই হোক কিংবা অন্য যে কোন জিনিষই হোক— এই গুলি জিনিষের দাম বাড়িয়ে দিয়েছে। অথচ এগুলির দাম বেশ কমে এসেছিল। সেটা কি ভাবে সম্ভব হলো ? মহোদয়, আমি সময় নষ্ট করব না। কেবল এই টুকুই বোলতে চাই যে যতদিন পর্যন্ত এই নীতি চলতে থাকবে যে ডি সি কিংবা সরকারী কর্ম্মচারীরা ব্যবসায়ীদের সঙ্গে বসে আলাপ আলোচনার মাধ্যমে জিনিষ পত্রের দাম কমবে কি কমবে না এই নীতি নির্দ্ধারন করবেন ততদিন পর্যন্ত নিত্যপ্রয়োজনীয় জিনিষপত্রের দাম কমতে পারে না।

উপাধ্যক্ষ মহোদয়, কেন্দ্রে জনতা সরকার প্রতিষ্ঠিত হয়েছে— আজ ১৫ মাস হলো। কিন্তু এ ১৫ মাসের মধ্যে ভারতবর্ষের অর্থনীতির কোনরকম মৌলিক পরিবর্ত্তন ঘটানোর কোন প্রশ্ন উঠে না। কিন্তু এই পূজিতান্ত্রিক কাঠামোর মধ্যে যদি চলতে হয়, তাহলে তিনি শ্রীতুলাল বরুয়াই হোন বা অন্য কোন মন্ত্রী

হোন এবং তার যতই সদিচ্ছা থাকুক না কেন— জিনিসপত্রের মূল্য এতে কমতে পারে না। হোলসেল ট্রেডের উপর সরকারের নিয়ন্ত্রণ যদি না থাকে এবং যে সমস্ত প্রতিষ্ঠানের নাম শ্রীগিয়াসুদ্দিন সাহেব উল্লেখ করেছেন, যেমন ষ্টেটফেড ইত্যাদি। এদের দয়ার উপর, মর্জির উপর যদি সরকারের সাপ্লাই ডিপার্টমেণ্ট চলে, তাহলে আগামী এক-ডেড় বৎসর এই একই আলোচনার পূনরাবৃত্তি চলতে থাকবে। এই ব্যাপারে আমি মন্ত্রী মহোদয়কে সতর্ক করে রাখছি।

মহোদয়, আমি একথা বলে আমার বক্তব্য শেষ করতে চাই যে এইযে যড়যন্ত্র চলছে এসব কথা মন্ত্রী মহোদয় জানেন কি এবং যে ভাবে জিনিষ পত্রের দাম বাড়ার কথা এখানে বলা হয়েছে— তার কি যুক্তি তিনি এখানে দেখাতে পারেন? তাছাড়া যে সমস্ত উচ্চপদস্থ অফিসার, অর্থাৎ ডি, সি, কামরূপ ডিরেক্টর অব সাপ্লাই এবং অন্যান্য যে সব অফিসার এই ষড়যন্ত্রে যুক্ত ছিলেন তাদের বিরুদ্ধে কি শাস্তি মূলক ব্যবস্থা গ্রহণ করবেন— একথা আমি মন্ত্রী মহোদয়ের নিকট থেকে স্পষ্টভাবে জানতে চাই।

* **Shri Fakrul Islam** :— Sir, I want to make a few observations and I will be short so that I do not take much of the valuable time of the House, at the fag end of the day. I would like to put forward my observations in the following way: The STATTED has been entrusted with the work of wholesale trade which is a creation of the Congress Govt. which has resulted into a total loss of Rs. 1 crore. We have to-day reached to almost starvation level and even then we are to pay this Rs. 1 crore. Sir, my suggestion would be that there should be an element of executive accountability in all such public unbertakings, whether in the Co-operative sector or in other Sector. In Russia, I have known as a student of economic planning accountability is being undertaken gradually in all spheres of Govt. activities. Because

* Speech not corrected

the officers who are entrusted with such works are only interested to get their pay and allowances only ignoring the interest of the organisation and therefore, to bring them to book such an action has been initiated. We are here exhausting our resources but yielding no benefit. In our budget we have voted crores of rupees for the co-operative sector and if account is taken for the last 5 years, it will be seen that hundreds and lakhs of rupees have been spent, but no audit was done. I understand the audit and accounts staff is inadequate to cope with the works and for that, for years together no audit was done. There are many Co-operatives where no audit was done for the last 5 years. Therefore, in this way the resources of the State should not be thrown into the drains without any check by the authority. Sir, to stabilise the prices of food grains and essential commodities the business organisation may be set up, but it should be made a point that the persons entrusted with these works should be accountable to the Govt. and to the public for their misdeeds.

The persons who are entrusted with the job, they must be accountable for the loss of public money. Audit should be made compulsory so that every year the accounts of the persons concerned are audited so that people's money does not go to the drain and we the tax payers are not over-burdened with the loss of money. With these words I concludde my speech.

* শ্ৰীহুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন আহমেদ ডাঙৰীয়া, শ্ৰীযোগেন গগৈ, শ্ৰীনৰুল হুদা ডাঙৰীয়া, আৰু শ্ৰীফকৰুল ইছলাম ডাঙৰীয়াক মই ধন্যবাদ দিছোঁ। এই আলোচনাটো বেছ সময়োপযোগী হৈছে। কাৰণ আমাৰ চৰকাৰে কাৰ্য্যভাৰ হাতত লৈছে আৰু ইতিমধ্যেই খাদ্য বা অন্যান্য ক্ষেত্ৰত নীতি

নিৰ্দ্ধাৰণ কৰি কাৰ্য্যকৰী ব্যৱস্থা লবলৈ প্ৰচেষ্টা হাতত লৈছে। এই ক্ষেত্ৰত আমাৰ মাননীয় সদস্য সকলে খুট-নাটি বিলাক আঙুলিয়াই দিয়াটো আমাৰ চৰকাৰৰ কাৰণে আৰু দেশৰ ৰাইজৰ কাৰণে সচাকৈয়ে মঙ্গলজনক কথা হৈছে। আলোচনাৰ পাতনি মেলি মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন আহমেদ ডাঙৰীয়াই কেইটামান বিশেষ কথা আলোচনা কৰিছে। সেইখিনিলৈ অহাৰ আগতে মই দুটামান কথা সদনত জনাব খুজিছোঁ। প্ৰথম কথা হল যে, আমি বিধান সভা• আলোচনা বিলোচনা কৰি আচঁনি গ্ৰহণ কৰো। কিন্তু কাৰ্য্যকৰী ব্যৱস্থা হাতত লৈ ৰাইজৰ উপকাৰ কৰিব নোৱাৰোঁ। ইয়াৰ কাৰণ বিলাক বিশ্লেষণ কৰি চাব লাগিব। বিশ্লেষণ কৰি বাস্তৱ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। খাদ্যৰ নাটনিৰ সম্পৰ্কত গোটেই সমষ্ট খাদ্য দ্ৰব্যৰ ওপৰত মূল্য নিৰ্দ্ধাৰণ কৰিব লগীয়া হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকেও জানে যে, আমি যেতিয়া কটন কলেজত পঢ়ি আছিলো তেতিয়া আমাৰ মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন ডাঙৰীয়াও আমাৰ সহপাঠী আছিল। সেই সময়ত বস্তুৰ অভাৱ আমি দেখিবলৈ পোৱা নাছিলো। কিন্তু জনসংখ্যা বঢ়াৰ লগে লগে খাদ্য দ্ৰব্যৰ নাটনি হৈছে। জনসংখ্যা বৃদ্ধিৰ যিটো পৰিসংখ্যা দেখা গৈছে তাৰপৰাই জন্মৰ হাৰ বাড়িছে বুলি প্ৰমাণ পোৱা গৈছে। অসমত বিভিন্ন কাৰণত জনসংখ্যাৰ বৃদ্ধি হৈছে। কিন্তু আন ফালেদি খাদ্যৰ উৎপাদন সেইদৰে বাঢ়িব পৰা নাই। প্ৰত্যেকটো বস্তুৰ কাৰণেই আমি আনৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হৈছে। আগতে আমাৰ ধান বা চাউল কিনি খোৱাৰ অভ্যাস নাছিল। কিন্তু আজি বাহিৰৰ পৰা চাউল কিনি আনিবলগীয়া হৈছে। কি কি কাৰণত চাউল বাহিৰৰ পৰা আনিৰ লগীয়া হৈছে সেইটো মাননীয় সদস্য সকলে জানে। কৃষিৰ ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰি আহিছো যদিও ভুল নীতি গুৰিতে গ্ৰহণ কৰি অহাৰ কাৰণে কৃষিৰ উৎপাদন আমি বঢ়াব পৰা নাই। সেই কাৰণেই চাউলৰ ক্ষেত্ৰত আনৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে। তেনেকৈ মচুৰ দাইল বা আন আন বিলাক বস্তুৰ ক্ষেত্ৰতো আনৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হৈছে। নিমখ বাহিৰৰ পৰা আনিব লগীয়া হৈছে, চাউল বাহিৰৰ পৰা আনিব লাগে, মিঠাতেল বাহিৰৰ পৰা আনিব লগীয়া হৈছে, সৰিয়হ বাহিৰৰ পৰা আনিবলগীয়া হৈছে। আৰু কাপোৰ-কানি আদিও বাহিৰৰ পৰা আনিব লগীয়া হৈছে। এইখন এনে এখন দেশ যিখনৰ উৎপাদন শক্তি

* Speech not Corrected

এনেধৰণেৰেই কমি গৈছে। সকলো ক্ষেত্ৰতে। আনফালে জনসংখ্যাৰ হাৰ এনেধৰণে বাঢ়িছে যে, ইয়াৰ যদি আশু সমাধান কৰিব নোৱাৰি তেতিয়াহলে, এই বিধান সভাত আমি যিমানেই নিচিঁৰোঁ, যিমানেই নকওঁ কিয় আৰু মাননীয় সদস্য সকলে যিমানেই পৰামৰ্শ আগনবঢ়াওক লাগিলে খাদ্যদ্ৰব্যৰ দাম আমি কেতিয়াও ৰোধ কৰিব নোৱাৰিম। যোৱা ৩১ বছৰত আমাৰ সমষ্ট জনসাধাৰণক পূজিপতিৰ ওচৰত বন্ধকত থোৱা হল। নিম্নস্তৰৰ লোক সকলে বা খেতিয়ক সকলে সদায়েই দি থাকিবলগীয়া অৱস্থা কৰিলে। দেশৰ কাৰণে ত্যাগ কৰিব লাগে, খেতি কৰিলে উৎপাদনৰ ক্ষেত্ৰতো কোনো ধৰণৰ হাত নাই। তেখেত সকলে মুখেৰে মাতিব নোৱাৰে। ধান সংগ্ৰহৰ নামত যিটো অত্যাচাৰ তেখেত সকলৰ ওপৰত চলিছিল সেইটো কথা আপোনালোক সকলোৱেই জানে। কিন্তু মুখেৰে মাত মাতিব নোৱাৰিছিল। খাদ্য উৎপাদন কৰে কিন্তু সেই খেতিৰ সামগ্ৰীবিলাকৰ ক্ষেত্ৰটো খেতিয়কে মাত মাতিব নোৱাৰিছিল আনে ঠিক কৰি লৈ যাব। তেওঁলোকে যিখিনি বস্তু খায় তাৰ দামো তেওঁবিলাকে নিৰ্দ্ধাৰণ কৰিব নোৱাৰে। আনে যেনেকৈ দাম নিৰ্দ্ধাৰণ কৰিব তেনেকৈয়ে দাম দিব লাগিব। আনে গেলা-পচা-বিহ যাকে নি দিয়ক তাকে খাব লাগিব। তেনেকৈ সকলোতে কেৱল দি থাকিব লাগিব। কিন্তু কোৱাৰ কোনো অধিকাৰ তেওঁবিলাকৰ নাই। সমস্ত দোষ-ত্ৰুটি সকলো কেৱল জনসাধাৰণৰ ওপৰতেইহে জাপি দিয়া হৈছিল। কিন্তু বিহিত ব্যৱস্থা নোলোৱাৰ কাৰণে জন-সাধাৰণৰ উদ্দেশ্যে যিবিলাক পৰিকল্পনা কৰা হৈছিল কৃষি উৎপাদন কৰাৰ ক্ষেত্ৰত গুৰুত্বও দিয়া হৈছিল কিন্তু যথেষ্ট পৰিমাণে মনোযোগ নিদিয়াৰ কাৰণেই সকলো খাদ্য দ্ৰব্যৰ দাম আজি বাঢ়িবলৈ পাইছে। চৰকাৰে মূল্য বৃদ্ধি নাই হোৱা বুলি কৈ সদনক বিভ্ৰান্ত কৰিব খোজা নাই। ১৯৫৩ চনকে বেচিছ হিচাবে ১০০ টকা ধৰি লও তেতিয়াহলে, ১৯৭৬ চনত ৩৩১.৮ টকালৈকে বাঢ়িছে। তাৰ পিছত ইণ্ডেক্সৰ ক্ষেত্ৰত ১৯৭৮ চনত এইটো পালেগৈ ৩৮৮.৭ টকা। তাৰ পিছত আকৌ ১৯৭৮ চনত ৪০৭.৭ টকা ৪.৯ টকালৈ বাঢ়িছে। কিন্তু অন্যহাতেদি আমি দেখিবলৈ পাইছো যে, আমাৰ দৰ্কাৰী বস্তুবিলাকৰ উৎপাদন বঢ়া নাই। যি পৰিমাণে আমাৰ ধান চাউল উৎপাদন হব লাগিছিল সেই পৰিমাণে ধান চাউল উৎপাদন হোৱা নাই। ধান সংগ্ৰহৰ ক্ষেত্ৰত মাননীয় সদস্য দুজনে সমালোচনা কৰিছে বিশেষকৈ যোৱাবাৰৰ ধান সংগ্ৰহৰ ক্ষেত্ৰত। কৃষক সকলক প্ৰতিনিধিত্ব কৰা হিচাবে মাননীয় সদস্য সকলে কৃষক সকলৰ অৱস্থা ভালকৈ জানে। এইটো কথা স্বীকাৰ কৰিব

লাগিব যে, কেন্দ্ৰীয় চৰকাৰে যি খাদ্য নীতি গ্ৰহণ কৰিছে তাৰ ফলত যি সকল খেতিয়ক যোৱা ৩১ বছৰে বঞ্চিত হৈ আছিল, যি সকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ ন্যায্য মূল্য পোৱা নাছিল সেই সকলে আগতকৈ বহুত বেছি আৰু ন্যায্য মূল্য পাইছে।

শ্ৰীহেমেন দাস :— মাননীয় অধ্যক্ষ মহোদয়, কৃষক সকলে কোনো দিনাই কেতিয়াও ন্যায্য দাম পোৱা নাই। ধানৰ দাম দুটা হয়, এটা ধান চপোৱাৰ সময়ত অৰ্থাৎ আঘোণ আদি মাহত আৰু আনটো মাৰ্চ, এপ্ৰিল মাহত ;

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মই আগতে খেতিয়ক সকলে যিটো দাম পাইছিল তাতকৈ এতিয়া বেছি পাইছে বুলিহে কৈছো।

শ্ৰীনগেন্দ্ৰনাথ দত্ত :— মাননীয় অধ্যক্ষ মহোদয়, অভাৱগ্ৰস্ত হৈ যি সকল লোকে ধান কম দামত বেচিব লগীয়া হয় সেইসকলৰ সংখ্যা হৈছে শতকৰা ৭০ জন। তেওঁলোকে কেতিয়াও ন্যায্যমূল্য নেপায়। এই কথাটো অস্বীকাৰ কৰিলে বাস্তৱ নীতি গ্ৰহণ কৰাত অসুবিধা হব।

অধ্যক্ষ মহোদয়, জনসংখ্যা বৃদ্ধিৰ কাৰণেই মূল কাৰণ খাদ্য সমস্যাৰ কাৰণ বুলি মন্ত্ৰী মহোদয়ে কৈছে। মই এটা কথা স্পষ্টকৈ উল্লেখ কৰিব খুজিছো যে আমাৰ ভাৰতবৰ্ষত ২০ কোটি থন মূখক খুৱাব লাগে, আৰু সেই অনুপাতে মাটিও যথেষ্ট আছে। কিন্তু চীন দেশত জনসংখ্যা বৃদ্ধিৰ পাচতো তেওঁলোকে প্ৰত্যেক জন মানুহকে খুৱাবলৈ সমৰ্থ হৈছে। গতিকে জনসংখ্যা বৃদ্ধিয়েই একমাত্ৰ কাৰণ হব নোৱাৰে। বৰ্ত্তমান যি সমাজ ব্যবস্থাৰ উৎপাদন আৰু বিতৰণৰ ব্যবস্থাৰ কাৰণেই খাদ্য সমস্যাৰ সৃষ্টি হয়। অভাৱ অনাটনৰ সৃষ্টি হয় আৰু দৰিদ্ৰৰ সৃষ্টি হয়। এইটো যদি আমাৰ দৃষ্টিগোচৰ নহয় তেতিয়া হলে আমাৰ খাদ্য দ্ৰব্যৰ মূল্যৰ সমস্যা সমাধান হব নোৱাৰে।

* শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— মই যিটো কথা কব খুজিছো সেইটো হৈছে, আগতে কৃষক সকলে যি ধৰণে ধানৰ মূল্য পাইছিল তাৰ বাবে হয়তো দালাল বা সূদখোৰ সকলে মাজত সোমাই কৃষকক প্ৰাপ্য মূল্যৰ পৰা বঞ্চিত কৰিছিল।

কিন্তু চৰকাৰে জনসাধাৰণৰ পৰা ধান সংগ্ৰহ কৰোতে উপযুক্ত মূল্য দিয়া ব্যৱস্থা কৰিছে। গতিকে মই কব খোজো যে মাননীয় সদস্য দত্ত ডাঙৰীয়াৰ লগত দ্বিমত নাই।

We cannot borrow economy from other countries ; we are to base on our own soil and own environment and own circumstances.

সেই কাৰণে মই কৈছো যে আজি আমাৰ জনসংখ্যা বাঢ়িছে, কিন্তু আমাৰ উৎপাদনৰ যি আচনি লোৱা হৈছিল, সেই উৎপাদন আচনি কাৰ্য্যকৰি নোহোৱাৰ ফলত উৎপাদন যি পৰিমাণে বাঢ়িব লাগিছিল সেই পৰিমাণে বঢ়া নাই। ইয়াৰো এটা বিশেষ কাৰণ আছে, মই অৱশ্যে সমাজ ব্যৱস্থাৰ নীতি নিয়ম বা শোষক শ্ৰেণীৰ নীতি নিয়মৰ কথা কবলৈ যোৱা নাই। এই ক্ষেত্ৰত আমি সামাক মনোভাবেৰে সাম্যক দৃষ্টিৰে সাম্যক কাৰ্য্যসূচি গ্ৰহণ কৰিব লাগিব। যিটোৰ যোগেদি আমি দৰিদ্ৰ জনসাধাৰণ যি সকলৰ প্ৰতি সকলোৰে আনুগত্য থাকিব লাগিব। নীতিগত ভাবে সকলো অৱস্থাৰ উন্নতি কৰিবলৈ হলে উৎপাদন বৃদ্ধি কৰিব লাগিব। আৰু উৎপাদন বৃদ্ধি কৰাৰ ক্ষেত্ৰত তেওঁলোকক সকলোখিনি সুযোগ সুবিধা দিব লাগিব। এই সম্পৰ্কত মই আগতেই কৈছো যে আমাৰ এতিয়া মচুৰ দাইলৰ কথা, আমাৰ উৎপাদন হয় মাত্ৰ ৩৬ হাজাৰ টন আৰু আমাৰ প্ৰয়োজন ১৪৪ হাজাৰ টন। গতিকে আজি এই ক্ষেত্ৰত আমি বাহিৰৰ পৰা বস্তু আনিব লগা হৈছে। আৰু বস্তু আনিবলৈ হলে চোৰ্চত যিটো দাম তাৰ ওপৰত নিৰ্ভৰ কৰিছে। মিঠাতেলৰ ক্ষেত্ৰত এটা কথা ওলাইছে মই সেইটো স্পষ্টীকৰণ কৰিব বিছাৰিছো। অৱশ্যে এই সম্পৰ্কত বিশেষ কিছুমান কথা উৎথাপন কৰি মই সদনৰ তিক্ততা বঢ়াবলৈ নিবিছাৰো। এইটো ঠিক যে, আজি সমস্ত ব্যৱসায়ী এক শ্ৰেণী পুজিপতিৰ হাতত চমজাই দিয়া হৈছে। কিন্তু মই কব খোজো যে, এতিয়া আমি ষ্টেটফেড নতুনকৈ সংগঠন কৰিছো। আজি ষ্টেটফেড বোলা অনুষ্ঠানটো আমি বেয়া হৈছে বুলি দলিয়াই দিব নোৱাৰো। তাত যিবিলাক বেয়া কাম হৈছে সেই বিলাক আমি ধুই নিকা কৰিব লাগিব। আজি সমবায় আন্দোলন সমৰ্থন কৰা হৈছে। সমবায় আন্দোলনত ৰাজনৈতিক আন্দোলনো

* Speech not corrected

চলিছিল সেইবিলাক এতিয়া এৰি দি প্ৰকৃত অৰ্থ নৈতিক অংশ গ্ৰহণ কৰি বিতৰণৰ ক্ষেত্ৰত অংশ-গ্ৰহণ কৰি যদি আমি সমবায় গঢ়ি তোলো তেতিয়া হলে আমাৰ সমবায় আন্দোলন সাৰ্থক হব। তেনেকৈ ষ্টেটফেডৰ যি অনুষ্ঠান আছে সেইটো যে নিকা অনুষ্ঠান মই কব নোখোজো। কিন্তু আমি সেই বিলাক গুছাই সামৰি নিকা কৰিব লাগিব। আমাৰ বস্তু অনা নিয়া, বস্তু বিতৰণৰ, আৰু বস্তু যোগান ব্যৱস্থাত আমি তীক্ষ্ম দৃষ্টি ৰাখিব লাগিব। কিন্তু এই ক্ষেত্ৰত তেওঁলাকক লাভখোৰ দূৰ্নীতিপৰায়ণ লোকৰ লগত হাত মিলাবলৈ দিয়া নাই। যদি কিবা ক্ষেত্ৰত তেওঁলোকে হাত মিলাই তেনেহলে মই সদনত দৃঢ়ভাবে কব পাৰো যে, উচিত ভাবে আমি মুকলি মূৰিয়াকৈ চিন্তা কৰি সেই বিষয়া সকলৰ ওপৰত ব্যৱস্থা লম আৰু ৰাইজক জানিবলৈ দিম। গতিকে আজি মচুৰ দাইল কিনা ক্ষেত্ৰত যি অভিযোগ আহিছে যি পৃথিৰাজ জয়চান্দৰ কথা আহিছে আজি সেই পৃথিৰাজ জয়চান্দ নাই। সেই কোলা শাসনৰ দিনৰ পৃথিৰাজৰ লগত জনতা চৰকাৰৰ কোনো সম্বন্ধ নাই। গতিকে মই মাননীয় সদস্য সকলক দৃঢ়ভাবে কওঁ মধ্যযুগৰ মহাবীৰ পৃথিৰাজ জয়চান্দৰ লগত এই জনতা চৰকাৰৰ কোনো সম্পৰ্ক নাই।

মহোদয়, বিতৰণ ব্যৱস্থা সম্পৰ্কত মই ইতিমধ্যে কৈছো বোধকৰো সেই সম্পৰ্কে বেলেগে উল্লেখ কৰিব নালাগিব। আমাৰ বিশেষকৈ নিমখৰ সম্পৰ্কত কাৰবাৰী সকলৰ যিটো কথা উঠিছে সেই সম্পৰ্কে মই সদনত কেইবাবাৰো কৈছিলো। মাননীয় সদস্য গিয়াছুদ্দিন ডাঙৰীয়াই সুধিছিল যে আমাৰ কৰিমগঞ্জ আৰু কাছাৰত কিয় ইমান নিমখৰ যোগান ধৰা হৈছিল? মই তেখেতক কব খোজো যে এই ক্ষেত্ৰত অলপ বেলেগ কথা ইমপ্লিকেচন হব পাৰে গতিকে মোৰ বন্ধুৱে গোৱালপাৰা ধুবুৰীৰ স্তকটো চায় যেন। তেখেতে পৰীক্ষা নিৰিক্ষা কৰি চালে এই বস্তু যিলাক কি কাৰণে সৰবৰাহ কৰা হৈছিল আৰু কলৈ গৈছিল এই বিষয়ে চৰকাৰে তদন্ত কৰি অনুসন্ধান কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ লৈছে। আৰু এই বিধান সভা শেষহৈ গলেই আপোনালোকে শুনিবলৈ পাব যে, এই ক্ষেত্ৰত যিবিলাক দালাল বা যিবিলাক ৰাজনৈতিক ব্যক্তি বা যিবিলাক ব্যক্তি ইয়াত জৰিত আছে তেওঁলোক ফান্দত পৰা শুনিবলৈ পাব। আৰু আইন সংগতভাবে চাৰ দিয়া হব। আৰু আপোনালোকে শুনি সন্তুষ্টি লাভ কৰিব। গতিকে এই ক্ষেত্ৰত মাননীয় সদস্য সকলৰ সহায় সহানুভূতি কামনা কৰিলো।

লগতে মই কব বিচাৰিছো এই যে মালচান্দ মতিলাল কোঠাৰী যিটো পাপচক্র বহুতে কোৱা মতে ইয়াত ঘূৰি ফুৰিছে সেইটো আমি নুই কৰিব নোৱাৰো, আপোনালোকে নিশ্চয় গম পাইছে যে এতিয়া ৰাস্তাই পতুলীয়ে নানা ৰকমৰ পোষ্টাৰ ইত্যাদি ওলাইছে আৰু ই বিশেষ ধৰণে মন্ত্ৰীক পিন পইন্ট কৰা হৈছে, বেনামী চিঠিয়ো আহিছে আৰু টকা পইচা বিনিময় চলি আছে। কিন্তু আমি যদি আপোনালোকৰ পৰা এই ক্ষেত্ৰত সহায়-সহযোগ পাও নিশ্চয় এই সকল মানুহক কোনো দিনাই মূৰ ডাঙি উঠিবলৈ দিয়া নহব তাৰ বাবদ দৃঢ় ব্যৱস্থা হাতত লম। এই ক্ষেত্ৰত মাননীয় সদস্য গগৈ ডাঙৰীয়াই এটা কথা কৈছে আৰু এতিয়াও কৈ আছে যে চিঞৰ-বাখৰ কৰি থকাহে হৈছে, যোৱা ৩১ বছৰে অকল তেখেতেই নহয় মইয়ো, আমি সকলোয়েই চিঞৰ-বাখৰ কৰিছো, কিন্তু এটা কথা ঠিক যেতিয়া আমি চিঞৰি থকা অৱস্থাৰ পৰা এতিয়া নিজেই সেইবিলাক চাবলৈ সুবিধা পাইছো গতিকে আমিও তেনে সমালোচনাৰ সম্মুখীন হব লাগিব। এই কথাবোৰলৈ লক্ষ্য ৰাখি আমাৰ হাতত যিবিলাক বিহিত ব্যৱস্থা আছে সেই ব্যৱস্থাৰ যোগেদি ৰাইজক সহায় কৰিবলৈ আৰু ৰাইজক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ পাৰ্য্যমানে চেষ্টা কৰিম। এইটো আমি দৃঢ়কৈ কৈছো যে উদ্যোগপতি সকলৰ লগত পূজীপতি সকলৰ লগত আমি কেতিয়াও হাত নিমিলাও হাত মিলাম আমি জনগণৰ লগত আমাৰ মাননীয় সদস্য-সকলৰ লগত। লাভখোৰ পূজিপতিৰ আগত আমি কেতিয়াও মূৰ দোৱাবলৈ নাযাও, পৰাজয় বৰণ নকৰো হাত মিলোৱা দূৰৰ কথা। মাননীয় সদস্য হুদা আৰু গিয়াচুদ্দিন চাহাবে কোৱা এষাৰ কথা কবলৈ ওলাইছো। কথাটো হ'ল কামৰূপ জিলাৰ ডি, চিৰ আহ্বানক্ৰমে এখন মিটিংত মূল্য নিয়ন্ত্ৰণৰ কাৰণে আমাৰ চাপ্লাই ডিৰেক্টৰেতৰ বিষয়ববীয়া তালৈ গৈছিল, তাত যদিও এই বিষয়ে আলোচনা-বিলোচনা হৈছিল কিন্তু আমাৰ ডিৰেক্টৰ আৰু বিভাগীয় বিষয় ববীয়াই কোনো ধৰণৰ মত প্ৰকাশ কৰা নাই। তেওঁলোক তাৰ পৰা গুচি আহিলে। কিন্তু পিচত ডিচিৰ লগত কি আলোচনা হ'ল কব নোৱাৰো। আৰু সেই কাৰণেই ডিচিব পৰা ব্যাখ্যা বিচাৰি ইতিমধ্যে লিখা হৈছে। আৰু এটা কথা উত্থাপন কৰিছে যে মচুৰ দাইল ইয়াতে কিনা হৈছে বুলি কৈছে কিন্তু প্ৰকৃততে সেইটো নহয় আমাৰ নিজৰ কেইটামান অনুষ্ঠান আছে আৰু সেই চৰকাৰী অনুষ্ঠানৰ লগত আমাৰ বিষয়া আছে তাত তেওঁলোকে বহি লৈ ক'ত কিমান,

শস্য আছে দৈনিক আমাক কিমান লাগে, কিমানখিনি শস্য কোন ঠাইৰ পৰা কিনা হৈছে আৰু ইয়াৰ পৰা কিমান গৈছে এই বিষয়ে এটা পৰিষ্কাৰ হিচাব ৰাখিবৰ কাৰণে সকলো ধৰণৰ ব্যৱস্থা কৰা হৈছে। এতিয়া কত কিমান বস্তুৰ দাম বাঢ়িছে আৰু ক'ত যোগান ধৰিব লাগে সেই ব্যৱস্থা কৰা হৈছে। মাননীয় সদস্য সকলৰ পৰা সহায়-সহযোগ পালে আমি এই ক্ষেত্ৰত অতি সোনকালে এটা খৰতকীয়া ব্যৱস্থা লব পাৰিম। আৰু এটা নতুন বস্তু ওলাল সেইটো হ'ল 'চিজলা'। মিঠাতেলৰ অসুবিধা হোৱাৰ কাৰণে এই অসুবিধা দূৰ কৰিবলৈ এই বস্তুটো ওলাইছিল। গডৰেজ কোম্পানীৰ পৰা এই বস্তুটো অনাটো সত্য আৰু ইয়ে এটা কেপিটেলিষ্ট মালটিনেশ্যনেল সেইটো আমি গম পাইছোঁ। আমি আশ্বাস দিছো কাকো জোৰ দিয়া নহব যেয়ে বিচাৰে সেইটো কিনিব পাৰে। ৰাইজে বহুতে এই বস্তুটো কিনিছে কিয়নো ইয়াৰ দাম মাত্ৰ ৮.৫০ পইচা যি সময়ত মিঠাতেলৰ দাম ১১/১২ টকা। পাবলিক এনালাইচিষ্টে এইটো পৰীক্ষা-নিৰিক্ষা কৰি বিশুদ্ধ বুলি কৈছে। এই বস্তুটো প্ৰথম আৰম্ভ কৰা হৈছিল নগাওঁৰ পুলিচ বেটেলিয়ানত। কৰবাত অভাব হলে ইয়াৰ দ্বাৰা এটা চাবচটিটিউটৰ দ্বাৰা মিট কৰিবলৈ এই ব্যৱস্থা ৰখা হৈছে কিন্তু আমি আমাৰ লগত ইয়াক টেক কৰিব খোজা নাই। মোৰ আৰু বিশেষ কবলৈ নাই, মাননীয় সদস্য ফৰুৰুল ইচলাম ডাঙৰীয়াই হিচাব-নিকাচৰ ক্ষেত্ৰত এটা পৰামৰ্শ দিছিল, আমি চাৰ্টাৰ-একাউন্টটেন্টৰ জৰীয়তে এই হিচাব-নিকাচবিলাক কৰিছো। বহুতে কৈছে যে ৩ মাহৰ ভিতৰত এই ষ্টেটফেদ শেষ হৈ যাব, আমি শেষ হৈ যাবলৈ নিদিও তাক আমি পুণৰ সংগঠন কৰিম।

অলপতে এন, ডি, চিৰ মেনেজিং ডিৰেক্টৰৰ পৰা জনা গৈছে যে এই ক্ষেত্ৰত যিমানখিনি টকা-পইচা লাগে তেওঁলোকে দিব, মই ভালেকেইজন সদস্যক তেওঁৰ লগত চিনাকী কৰি দিছিলো। সুখৰ কথা যে ফুদ ট্ৰেন্সপোৰ্টৰ ক্ষেত্ৰত এটা চাবচিদি কৰি হলেও যাতে খাদ্যবস্তু গাৱঁৰ যিকোনো ঠাইলৈ সুবিধাকৈ নিব পাৰি তাৰ কাৰণে ট্ৰাকৰ যোগান ধৰিব বুলি আশ্বাস দিছে। তেনে ক্ষেত্ৰত আমি গাৱঁত আগতকৈ কিছু মূল্যত দিব পাৰিম বুলি ভাবিছো কিয়নো তেতিয়া তাত মিদিলমেনে সুবিধা লৈ বস্তুৰ মূল্য বৃদ্ধি কৰিবলৈ সুবিধা নাপাব। যদি আমি ৰাইজৰ পৰা সহাৰী পাও আৰু মাননীয় সদস্যসকলে এই ক্ষেত্ৰত সহায়

সহযোগ কৰে তেতিয়া হলে আমি জনসাধাৰণৰ সুবিধাখিনি কৰি দিব পাৰিম যাতে ৰাইজক সুলভ মূল্যত বহু যোগান ধৰিব পাৰো, এইখিনিকে আশা ৰাখি মাননীয় সদস্য সৰ্কলক ধন্যবাদ জনাই সামৰণি মাৰিলো।

শ্ৰীগিয়াচ্‌দ্দিন আহমেদ ঃ— গুৱাহাটীত ২০-৪-৭৮ তাৰিখে যোগান মন্ত্ৰীয়ে যোগান বিভাগৰ বিভাগীয় বিষয়াই দিচিয়ে আহ্বান কৰা মিটিঙত যোগদান কৰা বুলি স্বীকাৰ কৰে কিন্তু আলোচনাত অংশগ্ৰহণ কৰা নাই বুলি কৈছে, অৱশ্যে এই ক্ষেত্ৰত মই উল্লেখ কৰা নাছিলো সময় বচাবৰ কাৰণে কিন্তু স্পিচিয়েল অফিচাৰ কামৰূপ জিলাৰ পৰা ২১-৪-৭৮ তাৰিখে এটা 'অৰদাৰ' ইচু হৈছিল। এইটো এনেকুৱা, মই পঢ়ি দিছোঁ।

Special Officer, Supply, Kamrup to All Supply Inspectors are hereby. directed to ensure that the prices of the following essential commodities are sold to the consumers in the prices noted against each item as decided in D.C's Chamber on 28.4.78...............

All Supply field officers are hereby directed to ensure that the prices of the following essential commodities are sold to the consumers in the prices noted against each item as decided in the meeting held in the D.C.'s chamber on 20.4.78 with the members of the Kamrup Chamber of Commerce. This will be effective from 21.4.78.

M/Oil—158 per tin
Musur Dal—Rs 330 per quintal
Salt—Rs.23.45 per bag

They are also directed to see that both wholeseller and the retailers are displaying prices of all essential commodities along with the stock position in the conspicious places of their shop. If any wholeseller or retailer is found charging higher prices it should be reported to the undersigned.

Sd/—D. Barman,
Special Officer, Supply.

* Speech not corrected

মন্ত্ৰী মহোদয়ে কৈছে যে—সংযুক্তা পৃথিৰাজৰ লগত কোনো সম্পৰ্ক নাই। তেওঁৰ ষ্টেটফেডক দিয়া নাই। কিন্তু এইটো কথা সঁচা যে— এন, চি, চি, এফক মচুৰ দাইল প্ৰকিয়ৰ কৰিবৰ কাৰণে এজেন্ট নিযুক্তি কৰিছে ? যদি কৰিছে এই এন, চি, চি, এফত তেওঁলোকৰ চাব-এজেন্ট কাক কাক নিযুক্তি কৰিছে ? মোৰ খবৰ পোৱামতে— সেই পুৰুষোত্তম সাহো সংযুক্তাৰ দৰা—পৃথিৰাজ।

শ্ৰীতুলালচন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী):— এইটো সকলোৱে জনা কথা— অধ্যক্ষ মহোদয়— আপুনিও জানে আৰু মাননীয় সদস্য সকলেও প্ৰকৃততে জানে—ইয়াত কোনো ধৰণৰ লুক-ঢাক নাই আৰু কোনো ধৰণৰ ইতিকিং কৰাৰ প্ৰশ্ন নুঠে। সেইটো হল জিলাবিলাকত ডেপুটি কমিচনাৰ আৰু এচ, ডি,অ' সকলে আলোচনা কৰি মাজে মাজে এনেধৰণে ব্যৱস্থা গ্ৰহণ কৰে। এইটো কোনে কৰিলে বা কেনৈ কৰিলে তাৰ প্ৰশ্ন আমি সোধা নাই। স্পেচিয়েল অফিচাৰ বা ডিৰেক্টৰৰ কথাত কওঁ যে আমাৰ যিসকল অফিচাৰ ডিৰেক্টৰেটৰ পৰা গৈছিল— তেখেত সকলৰ লগত আলোচনা কৰি ডি, চিয়ে লোকেল অৱস্থালৈ চাই ব্যৱস্থা গ্ৰহণ কৰিছিল— কিন্তু যি ব্যৱস্থা কৰিছিল তাক এপ্ৰুভ্‌ড কৰা নাই আৰু লগে লগে আমি তাৰ ব্যাখ্যা বিচাৰিছো। এই কথাটো উল্লেখ কৰিছো— ইয়াত কোনো ধৰণৰ লুকঢাক নাই। পৃথিৰাজ জয়চান্দৰ লগত কোনো সম্পৰ্ক নাই। তেখেতে যিটো সংগঠনৰ কথা কৈছিল— সেইটো প্ৰথমতে নিয়োগ কৰিছিলো— কিন্তু তেওঁ-লোকৰ বহুত খেলিমেলি চকুত পৰিল— মাজে মাজে কিবা কিবি ওলায়। সেইকাৰণে নিজৰ বিষয়াই অমুকত ষ্টক আছে— পাৰ্চেজ কৰিছে— তমুকত ষ্টক আছে পাৰ্চেজ কৰিছে। তাৰ ওপৰিও ট্ৰেইলৰত উঠাবৰ সময়ত বন্নুৱা নিয়োগ কৰিছো— গতিকে পৃথিৰাজৰ লগত কোনো কাৰবাৰ নাই।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :— মন্ত্ৰী ডাঙৰীয়াই স্বীকাৰ কৰিছে যে ষ্টেটফেড, এ-এন, চি, চি, এফক এজেন্ট হিচাবে নিয়োগ কৰিছিল। আজি কেইদিনমানৰ আগতে এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী ডাঙৰীয়াই কৈছে যে— আমাৰ ষ্টেটফেডৰ নিজা অফিচাৰবিলাক গৈ চৰ্চত কিনাৰ ব্যৱস্থা কৰিছে। এন,চি,চি, এফক হেন্দোলিং এজেন্ট হিচাবে নিয়োগ কৰা নাই। ইয়াৰ আগতে মন্ত্ৰী ডাঙৰীয়াই কৈছিল যে--যোগান বিভাগৰ অফিচাৰসকলে ডি,চি,ৰ আহ্বানক্ৰমে মিটিঙত উপস্থিত আছিল কিন্তু মতামত দিয়া নাই। দাম

ঠিক কৰা নাছিল। মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন আহমেদ ডাঙৰীয়াই চাৰ্কুলাৰ পঢ়ি দেখুৱাইছে যে— সেই মিটিং কেৱল ডি, চিয়ে আহ্বান কৰাই নহয় তাত দামো স্থিৰ কৰা হৈছে আৰু সেই দাম কাৰ্য্যকৰী কৰাৰ কাৰণে চৰকাৰী স্পেচিয়েল অফিচাৰ বা যিয়েই নহওক চৰকাৰ পক্ষৰ পৰা সভ্য দিয়া হৈছে। উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে চৰকাৰক এটা কথা অনুৰোধ কৰিব বিচাছিছো যে— এই সদনত যি তথ্যপাতি দিয়ে তাৰ দ্বাৰা যাতে কেতিয়াও সদনক মিচ্‌লিড্‌ কৰিবলৈ চেষ্টা কৰা নহয়। সিদিনা মই কৈছিলো যে— এন, চি, চি, এফক হেন্দোলিং এজেণ্ট হিচাবে লৈছে— কিন্তু যোগান মন্ত্ৰীয়ে অস্বীকাৰ কৰিছে। এতিয়া কৈছে যে— ষ্টেটফেডক এন, চি, চি, এফে দিছে আৰু গণ্ডগোল কৰাৰ আৰম্ভ কৰিছে। গতিকে সদনত চৰকাৰ পক্ষৰ পৰা যিখিনি তথ্য দিয়ে সেইখিনি যদি সত্য বুলি গ্ৰহণ কৰিব লাগে তেন্তে আপোনাৰ যোগেদি অনুৰোধ কৰিছো যাতে সদনক মিচ্‌লিড্‌ কৰাৰ চেষ্টা কৰা নহয়।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগানমন্ত্ৰী) ঃ— উপাধ্যক্ষ মহোদয়, মই ভাবো মাননীয় সদস্য গৰাকীয়েহে সদনক মিচ্‌লিড্‌ কৰিব বিচাৰিছে— মই খোজা নাই। তেখেতে যি ধৰণে জানে ময়ো জানো যে ভুল তথ্যপাতি সদনত দিব নালাগে আৰু দিব নাপায়। মাননীয় সদস্য গৰাকীয়ে জনা উচিত যে— ডি, চিয়ে বেলেগ বেলেগ ৰাস্তা লয়। ডি, চি, কেইবা ধৰণে কেইবাটাও কাৰণত ডিৰেক্টৰৰ লগত কিবা আলোচনা কৰিবলৈ বিচাৰিব পাৰে। আলোচনাত তেখেতে অংশ গ্ৰহণ কৰা নাই। ডি, চি,ৰ এষ্টাব্লিচমেণ্টেহে কাম কৰিছে— নীতি নিৰ্দ্ধাৰণ কৰিছে আৰু লগে লগে আমি সেইটো নাকচ কৰিছো। গতিকে ইয়াত কোনো ধৰণৰ লুক-ঢাকৰ প্ৰশ্ন নাহে। দ্বিতীয়তে তেখেতে যিটো অনুষ্ঠানৰ কথা উল্লেখ কৰিছে মই সিদিনাও কৈছো যে— এনেকুৱা ধৰণেৰে চৰকাৰী অনুষ্ঠানৰ জৰিয়তে বস্তু অনা হৈছে। এন, চি, চি, এফ চৰকাৰী অনুষ্ঠানৰ ভিতৰত নপৰে। ইয়াত লুক-ঢাকৰ কোনো কথা নাই— চৰকাৰী অনুষ্ঠানৰ যোগেদি অনাত খেলিমেলি হোৱাৰ কথাহে কৈছো। আমাৰ ফালৰ পৰা চিধাচিধি ব্যৱস্থাৰে বস্তু অনাৰ ব্যৱস্থা কৰিছো— লুক-ঢাকৰ প্ৰশ্ন নহয়। চৰকাৰী অনুষ্ঠানটোত অন্য ধৰণৰ মানুহ সোমাই পৰে— এই খবৰ বিবয়া সকলে পাইছে। ইয়াৰ ব্যৱস্থা লবলৈ কৈছো। ইয়াত যিমান

* Speech not Corrected

বস্তু-বাহানি নিজে নিজে গৈ অনা যায়— অর্থাত আগ্রা-লক্ষ্ণৌ আদিত বিষয়া বগইি স্থানীয় অনুষ্ঠানৰ সহায় লব লাগিছে। গতিকে নিজে গৈ কিনি আছে। চৰকাৰে ভুল তথ্য ইয়াত কোনো দিনে দিয়া নাই আৰু যেতিয়াই ভুল তথ্য দিয়াটো প্ৰমাণিত হব তেতিয়াই মোক বিধান সভাত দেখিবলৈ নাপাব।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ ঃ— তেখেতে যদি ভুল তথ্য দিয়া নাই— তেন্তে নিতান্তই ভাল পাম। সদনক কোনোবাই মিচ.লিড্ কৰাৰ চেষ্টা কৰিছে নে নাই তাক বুৰঞ্জীয়ে কব। কাৰণ আজি বহুত দিনৰ পৰা ১৯৬২ চনৰ পৰাই তেখেতো বিধান সভাত আছে আৰু ময়ো আছো। মই আপোনাৰ যোগেদি এটা কথা সুধিব বিচাৰিছো যে— ডি, চিয়ে আহ্বান কৰা মিটিঙত যিজন যোগান বিভাগৰ বিষয়া উপস্থিত আছিল— সেইবিলাকে এই দাম স্থিৰ কৰা সম্পৰ্কত নোট্ অৰ্ ডিচেন্ট বা ডিফাৰেনচ্ ৰেকৰ্ড কৰিছে নেকি?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী) :— নীতি নিৰ্দ্ধাৰণ কৰাৰ ক্ষেত্ৰত চৰকাৰ পক্ষৰ কোনো নিৰ্দ্দেশ নাই। এই নীতি নিৰ্দ্ধাৰণ কৰি থাকিব নালাগে বুলি ৰিপৰ্ট কৰিছে। বিষয়াসকলৰ ব্যাখ্যা খোজা হৈছে। এই বিষয়াজনৰ লগত আন কেইজনৰ কি ব্যৱস্থা লব খুজিছে— তাক বিধান সভাত কব বিচৰা নাই। ইতিমধ্যে তেখেতৰ ওপৰত কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে— সেইটো মাননীয় সদস্য গৰাকীয়ে জানে। অকল সেইজন বিষয়াই নহয় লগত থকা কেইজনৰো ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

শ্ৰীপ্ৰমোদ গগৈ :— এই স্পেচিয়েল অফিচাৰ জন যোগান বিভাগৰ মানুহ হয় নে নহয় নে ডিষ্ট্ৰীক এষ্টাব্লিচ.মেণ্টৰ মানুহ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (যোগানমন্ত্ৰী) :— ডিষ্ট্ৰীক্ট এষ্টাব্লিচ.মেণ্টৰ মানুহ।

MISCELLANEOUS

*শ্ৰীনৰেন্দ্ৰ নাথ দত্ত :— উপাধক্ষ্য মহোদয়, মই এটা ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয় সদনৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। পাগলাদিয়া নদী দুখৰ নদী বুলি আপোনালোক সকলোৱে জানে। প্ৰতি বছৰ ধৰি নলবাৰী মহকুমাক প্লাৱিত কৰি জনসাধাৰণ

দুখ দুৰ্গতিৰ সীমা নোহোৱা কৰে। পাগলাদিয়া নদীৰ মথাউৰি প্ৰতি বছৰ ভাঙে। এইবাৰ পাগলাদিয়াৰ বাওঁপাৰে ছন্দাধৰা এলেকাত তিনি কিলোমিটাৰত গৰাখহনীয়া আৰম্ভ হৈছে। যি কোনো মূহুৰ্ত্ততে নদীৰ মথাউৰি ভাঙি হাজাৰ হাজাৰ মানুহক গৃহহীন কৰাৰ আশংকা হৈছে। স্থানীয় বাননিয়ন্ত্ৰণ বিভাগৰ ফালৰ পৰা অক্ষমতা প্ৰকাশ কৰিছে। চৈধ্য কিলোমিটাৰ আৰু বিশ কিলোমিটাৰতো খহনীয়া আৰম্ভ হৈছে। বৰমূৰিকোণাতো খহনীয়া আৰম্ভ হৈছে। তাত থকা দলংখন আজি ছয় সাত বছৰ ধৰি নহল। ইয়াৰ ফলত হাজাৰ হাজাৰ মানুহ ক্ষতিগ্ৰস্ত হৈ আছে অথচ দলংখন আজি পৰ্য্যন্ত কৰা নহল। লাখ লাখ টকা খৰচ কৰা হৈছে কিন্তু এই গুৰুত্বপূৰ্ণ দলংখন আজি পৰ্য্যন্ত কৰা নহল। গতিকে মই বিভাগীয় বাননিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো ৰাইজক এই বিপদৰ পৰা উদ্ধাৰ কৰাৰ কাৰণে খহনীয়া হোৱা ঠাইত খহনীয়া প্ৰতিৰোধ কৰাৰ কাৰণে যাতে শীঘ্ৰে ব্যৱস্থা লয়।

* শ্ৰীৰমেশ মোহন কুলী (বাননিয়ন্ত্ৰণ মন্ত্ৰী) :— মাননীয় সদস্য শ্ৰীদত্তই উল্লেখ কৰা বিষয়টো মই এঘণ্টা আগতে গম পাই এই এঘণ্টাৰ ভিতৰতে খবৰ কৰি জানিব পাৰিছো যে বিশ কিলোমিটাৰত বাওঁপাৰে মথাউৰি খহনিয়া হৈছে সেইটো সঁচা কথা। সেই কাৰণে তাত খৰতকীয়া কাম কৰিবলৈ চেষ্টা কৰিছে আৰু একেবাৰে এৰি দিয়া হোৱা নাই। চেষ্টা চলাই থকা হৈছে। এতিয়া খবৰ পোৱা মতে চেষ্টা চলাই আছে। তাৰ পিচত তিনি কিলোমিটাৰত সোঁপাৰে পোন্ধৰ দিন মান আগৰ পৰা মথাউৰি খহনীয়া আৰম্ভ হৈছিল আৰু তাত বল্ডাৰ আদি দি প্ৰতিৰোধ কৰাৰ ব্যৱস্থা কৰা হৈছে আৰু কিছু উপশম হৈছে। চৈধ্য কিলোমিটাৰত বাওঁপাৰে খহনীয়া প্ৰতিৰোধ কৰাৰ চেষ্টা কৰা হৈছে আৰু খহনীয়া এতিয়া কমিছে বুলি কৈছে। চব্বিশ কিলোমিটাৰত সোঁপাৰে খহনীয়া আৰম্ভ হৈছিল তাতো কিছু কাম কৰা হৈছে আৰু মথাউৰি নদীতকৈ দহ মিটাৰত আছে। চুতীয়ামাৰী বোলা ঠাইত বেছিকৈ আৰম্ভ হৈছিল গতিকে বিভাগৰ ফালৰ পৰা যিখিনি ব্যৱস্থা কৰিব লাগে কৰা হৈছে। যোৱা ২৭ তাৰিখে মেম্বাৰ কনষ্ট্ৰাকচন আৰু এ-চি-চি গৈ যিখিনি কৰিব লাগে কৰি আহিছে। গতিকে চৰকাৰী বিভাগে যিখিনিত বেছি হৈছে সেইটো সোনকালে ব্যৱস্থা লবলৈ চেষ্টা কৰিছে।

* শ্ৰীমুকুট শৰ্ম্মা :— উপাধ্যক্ষ মহোদয়, খেল বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা

জানিব বিচাৰিছো যে অসম মাউণ্টেনিয়াৰিং এচোচিয়েচনৰ পাঁচ জন সভ্যাই যোৱা ২৯ মে তাৰিখে চতুৰঙ্গ শৃংঙ্গ আৰোহণ কৰিছে। এইটো মই ৰাতিপুৱাই জাননীও দিছিলো। এই অভিলেখ স্থাপন কৰা কাৰণে গৌৰৱৰ বিষয় হৈছে। মই মন্ত্ৰী মহোদয়ে প্ৰস্তাৱ আনিব বুলি গম পাইছো। সেই যুৱক সকল অভিনন্দনৰ পাত্ৰ আমি অভিনন্দন জনাইছো।

RESOLUTION

* Shri Keshab Chandra Gogoi, (Minister)—Mr. Deputy Speaker, Sir, with your permission I like to make a short statement and move a resolution.

The Assam Mountaineering Association formed in the year 1978 is a pioneering organisation in our State in popularising mountaineering amongst the youth. This organisation has enthused a sense of love for the mountains and instilled spirit of adventurism in its course.

This organisation has successfully climbed the Bethertoli Himalayan peak (20,840 ft) Mrightuni (22,490 ft) in the year 1970, Banderpunch (20,720 ft) in the year 1974 and also launched a reconnisance expedition to Kaliodi Pass(19,510 ft) besides organising rock climbing course in and outside the State.

During the current year a scheme was undertaken to scale the Chaturanga Peak (20,975 ft)in the glacier region of Gharwal Himalayas. The climbing history of this region is rather recent and the peak was earlier successfully climbed by only foreign (Austro-German, 1938) and two Indian teams (1969 and 1974)

The team sponsored by the Assam Mountaineering Association comprised of the following members :

---

* Speech not Corrected

1. Mr. Bhagat Singh, leader.
2. Mr, Pranab Das, Deputy Leader.
3. Mr. Parbati Prashad Gautom.
4. Mr, Ajit kumar Kalita.
5. Mr. Subodh Kumar Dutta.
6. Mr. Birendra Kumar Das.
7. Mr. Khanindra Nath Das,
8. Mr. Hareswar Mahanta.
9. Mr. Prafulla Deka.
10. Mr. Kanak Ch. Deka.

On 29th May the following members of the team successfully scaled the Chaturanga Peak.

1. Mr. Bhagat Singh, Leader.
2. Mr. Pranab Kr. Das, Deputy Leader.
3. Mr. Parbati Prashad Gautom.
4. Mr. Ajit Kumar Kalita.
5. Mr. Kanak Ch. Deka.

For the above expedition a sum of Rs. 15,000/—was sanctioned by Govt. during the last year.

Now, I like to move the resolution.

'The House records its pleasure in the successful scaling of the Chaturanga Peak in Gharwal Himalayas on 29th May 1978 by the following members of the Assam Mountaineering Association, viz

1. Shri Bhagat Singh, Leader
2. Shri Pranab Kr. Das
3. Shri Parbati Prasad Goutam
4. Shri Ajit Kr. Kalita
5. Shri Kanak Ch. Deka

The House also congratulates the organisers and the members of the team in general and the successful climbers in particular for their achievement.'